কৰ্মপ্ৰাণ

ৰোহিণীকান্ত

প্ৰথম প্ৰকাশ
মে, ১৯৬৫ চন

প্ৰকাশক—
“দি শইকীয়া প্ৰেছ” বোকাখাট।

মুদ্ৰক—
এ. কে. ব্যানাৰ্জী, বাণীলেখা প্ৰেছ
৭বি, ৰামমোহন চাহ লেন,
কলিকাতা-৬

মূল্য—টকা ১·২৫ প.

উপহার

....

....

....

“একোজন পুৰুষৰ একো আজোঁৰত
বহুযুগ আগ বাঢ়ি যায়।
একোজন পুৰুষৰ একোটা ঠেলাই
বহুকাল সংসাৰ চলায়।”

উছৰ্গা

পূজনীয়া,

শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱা,

"হাতীবৰুৱা টোল,"

কৰঙা, যোৰহাট।

আইতা,

এইখনি আপোনাৰ আশীৰ্ব্বাদতেই জন্ম দেখি আপোনাৰ হাততেই দিলোঁ, গ্ৰহণ কৰিব।

—শ্ৰীচিদানন্দ শইকীয়া।

আশীর্ব্বাদ

সুসাহিত্যিক

শ্ৰীমহাদেৱ শৰ্মাদেৱৰ আশীষ—

“............৺হাতীবৰুৱাৰ জীৱনী লিখিবলৈ তোমাৰাও ধন্যবাদ জনাইছোঁ,............মোৰ সহযোগ আছে বুলি জৰুৰ ভাবিব।”

যোৰহাটৰ আইনজীৱি, সুলিখক,

শ্ৰীমোহনচন্দ্ৰ মহন্ত বি, এল, দেৱৰ আশীষ—

“..........হাতীবৰুৱাৰ জীৱনী লেখিবলৈ তোমাৰ বাবে শলাগ জনাইছোঁ।”

কৃতজ্ঞতা জ্ঞাপন

এই সকলৰ পৰা আৱশ্যকীয় খুদ্ধিপৰামৰ্শ পাই, মোৰ হিয়াভৰা শ্ৰদ্ধা জনালোঁ—

৺সৰ্ব্বেশ্বৰ বৰচেতীয়া, যোৰহাট,

শ্ৰদ্ধেয় দেশনেতা, অসমৰ ভূতপূৰ্ব শিক্ষামন্ত্ৰী শ্ৰীদেবেশ্বৰ শৰ্মা।

অসমৰ বনবিভাগৰ মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্মা।

শ্ৰীদেবেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী, কংগ্ৰেছনেতা শ্ৰীযোগেন শইকীয়া, যোৰহাট।

সাহিত্যিক আৰু দেশকৰ্মী শ্ৰীমহাদেৱ শৰ্মা,

পূজনীয় শ্ৰীমোহনচন্দ্ৰ মহন্ত বি, এল, যোৰহাট।

বেটুপাতৰ

ছবিৰ আহিটো

আঁকি দিছে মোৰ ভূতভূৰ্ব ছাত্ৰ শ্ৰীটংকেশ্বৰ হাজৰিকাই।

তেওঁলৈ মোৰ শুভেচ্ছা থাকিল।

শ্ৰীচিদানন্দ শইকীয়া
বোকাখাট

৺পীতাম্বৰ দেৱ গোস্বামী,

গড়মুৰীয়া সত্ৰাধিকাৰ প্ৰভুৰ

আশীষ ।

"শ্ৰদ্ধেয়নেতা হাতীবৰুৱা নিজে নিজেই মহান, উদাৰ আছিল। তেখেতৰ প্ৰতিভা মই বৰ্ণাব নোৱাৰোঁ। পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰো যেন তেখেতৰ গুণাৱলী ফুটাই তুলিবলৈ পৰমেশ্বৰে আপোনাৰ লেখনিত যথোপযোগী শক্তি দি মহৎ ব্যক্তিৰ মহান্ ব্যক্তিত্ব প্ৰকাশ কৰিবলৈ সক্ষম কৰক। ....।"

শলাল গাওঁ—১৬।৩।৪৯

অসমৰ ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী

লোকপ্ৰিয় ৺গোপীনাথ বৰদলৈ দেৱৰ শুভাশীষ।

শিলং

১৫।৯।৪৯

প্ৰিয় শইকীয়া

আপোনাৰ ৺হাতীবৰুৱাৰ হাতেলিখা জীৱনীখনি পঢ়ি সন্তোষ পালোঁ। আপোনাৰ এই প্ৰচেষ্টাৰ শলাগ লৈছোঁ। ইতি।

আপোনাৰ

শ্ৰীগোপীনাথ বৰদলৈ।

কৰ্মপ্ৰাণ

ৰোহিণীকান্ত

আগকথা

কৰ্মপ্ৰাণ ৰোহিনীকান্ত হাতী বৰুৱাৰ জীৱনী প্ৰচাৰিত হোৱা নাই যদিও তেখেতৰ কাৰ্য্যাৱলী অসমৰ জাতীয় আন্দোলনৰ লগত এনে ওতপ্ৰোত ভাৱে জৰিত যে, জাতীয় আন্দোলনৰ কথা আলোচনা কৰিলেই তেখেতৰ জীৱনী আলোচিত হয়।

আজি আমাৰ দেশ স্বাধীন। কংগ্ৰেছৰ গুণগাওতা বা নিজকে কংগ্ৰেছী বুলি পৰিচয় দিওঁতা লোকৰ আজি অভাৱ নাই। কিয়নো, আজি কংগ্ৰেছ ৰাষ্ট্ৰৰ মালিক কিন্তু এনে এদিন আছিল, যিদিনা এই লোকসকলে কংগ্ৰেছৰ নাম নলৈছিল, আনকি, বৃটিছ প্ৰভুৰ কৰুণাৰ আশাত কংগ্ৰেছৰ বিৰুদ্ধে গৈ জাতীয়তা বিৰুদ্ধ কাম কৰিবলৈও কুণ্ঠিত নহৈছিল। হাজাৰ বিজাৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে মহাত্মা গান্ধীৰ আহ্বানত জাতীয় পতাকা হাতত লৈ দেশৰ মুক্তিৰ বাবে যুজ দিওতে এনে লোকসকল উচপ খাই উঠিছিল হয়তো ভয় আৰু ঘৃণাত আঁতৰি আছিল। আজি তেনেলোকৰ মুখত কংগ্ৰেছৰ জয়গান। ইয়াত বিচিত্ৰতা একো নাই। ই জাতীয়তাৰ সৱলভাৱ কথাই সূচাই। দুখ লাগে, এই কাৰনেই যে, যি সময়ত কংগ্ৰেছৰ ওপৰত কঠোৰ দমননীতি চলিছিল, বৃটিছৰ গোলামহতে শত শত দেশপ্ৰেমিকক জেল, গুলি, ফাচি দি নিৰ্য্যাতন কৰিছিল, তেনে সময়ত এনে নিৰ্য্যাতনলৈও ভয় নকৰি যি সকলে জাতীয় আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল, নেতৃত্ব দিছিল, তেনেলোকৰ প্ৰতি কিয় আজি যথোচিত সন্মান প্ৰদৰ্শন কৰা হোৱা নাই। এনে লোকৰ ত্যাগৰ বলতহে ভাৰতৰ শক্তিশালী জাতীয় আন্দোলনে গঢ় লৈছিল—বৃটিছৰ দৰে এটা প্ৰবল প্ৰতাপী শাসকক খেদাবলৈ সমৰ্থ হৈছিল। বৃহত্তৰ স্তম্ভ এটা গাথোঁতে এডোখৰ ইটা নগণ্য হলেও তাৰো দায়িত্ব বা কৰ্ত্তব্য আছে। কনকলতা তিলকডেকা, ভোগেশ্বৰী, কুশল কোঁৱৰ, কমলা মিৰি আদি ভাৰতৰ বৃহৎ জাতীয়

আন্দোলনৰ একোটি ক্ষুদ্ৰ ইটা স্বৰূপ হলেও, তেওলোকৰ আত্মবলিদানৰ বিনিময়ত হে ভাৰতৰ আজি ৰূপ বদলি হব পাৰিছে। কৰ্মপ্ৰাণ ৰোহিণীকান্ত ভাৰতৰ জাতীয় আন্দোলনৰ গাঠনিত এডোখৰ কনকনীয়া ইটা। অসমত এই জাতীয় আন্দোলনৰ জোৰনিতেই দেশভক্ত তৰুণৰাম ফুকণ, কৰ্মবীৰ নবীন বৰদলৈ, কুলধৰ চলিহা আদি নেতৃবৃন্দই নেতৃত্ব দিছিল। ৰোহিণীকান্তও আছিল অন্যতম নিস্বাৰ্থ দেশকৰ্মী ; উজনিত ৺চলিহাৰ সোঁহাত স্বৰূপেহে জাতীয় আন্দোলনত লিপ্ত হৈ দেশমাতৃকাৰ সেৱাত আত্মনিয়োগ কৰিছিল।

ভাৰতৰ জাতীয় মহাসভাৰ দৰে এটা বৃহত্তৰ অনুষ্ঠানক বৃটিছ চৰকাৰৰ কুদৃষ্টিত থকা সময়ত অসমলৈ নিমন্ত্ৰন কৰি আনি সাফল্যমণ্ডিত কৰিতোলাত হাতী বৰুৱাই যিদৰে যত্ন কৰিছিল—সি চিৰদিন অসমৰ জাতীয় বুৰঞ্জীত জিলিকি ৰব। সেই সন্মিলন কৃতকাৰ্য্য কৰি তোলাত তৰুণফুকনৰ নেতৃত্ব, নবীন বৰদলৈৰ পৰিচালনা শক্তি, আৰু ৰোহিণী কান্তৰ কৰ্মপটুতা আছিল সকলোৰে আকৰ্ষণীয়।

আজি যুগৰ পৰিবৰ্ত্তনত হয়তো কৰ্মী ওলাইছে। কিন্তু যি সময়ত অৰ্থ সম্পত্তিৰ বাবে আৰু বৃটিচৰ কৰুণা লাভৰ বাবে মানুহ লালায়িত হৈ পৰিছিল, কম বিদ্যাৰেই বৃটিছৰ কৰুণাত বৰলোক হব পাৰিছিল, তেনে সময়ত বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাপ্ৰাপ্ত ৰোহিণীকান্তৰ দৰে কৰ্মীৰ অভাৱ আজিও যথেষ্ট আছে। ৰোহিণী কান্ত বিপ্লৱী নাছিল যদিও প্ৰগতি বাদী দৃষ্টি ভঙ্গী তেওঁৰ আছিল। তেও খাটি জাতীয়তা বাদী। চলিত সমাজৰ বিৰুদ্ধে বিখ্যাত হাতীবৰুৱা পৰিয়ালৰ পৰা ওলাই আহি জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰাৰ মাজেদি তেওঁৰ জীৱনত প্ৰগতি বাদী দৃষ্টি ভঙ্গীৰ আভাস পোৱা যায়।

ব্যক্তি কেন্দ্ৰিক চিন্তা ধাৰাই গণতন্ত্ৰ গঠনৰ আহিলা যোগোৱাত যি এটা খেলি মেলিৰ সৃষ্টি হৈছে, তেনে সময়ত এনে নিস্বাৰ্থ দেশ কৰ্মী সকলৰ জীৱনী প্ৰকাশৰ যথেষ্ট আৱশ্যকতা আছে। সেয়েহে এই জীৱণীখনি লিখিবলৈ হাতত ললোঁ। গোলাঘাটৰ বহুতো দেশ কৰ্মীৰ আত্মদানৰ কথা মই জানো। গোলাঘাটৰ প্ৰবীণ নেতা শ্ৰীশঙ্কৰচন্দ্ৰ বৰুৱাদেৱক এই লোকসকলৰ কন কন মুহূৰ্ত্ত ৰোৱৰ কথা লিখি এখনি কিতাপ প্ৰকাশৰ কথা কোৱাত তেখেতে মোক সকলো প্ৰকাৰে সহায় কৰাৰ আশ্বাস দিছিল। কিন্তু সময় আৰু সুযোগ নঘটাত সেই চিন্তা মনতেই আছে। আনকি হাতত লৈও আজি

১৪।১৫ বছৰৰ পাচতহে এই ৰোহিণী কান্তৰ জীৱনী খনকেই প্ৰকাশ কৰিবলৈ সক্ষম হলোঁ।

বহুদিনৰ আগৰ কথা। যোৰহাটৰ পৰা প্ৰকাশিত "জন্মভূমিত"; ৺হাতীবৰুৱাৰ পত্নী শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱাই কিছু দুখ প্ৰকাশ কৰি এখন চিঠি লিখে। চিঠি খনি পঢ়ি মোৰ অন্তৰত কিবা এটা আঘাত লাগে। যোৰহাটৰ কৰঙাত কংগ্ৰেছ কমিটিয়ে ১৯৪৮ চনৰ ৮ অক্টোবৰত; ৺হাতীবৰুৱাৰ এখনি স্মৃতি সভাৰ যো-জা কৰিলে। ঠিক সেই সময়তেই মই এখনি চিঠি দি শ্ৰীযুতা হাতীবৰুৱাৰ লগত পৰিচয় হওঁ। গোলাঘাটৰ কংগ্ৰেছ এম্, এল, এ, আৰু বৰ্ত্তমান বিধান সভাৰ উপাধ্যক্ষ শ্ৰীদণ্ডেশ্বৰ হাজৰিকাদেৱে ৺হাতীবৰুৱাৰ ভায়েক শ্ৰীলক্ষ্মীকান্ত হাতীবৰুৱাৰ লগত মোক চিঠিৰে পৰিচয় কৰাই দিয়ে। তেখেত সকলৰ আশ্বাস, বুদ্ধি-পৰামৰ্শ আৰু সকলো প্ৰকাৰৰ সহায় সহানুভূতিতেই কিতাপ খনি লিখিবলৈ বল পাওঁ।

হাতীবৰুৱাৰ জীৱনী লিখা সম্বন্ধে নীৰৱ দেশকৰ্মী পদ্মভূষণ শ্ৰীঅমিয় কুমাৰ দাস, ৰাজ্য পাল শ্ৰীবিষ্ণুৰাম মেধি আৰু অসমৰ ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী ৺গোপীনাথ বৰদলৈ আদি নেতৃবৃন্দক জনোৱাত তেখেতে সকলে মোক উৎসাহিত কৰে।

১৯৪৯ চনতেই এই কিতাপ খনি লিখি শেষ কৰো। ৺হাতীবৰুৱাৰ ভায়েক শ্ৰীলক্ষ্মী কান্ত হাতীবৰুৱাই হাতে লিখা কিতাপ খনি প্ৰকাশ কৰিবৰ উদ্দেশ্যে মোৰপৰা লৈ যায়। বহুত দিনৰ পিচত খবৰ পোৱা গলযে, যোৰহাটৰ কোনোবা এজন নেতৃস্থানীয় লোকে কিতাপ খনি চাবলৈ নি হেৰুৱালে। আমাৰ চেষ্টা আৰু শ্ৰীযুত হাতীবৰুৱাৰ আশা বিফল হোৱাত বেয়া লাগিল। পুনৰ কিতাপ খনি প্ৰকাশ কৰা অভিপ্ৰায় জনাই শ্ৰীলক্ষ্মীকান্ত হাতী বৰুৱাদেৱে মোক বাৰে বাৰে জনোৱাত সিচৰতি হৈ অত তত পৰি থকা কাগজ বোৰ গোটাই এই কিতাপ খনি লিখো, আগৰ খনৰ কিছু কথা হয়তো বাদ পৰিব পাৰে।

অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে ৰোহিণীকান্ত হাতীবৰুৱাৰ স্মৃতিসভা পতাৰ আয়োজন কৰিছিল। ১৯৪৯ চনৰ ৮ অক্টোবৰৰ দিনা সেই উপলক্ষে "ৰোহিণী স্মৃতি" নাম দি এখনি পুস্তকা প্ৰকাশ কৰা হৈছিল। এইখনি তাৰেই বৰ্দ্ধিত সংস্কৰণ।

১৯৪৯ চনৰ পৰাই নানা প্ৰতিবন্ধকতাৰ মাজত কিতাপখনি প্ৰকাশ কৰিব নোৱাৰি, আজি কোনোমতে ৰাইজৰ আগত ডাঙি ধৰিব পৰাত সঁচাকৈয়ে সুখী হৈছো।

কিতাপ খনি মই লিখিলেও ইয়াৰ সা সম্বল গোটাই দিয়াত সকলো প্ৰকাৰে সহাৰ কৰে শ্ৰীলক্ষ্মীকান্ত হাতীবৰুৱাদেৱে। মুঠতে তেখেতে এইবোৰ গোটাই নিদিয়াহলে কিতাপ খনিৰ সকলো বোৰ কথা সংগ্ৰহ কৰা মোৰ পক্ষে সম্ভৱ নহলহেঁতেন।

বুদ্ধি পৰামৰ্শ আৰু সহায় সহানুভূতি দেখুওৱা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালো।

সাৰ্থকতাৰ বিচাৰৰ ভাৰ পঢ়ুৱৈ সমাজৰ ওপৰত।

৮ অক্টোবৰ
১৯৬৪ চন

শ্ৰীচিদানন্দ শইকীয়া।

—আৰম্ভনী—

"হেৰা মৃত্যুঞ্জয়ী অমৰৰ দল,
নতুন দিনৰ
নব ইতিহাস ৰচোঁতা সকল
তোমালোক কোনোতো নমৰা
আজিলৈকে কোনো মৰা নাই
মৰণক অতিক্ৰমি যুগে যুগে তোমালোকে
জীৱনৰ মহাৰন্তি ধৰিছা জ্বলাই।" —কেশৱ মহন্ত

আজি আমাৰ দেশ নিজদেশৰ লোকৰ দ্বাৰা শাসিত। দেশত জাতীয় চৰকাৰ প্ৰতিষ্ঠিত হৈছে। ষাঠি বছৰীয়া জাতীয় সংগ্ৰামৰ মাজেদি ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে দাসত্ব শিকলি চিঙি পেলালে। এতিয়া জাতীয় ভাৱধাৰাৰ বিকাশ হবলৈ আৰম্ভ হৈছে।

বৃটিছৰ হাতলৈ ভাৰতবৰ্ষ যোৱাৰ আগতে ইয়াত বহুতো স্বাধীন ৰাজ্য আছিল। এনে প্ৰতাপশালী ৰাজ্যবোৰো নিজৰ কোহকালৰ ফলতেই এখন এখনকৈ বৃটিছৰ তললৈ গৈ সমগ্ৰ ভাৰতবৰ্ষই এদিন দাসত্ব শিকলিত বান্ধ খালে। প্ৰতাপশালী ৰাজ্য-বোৰৰ ভিতৰত অসমো এখন আছিল—তেনে ৰাজ্য। বৃটিছৰ কবললৈ যোৱা ভাৰতীয় ৰাজ্যবোৰৰ ভিতৰত অসমেই আছিল শেহতীয়া। অসম একালত সঁচাকৈয়ে অসম আছিল। ইয়াতেই আছিল তাহানিৰ নৱগ্ৰহ, বশিষ্টাশ্ৰম, কামাখ্যা, কুণ্ডিল্য, শোণিতপুৰ আদি তীৰ্থ-পীঠ আৰু ধুৰঙ্গী বিখ্যাত নগৰবোৰ। তাহানিৰ অসম আৰু আজিৰ অসমৰ মানচিত্ৰ আৰু শৌৰ্য্যবীৰ্য্যত প্ৰাৰ্থক্য হলেও আজিও অসম নামৰ সাৰ্থকতাৰ লুপ্ত হোৱা নাই।

কছাৰী, চুতীয়া, কোঁচ আদি কেবাটাও বংশৰ ৰজাই অসমত ৰাজত্ব কৰাৰ পাচত আহোম সকল আহি প্ৰতাপশালী হৈ উঠে। তেওঁলোকে ছশ বছৰ অসমৰ বুকুত সগৌৰৱেৰে ৰাজত্ব কৰে। পিচে আহোম ৰাজত্বৰ শেষ অৱস্থাত ৰজা "বিবাদত দেশ

জুকলা হোৱাত শত্ৰুৱে লাই পাই ৰৰ ঘৰত সিন্ধি দি ভিতৰ সোমাল। গৃহবিবাদেই দেশক পৰ পদানত কৰাৰ বহুতো উদাহৰণ আছে। অসমৰো সেয়ে হল। মোৱামৰীয়া বিদ্ৰোহত আৰম্ভ হোৱা গৃহ কন্দল মানৰ আক্ৰমণৰ সময়ত বৃহত্তৰ ৰূপ ধাৰণ কৰে। শেষত মানৰ লগত সন্ধি কৰি চতুৰ বিদেশী বৃটিছ শাসকদলে ১৮২৬ চনত অসমক নিজৰ কৰি ললে। এই দিন অসম বুৰঞ্জীত এটি দুৰ্য্যোগৰ দিন। লোকৰ দেশ, লোকে মালিক হৈ দিলে লোকক। বিনা যুদ্ধই, ১৭ বাৰকৈ মোগলৰ দৰে এটা পৰাক্ৰমী জাতিক পৰাজয় কৰা বীৰ অসমক সাত সাগৰ, তেৰ নদীৰ সিপাৰৰ পৰা অহা এটা বিদেশী জাতিয়ে হস্তগত কৰিলে। অসমৰ স্বাধীনতা ৰবি অস্ত গল।

বহুতো জাতি উপজাতিৰ আবাসভূমি অসম। বণত পৰি কলীয়া হলেও বিভিন্ন জাতিৰ সংমিশ্ৰনত ইয়াৰ যি কৃষ্টি সভ্যতা পৰ্ব্বতে কন্দৰে বিৰাজি আছে কি সহজে লুপ্ত হোৱা বস্তু নহয়। পৰাধীনতাৰ কালত কিছু ম্লান পৰিলেও সি পুনৰ এতিয়া নৱৰূপে জিলিকিউঠিছে। আজিও সদিয়াৰ পৰা ধুবুৰীলৈ অসমৰ প্ৰাচীন কীৰ্ত্তি ঘোষিত হৈ আছে—সেইবোৰে আজিও বিভিয়াই কবলাগিছে অসমৰ অতীত গৌৰৱৰ কথা। তেনে ঐতিহ্য পূৰ্ণ অসমৰ লোক কোনো দিনে কোনো ক্ষেত্ৰতে পাচ পৰা নহয়। সেইদেখি জাতীয় সংগ্ৰামতো অলেখ ডেকাগাভৰু, ছাত্ৰ-ছাত্ৰী, বুঢ়া বুঢ়ী সকলোৱেই জপিয়াই পৰিছিল, অয়াম বদনে বৃটিছ চৰকাৰৰ কঠোৰ নিৰ্য্যাতন ভোগ কৰিছিল—আত্মাহুতি দিছিল।

১৮২৬ চনৰ পৰা অসমে প্ৰায় ডেৰ কুৰি বছৰ মানহে পৰাধীনতাৰ নাগপাশত আবদ্ধ হৈছে—তেতিয়াই অসমৰ সিংহ পুৰুষ মনিৰাম দেৱান, পিয়লি ফুকন আদিয়ে স্বাধীনতাৰ লোৱাদ লৰলৈ গৰ্জি উঠিল—আত্ম বলিদান দিলে দেশৰ বাবে। জড়াগ্ৰস্ত হোৱা অসমক পুনৰ সংগ্ৰামৰ আহ্বান দি গল—তেওঁলোকেই অসমৰ স্বাধীনতা যুজৰ অগ্ৰণী বীৰ হৈ। তেতিয়াৰ পৰাই অসমৰ বুকুত স্বাধীনতা আন্দোলনে উমি উমি জ্বলিবলৈ ধৰিলে।

সৌ সিদিনা মাত্ৰ গাঁৱলীয়া ছোৱালী কনকলতা, গাঁৱৰ বীৰ ডেকা তিলক ডেকা, মুকুন্দ কাকতী আৰু নিৰ্ভীক বীৰ কুশল কোঁৱৰে অকাতৰে জাতীয় যুজত জীৱন দান দি গৈছে।

এনে বহু বাবৰ জীৱন দানৰ বিনিময়ত ভাৰতে পালে ১৫ আগষ্টত স্বাধীনতা।—

গতিকে আজিৰ এই স্বৰাজৰ বিনিময়ত আছে এনে বহু বাৰ শ্বহীদ সকলৰ প্ৰাণদান। এনে জাতীয় মুক্তিৰ বীৰ সকল সকলোৰে নমস্য—সমাজৰ শিৰোমণি, আদৰ্শ-স্থানীয় আৰু আশাৰ থল।

আহোম-শাসনৰ দিনত যোৰহাট।

গৌৰৱময় আহোম ৰাজত্বৰ আমোলত অসমৰ বিভিন্ন ঠাইত বহুতো মঠ, মন্দিৰ, দেৱালয় পুখুৰী আদি নিৰ্মান হৈছিল। আৰু নিৰ্মান হোৱা বহুতো নগৰৰ ঐতিহ্য আজিও ম্লান হোৱা নাই। আহোমৰ ৰাজধানী ৰংপুৰ। এই ৰংপুৰ নগৰৰ ভগ্নাৱশেষে আজিও অতীত গৌৰৱৰ কথা সোঁৱৰাই আছে। অসমীয়াই এইবোৰৰ বাবে আজিও নিজকে ধন্য মানিছে। কবিয়েও ৰংপুৰৰ বিষয়ে গাইছে—"ৰংপুৰ ৰঙৰ নিজৰা, আহেতাত ৰঙৰ সফুৰা।"

সমাজ বান্ধনতো আহোমৰ দান কম নহয়। বজা ঘৰীয়া বিষয় বাবদি দেশৰ শাসনৰ শৃংখলা লগোৱা আৰু সমাজক বিভিন্ন খেলত ভাগ কৰি বসবাসৰ ব্যৱস্থা কৰি দিয়া আদি কাৰ্য্যই আহোম ৰাজত্বৰ সুশৃংখলাৰ কথা আজিও প্ৰমাণ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে হিন্দু মুছলমান সকলো, জাতিধৰ্ম বৰ্ণ নিৰ্ব্বিশেষে আহোম ৰাজত্বৰ বিষয় বাব আজিও লব লাগিছে। বৰা, শইকীয়া, বৰুৱা, ফুকন, বৰবৰুৱা, হাজৰীকা, আদি নানা উপাধি আজিও অসমীয়াৰ আদৰৰ। আহোমৰ ৰাজত্বত বিষয়াসকলৰ নামানুসৰি হোৱা বহুতো ঠাই অসমৰ চুকে কোণে সিচৰতি হৈ আছে—বুঢ়া গোঁহাইখাট, বৰফুকনৰ খাট ইত্যাদি।

এনে ধৰনৰ খেল আৰু পদবী সৃষ্টিয়ে যেনেকৈ আহোম ৰাজত্বৰ শৃংখলাৰ পৰিচয় দিয়ে তেনেকৈয়ে ৰাজনৈতিক চাতুৰ্য্যৰো পৰিচয় দিয়ে।

যোৰহাট আছিল আহোম ৰাজত্বৰ শেহতীয়া ৰাজধানী। যোৰহাটত ৰাজধানী থকা সময়তেই আহোম শাসনৰ গৌৰৱ ৰবি অস্ত যায়—অসম পৰাধীন হয়। সেই হিচাবে যোৰহাট বৰ দুৰ্ভগীয়া ঠাই। আনহাতেদি বৃটিছৰ বিৰুদ্ধে, স্বাধীনতা যুদ্ধৰ পাতনিতেই সিংহ পুৰুষ মনিৰাম, পিয়ালিয়ে এই যোৰহাটতেই কাঁচা কাঠত ওলমি যোৰহাটৰ গৌৰৱ

উজ্জ্বল কৰি তুলিলে। বৃটিছ সাম্ৰাজ্যবাদৰ নগ্নৰূপ প্ৰকাশ কৰিলে অসমত ৰোবহাটেই আৰু স্বাধীনতা প্ৰিয় অসমীয়াৰ নাম জগতত প্ৰচাৰিত হল। এই ঐতিহ্য বহন কাৰী যোৰহাট নগৰ আজিও উজনি অসমৰ সকলো বিষয়ৰে কেন্দ্ৰস্থল হিচাবে গঢ়ি উঠিছে।

যোৰহাটৰ আশে পাশে বুৰঞ্জী প্ৰসিদ্ধ ঠাই ভালেখিনি আছে। এই ঠাই বোৰত বহুতো দেশপ্ৰেমিক লোকে জন্মগ্ৰহণ কৰিছে। গোটেই অসমত জন্ম গ্ৰহণ কৰা স্বাধীনতা যুদ্ধৰ সৈনিক সকলৰ ভিতৰত যোৰহাটৰ ভালে কেইজন অগ্ৰণী লোক আছে। নেতাৰ কথা বাদ দিলেও যোৰহাট অঞ্চলত বহুতো নিৰ্য্যাতিত কৰ্মী আজিও আছে, বহু কষ্ট স্বীকাৰ কৰি, নিস্বাৰ্থভাৱে দেশৰ মঙ্গলৰ কথাকেই চিন্তা কৰি খিতাপ আদি বাঞ্ছা কৰা নাই, তেনে কৰ্মী যোৰহাট অঞ্চলত বহুতো আছিল। মৃত্যু হোৱা সকলৰ ভিতৰত ৺শশীধৰ মলিয়া বৰুৱা, ৺পদ্মেশ্বৰ গোস্বামী, সৰ্বেশ্বৰ কটকী আদি সকলোৰে নমস্য। সৰ্ব্বেশ্বৰ বৰচেতীয়াৰ অলপতে মৃত্যু হৈছে। শ্ৰীখিবেশ্বৰ বৰদলৈ আজিও জীৱিত।

যোৰহাট নগৰৰ পৰা ৭ মাইল দূৰত দক্ষিণ ফালে কাটনী মৌজাত গড় আলিৰ দাতিতে কৰঙ্গা নামে এখন ঠাই আছে। তাতেই হাতী চুঙি কমাৰ গাৱঁত হাতী বৰুৱা নামৰ এটা খেল আছে। এই হাতীবৰুৱা খেলৰ লোক সকল আহোম ৰজাৰ দিনৰ পৰাই প্ৰাচীন খেলৰ লোক। হাতী বৰুৱা হাতীৰ মালিক। স্বাধীন অসমত আহোমৰ ৰাজত্বত হাতী ৰজাৰ বৰ আদৰৰ বস্তু আছিল। এই হাতীৰ বিষয়ে নানা ধৰনৰ কথা বুৰঞ্জীৰ পাতত পোৱা যায়। সভাশোভাযাত্ৰাত বা তেনে ধৰনৰ কোনো ৰাজহুৱা অনুষ্ঠানত নানা ধৰণে সজ্জিত হাতীয়ে আগশাৰীত ঠাই পায়। হাতীবৰুৱাৰ স্থানো আছিল আহোম ৰাজ সভাৰ সম্মান জনক ঠাইত। হাতীবৰুৱাৰ প্ৰধান কাম আছিল ৰজাৰ হাতীৰ তদাৰক লোৱা, যুদ্ধবিগ্ৰহ লগা সময়ত বা ৰজা কুৰা চকা কৰাৰ সময়ত হাতীৰ যোগাৰ ধৰা, আৰু হাতী ধৰামেলাৰ দিহা কৰা। কেনেকুৱা হাতী চিকাৰত ভাল, কেনেকুৱা হাতী যুজলৈ ভাল আৰু কেনেকুৱা হাতী বিশেষ লক্ষনীয়া আদি হাতী বৰুৱাই বাছি দিব লাগিছিল। হাতীৰ বেমাৰ হলে কোন বেমাৰত কি ঔষধ দিব লাগে, তাকো 'হাতীপুথি' চাই হাতী বৰুৱাই দিহা দিব লাগে। এয়ে আছিল ৰজাৰ আমোলত প্ৰধানত: হাতীবৰুৱাৰ কাম।

এই হাতীবৰুৱাৰ নামানুসৰিয়েই কৰঙাত হাতীবৰুৱাৰ টোল নামে এটি চুবুৰি হয়।

হাতীবৰুৱাৰ অধীনত যোৰহাটৰ হাতী গড়টোও আছিল। আৰু তাত কিদৰে হাতী ধৰি-মেলি দেশৰ গৌৰৱ ৰক্ষা কৰিছিল তাৰ কিছু পৰিচয় ইয়াৰ লগতে দিয়া হল।

নগা পাহাৰৰ দাঁতিৰ পৰা যোৰহাটৰ হাতী গড় মৌজাইদি ব্ৰহ্মপুত্ৰৰ বুকুত লীন হোৱা থকনৰ গুৰি চাপৰিলৈকে এই হাতী গড় আছিল। আজিও তাৰ ভগ্নাৱশেষ আছে। ইয়াত দিয়া বিৱৰণ কোনো বুৰঞ্জীত পোৱা নহয়। মানুহৰ মুখে মুখে চলি অহা কথাৰ পৰা সংগৃহীত।

গড়ৰ দীঘলে প্ৰায় ২৫ মাইল মান হব। ওপৰে ৫০ ফুট বহল, তলিত ৯ ফুট বহল। এনেদৰে হেলনীয়াকৈ খন্দা আৰু বন্ধা দুই দাঁতিয়ে ১০ ফুট কৈ ৰাস্তা ৰাখি ভিতৰৰ ৩০ ফুটত খন্দা আৰু বন্ধা যাতে সহজে লগ হৈ আৰু বনৰীয়া হাতী খেদি আনোতে সহজে উঠি পলাই যাব নোৱাৰে। থিয়ৈ থিয়ৈ ওখ ১০ ফুট আছিল। সাধাৰণ মাটিৰ সম ধৰাতললৈ বেচি দকৈ খন্দা নহয়; ওখ চাপৰি ঠাইবোৰত অলপ দকৈ খন্দা; দ ঠাই বোৰত দুই কাষে ১০ ফুট ওখকৈ মাটি দি বন্ধা। তলৰ এ ফুট বহলৰ ওপৰত গোটেই ২৫ মাইল জোৰাদি ফুটিয়া বহলৰ তক্তা পৰা হৈছিল। হাতীৰ খোজত বোকাহে গড়টোৰ পাৰ থহে বুলিয়েই বোধকৰো এনেদৰে তক্তা পাৰিছিল। বাৰিষা তক্তাবোৰ তুলি পেলোৱা হৈছিল। সেই দীঘলীয়া গড়টোৰ ভিতৰত হাতী সোমালে এটাকেহে শাৰী পাতি যাব পাৰে। কেতিয়াও ঘূৰিব নোৱাৰে। পাহাৰৰ দাঁতিত গড়টোৰ মুখ খন এনেকৈ সজাই থোৱা আছিল যে, আধা মাইল মানলৈ পাৰি দিয়া তক্তা গছৰ পাত কি ঢাকি থয়। গড়টোৰ দুইপাৰে স্বভাৱতে হোৱাৰ দৰে গছ পুলি কই দিয়া আছিল। পাহাৰৰ ফালৰ পৰা হাতীবোৰ খেদি আনোতে গড়টোৰ ভিতৰত বনৰীয়া হাতীবোৰ এনেকৈ এটি এটিকে শাৰী পাতি সোমাইহি যেন দুটা পাহাৰৰ মাজৰ দন্দিয়েদি এঠাইলৈ পাৰ হৈছে। কেতিয়াবা পালটোৰ কিছু হাতী সোমাই আৰু কিছু পলাই যায়। আৰু ভিতৰত সোমোৱা খনি এটা শিক্ষিত ঘৰচীয়া হাতীয়ে গুৰি ধৰি সেই গড়টোৰ মাজেদি আৰু দুয়ো কাষে গড়টোৰ বাহিৰেও মানুহ আৰু ঘৰচীয়া হাতীয়ে খেদি নি সেই বনৰীয়া হাতীবোৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ থকনৰ গুৰি চাপাৰিৰ পিতনিত পেলাই থবেগৈ। ঘৰচীয়া হাতীৰ সহায়েৰে ধৰি নি চাপৰিত তুলি তাতে হাতী বৰুৱাই ফান্দি আৰু মাউতৰ সহায়েৰে ভাললৈ শিক্ষা দিয়ে। বেয়া লক্ষণৰ হাতীবোৰ হাতীবৰুৱাৰ হুকুমত নেমাৰি পাহাৰৰ ফাললৈ যাবলৈ এৰি

দিছিল। যোৰহাট নগৰৰ মাজতে ওখকৈ গড়ৰ নিচিনাকৈ চাৰি চাপ মাৰি শিকোৱা হাতীবিলাক ৰাখিছিল। সময়ত ৰজাই গড়ৰ ওপৰত উঠি হাতাবোৰ চাইছিল। তাৰ পাচত হাতাবোৰ শিক্ষিত হলে ৰজাৰ হুকুমত বিভিন্ন ঠাইলৈ কামত পঠাই দিয়া হয়। গড় মাৰি হাতী ৰখা ঠাইডোখৰ বৰ্ত্তমান যোৰহাট কাছাৰী থকা ঠাইতেই বুলি কোৱা হয়। সেই ঠাই ডোখৰ ১৯০৩ চনত খনাই সমান কৰোৱা হয়।

এই গড়টো নগাপাহাৰৰ দাতিৰ সোনোৱাল টিকোম্পানী আৰু স্কটিছ টি কোম্পানীৰ হাতীপটি আৰু হাতীজুৰি বাগান থকা ঠাইৰ পৰা আৰম্ভ কৰি উত্তৰ মুৰাহৈ যোৰহাট টীকোম্পানীৰ কাটনি বাৰী, চৈ কটা, ঢেকিয়াজুলি, মুৰমুৰীয়া আৰু হাতীচুঙি এইবোৰ বাগানৰ মাজেদিগৈ যোৰহাটৰ চাৰি গাঁও মৌজাইদি ছেউনি আলি পাৰহৈ (এই ঠাইক হাতীগড় বোলে। ইয়াত ৰজাদিনীয়া পুখুৰী আৰু তাৰ পাৰত শিৱমুৰ্ত্তি আছে)। ব্ৰহ্মপুত্ৰৰ পাৰৰ থকনৰ গুৰি চাপৰিত শেষ হৈছে গৈ। এই চাপৰি আৰু পিতনি বৰ্ত্তমান ব্ৰহ্মপুত্ৰৰ বুকুত; ওপৰত উল্লেখ কৰা গড়টোৰ বিভিন্ন ঠাইত আজিও গড়ৰ চিনচাব আছে। আহোম ৰজাৰ দিনত এই গড়ৰ যথেষ্ট মূল্য আছিল। ইয়াৰ প্ৰধান তত্বাবধায়ক আছিল হাতীবৰুৱা আৰু হাতীবৰুৱাৰ জৰিয়তে ৰজাই ইয়াক প্ৰতিপালন কৰাত যথেষ্ট টকা ব্যয় কৰিছিল। এই গড়ৰ দাঁতিয়ে দাঁতিয়ে হাতী চুঙি খেলৰ, মাউতৰ খেলৰ, কাড়ী খেলৰ মানুহৰ বসতি আছিল। আজিকালি এই গাৰৰ বহুতো মানুহ উঠি গৈ অন্য ঠাইত বসতি কৰিছেগৈ।

পৰিয়াল পৰিচয় আৰু জন্ম।

কৰ্ত্তাৰ এই বিখ্যাত হাতাবৰুৱাৰ খেলৰেই গোলাপ চন্দ্ৰ হাতীবৰুৱা। এখেতৰ আৰ্থিক অৱস্থা সিমান স্বচ্ছল নাছিল যদিও খ্যাতি সম্পন্ন হাতীবৰুৱাখেলৰ লোক। মনৰ স্বচ্ছলভাবো ভেখেতৰ কিছু অভাৱ আছিল।

ভেখেতৰ পত্নী তিনি গৰাকী। ৩য় গৰাকী পদ্মেশ্বৰী গাভৰুৰ গৰ্ভতেই ৺হাতীবৰুৱাৰ জন্ম হয়। গোলাপচন্দ্ৰ হাতীবৰুৱাৰ ১ম গৰাকী ভাৰ্য্যাৰ দুজন পুত্ৰ জন্ম হয়। প্ৰথম জন ৺লোকনাথ হাতীবৰুৱা, দ্বিতীয় জন শ্ৰীকমলেশ্বৰ হাতীবৰুৱা। ২য় গৰাকী

ভাৰ্য্যাৰ পুতেক এজন মাত্ৰ আৰু তেওঁ স্কুলৰ শিক্ষক আছিল। তেওঁৰ নাম নলধৰ হাতীবৰুৱা। তৃতীয় গৰাকীৰ গৰ্ভত তিনিজন পুত্ৰ সন্তান জন্ম হয়। প্ৰথম জন শ্ৰীঘনকান্ত হাতীবৰুৱা। এখেতে বোকাজানত কুঁহিয়াৰ কাম কৰি স্বাধীন কাৰবাৰ কৰিছে। আগতে এখেত দুজন ইউৰোপীয় চাহ বাগিছাত আৰু পিচত দুখন ভাৰতীয় চাহ বাগিছাত মেনেজাৰ আছিল। ২য় জনেই হল আমাৰ এই কিতাপৰ নায়ক কৰ্মপ্ৰাণ ৰোহিণী কান্ত হাতীবৰুৱা। এখেতৰ জন্ম হয় ১৮১৭ শকৰ (ইং ১৮৯৫ চনৰ) মাঘ মাহৰ ১৭ তাৰিখে। ৩য় জন পুতেক শ্ৰীলক্ষ্মীকান্ত হাতীবৰুৱা। এখেত গোলাপচন্দ্ৰ হাতীবৰুৱাৰ পুত্ৰ হিচাবে ষষ্ঠ। এখেত Indian Tea Association ৰ Borbheta Experimental Station ত মেনেজাৰ কাম কৰি এভিয়াপেশ্বন লৈ নিজা ঘৰ কৰঙ্গাত আছে। সংসাৰত ৬টি পুত্ৰ থৈ বিশেষকৈ ৰোহিণী কান্তৰ দৰে অসম আইৰ এটি সোণালী ৰত্ন ধৰাত থৈ গোলাপচন্দ্ৰ হাতীবৰুৱাই ৯৮ বছৰ বয়সত স্বৰ্গ ধামলৈ গতি কৰে।

শিক্ষা আৰু বাল্যকাল।

গাওঁৰ লৰা ৰোহিণী কান্ত। আমাৰ গাওঁৰ লৰাৰ প্ৰথমেই স্কুলত মন নবহাৰ দৰে ৰোহিণীৰো স্কুলত মন বহা নাছিল। তেখেতৰ মাক আছিল গুণী আৰু পুত্ৰৰ প্ৰতি সদয়। তেখেতেই প্ৰথমে ফুচুলাই স্কুলৰ প্ৰতি ভয় ভাঙে আৰু দেতিয়াৰ পৰাই স্কুললৈ যাবলৈ ধৰে। মৰাণগাও প্ৰাইমেৰী স্কুলতেই তেখেতৰ বিদ্যাৰম্ভ হয়। সোনকালেই তেখেতক চেনিমৰা মাইনৰ স্কুলত ভৰ্তি কৰা হয়। মনবহাৰ দিন ধৰি বি, এ পৰীক্ষালৈকে সকলোবোৰ পৰীক্ষাতেই তেখেতে সুখ্যাতিৰে পাছ কৰি যাব ধৰিলে। কোনো পৰীক্ষাতে তেখেত অকৃতকাৰ্য্য হোৱা নাছিল। ১৯১০ চনত চেনিমৰা মাইনৰ স্কুলৰ পৰা ১ম বিভাগত এম, ই পাছ কৰে আৰু ১৯১১ চনৰ জানুৱাৰী মাহত যোৰহাট চৰকাৰী হাইস্কুলত ৭ম মান শ্ৰেণীত নাম লগায়। কৰঙাৰ পৰা এই ৭ মাইল বাট তেখেতে খোজ কাঢ়িয়েই স্কুলত পঢ়িছিল। সকবে পৰাই তেখেত আছিল কষ্টসহিষ্ণু অধ্যৱসায়ী আৰু দেশপ্ৰেমিক।

আজীৱন কংগ্ৰেছ সেৱক শ্ৰীথিবেশ্বৰ বৰদলৈ হাতীবৰুৱাৰ বাল্য বন্ধু আৰু সহপাঠী আছিল। পাছত বিধিৰ কি বিপাক দেশসেৱাৰ কামতো দুয়ো একেলগেই কাম কৰিছিল। হাইস্কুলত পঢ়া অৱস্থাত আৰু এগৰাকী নিস্বাৰ্থ কংগ্ৰেছ কৰ্মী সৰ্ব্বেশ্বৰ বৰুছেতীয়া তেখেতৰ সহপাঠী হয়।

নিচেই সৰু কালৰ পৰাই হাতীবৰুৱাৰ অন্তৰত স্বদেশপ্ৰেমৰ ভাৱে ৰেখাপাত কৰে। স্কুলৰ তলশ্ৰেণীত পঢ়া অৱস্থাতেই তেখেতে দেশত তৈয়াৰী এৰিয়া কাপোৰহে পিন্ধিছিল। অকল বিদেশী বস্ত্ৰকেই নহয়, সকলো বিদেশী বস্তুকেই বৰ্জন কৰিছিল। আনকি, অসমীয়া ভাষাৰ বাহিৰে অন্য ভাষাকো তেওঁ ভাল চকুৰে চোৱা নাছিল। নোৱাৰাতহে ইংৰাজী পঢ়িছিল। চিনামৰা মাইনৰ স্কুলত পঢ়া অৱস্থাত "শিশু ৰঞ্জন" নামৰ এখন বঙালী পাটীগণিত স্কুলত চলিব বুলি কোৱাত স্বদেশ ভাষাৰ প্ৰেমী ৰোহিণী কান্তই এই বুলি আক্ষেপ কৰিছিল—"আজি অসম আইৰ সন্তান ইমান দুৰ্ব্বল নে যে সাধাৰণ গণিত এখনকো আন ভাষাতহে পঢ়িব লাগে। ইয়াৰ প্ৰতিবাদ কৰা লোকৰো বোধ হয় অভাৱ।"

তেখেতে বিলাসিতা সমূলি ভাল নাপাইছিল। আন্য ছাত্ৰই মনে মনে ধুমপান কৰাৰ দৰে তেখেতে এইবোৰ নৰ্কাৰি ভাব পৰা সমূলি বিৰত আছিল। কোনো ছাত্ৰই বিলাসিতাৰ প্ৰতি মন দিয়া দেখিলে বা অযথা ব্যয় কৰা দেখিলে বা ধুমপানত মজা দেখিলে, তেখেতে তেনে ছাত্ৰৰ সঙ্গ ত্যাগ কৰিছিল। সকলে পৰাই তেখেতে দেশৰ বা বাতৰি লৈছিল আৰু মনোযোগেৰে সেইবোৰৰ আলোচনা কৰিছিল। তেখেতে খেলা ধুলা ভাল নাপাইছিল। আৰু স্কুলতো তেনে কামত সহযোগ নকৰিছিল। তেখেত ইমান অমায়িক আৰু পঢ়াত চোকা আছিল যে, শিক্ষকসকলে বৰ। মৰমেৰে চাইছিল। স্কুলত তেখেত সদাই প্ৰথম হৈছিল বুলিব লাগে।

তেখেতে সেই সময়ৰ শিক্ষা ব্যৱস্থাটোকেই কিছু ঘিনাইছিল। কোনোৱে তেনে শিক্ষা কিয় তেখেতে লৈছে বুলি কলে তাৰ উত্তৰত কৈছিল, "চাকৰিৰ উদ্দেশ্যে এই শিক্ষা কৰা নাই। দেশবিদেশৰ লগত আদান প্ৰদানৰ উদ্দেশ্যেহে এই শিক্ষা কৰিছো।" সচাকৈয়ে তেখেতে সেই শিক্ষাক পিচৰ বয়সত জ্ঞান আহৰণ আৰু দেশ মাতৃকাৰ সেৱাত লগালে।

১৯১৪ চনত পৃথিৱী জোৰা মহাসমৰ লাগে। সেই মহাসমৰৰ ঢৌৱে অসমকো কোবায়। তেতিয়া ৰোহিণীকান্ত হাতীবৰুৱা যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলত পঢ়ে। ইতিমধ্যে জাতীয় ভাব ধাৰাৰ প্ৰসাৰন হয় আৰু সমগ্ৰ দেশত আৰম্ভিবে। তেখেতে তেতিয়াৰ পৰাই খুব মনোযোগেৰে দেশৰ ভাবধাৰা লক্ষ্য কৰি তাৰ লগত নিজকে খাপ খুৱাই চলিবলৈ যত্ন কৰে।

আজিকালি গাৱে ভূঁয়ে হাইস্কুল স্থাপন হৈছে। সেই সময়ত কেইখন মান চৰকাৰী হাই স্কুল আৰু বেজবৰুৱা পৰিয়ালৰ লোকৰ দৰে শিক্ষাপ্ৰেমী লোকে পতা স্কুলৰ বাদে অন্য স্কুল নাছিল। শিক্ষা লাভৰ বাবে প্ৰবল থাউতি থকাত তেখেতে ৭ মাইল বাট খোজ-কাঢ়ি অহাযোৱা কৰিয়েই যোৰহাটৰ চৰকাৰী হাইস্কুলত পঢ়িছিল। যুদ্ধৰ এই উথলমাথল অৱস্থাতেই হাতীবৰুৱাই ১৯১৫ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৫ টকীয়া বৃত্তি এটি লাভ কৰি প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতৰ ঘৰৰ অৱস্থা ভাল নাছিল যদিও ঘৰত হাই পাৰ, ছাগলী পুহি মাকে অৰ্জা টকাৰেই তেখেতে বৃত্তিটোকে আলম হিচাবে লৈ গুৱাহাটীৰ কটন কলেজত আই, এচ, চিৰ ১ম বাৰ্ষিকত নাম ভৰ্ত্তি কৰে। তেখেতৰ লগতে সেই স্কুলৰ পৰাই অন্য এজন তেখেতৰ সহপাঠী শ্ৰীগুণনাথ দত্তই বৃত্তি পায়। শ্ৰীদত্তই বি, ই পাচ কৰি এক্জিকিউটিভ ইঞ্জিনিয়াৰ হয় আৰু পিচত চৰকাৰৰ হাউছিংবিভাগৰ ডিৰেক্টৰ হৈ এতিয়া পেঞ্চনলৈ ছিলঙতে বসতি কৰি আছে। সেই সময়ত যোৰহাট চৰকাৰী হাইস্কুলৰ হেড্‌মাষ্টৰ আছিল ৺পণ্ডিত লক্ষ্মীনাথ শৰ্মা এম. এ। এখেত পাছত এচিষ্টেণ্ট ইন্‌সপেক্টৰ হৈছিল। সংস্কৃতত এখেতৰ পাণ্ডিত্যৰ কথা গোটেই অসমতে জনাজাত। ১৯৪৯ চনত এখেতৰ মৃত্যু হয়। এইজন গুণগ্ৰাহী হেড্‌মাষ্টৰৰ ৰোহিণী কান্ত বৰ প্ৰিয় আছিল।

এখেতে কটন কলেজত পঢ়া সময়ত এই কলেজেই সেই সময়ত অসমৰ এনে ধৰণৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল। অলপতে এই কলেজৰ সোনালী জয়ন্তী উৎসৱ হৈ গৈছে অসমৰ শিক্ষা জীৱনত কটন কলেজৰ অৱদান কম নহয়। অসমৰ বহুতো কৃতী সন্তান ইয়াৰ মাজেদিয়েই উচ্চ শিক্ষা লাভ কৰি অসমৰ গৌৰৱ কৰিব পাৰিছে।

১ম মহাসমৰৰ কালছোৱা ভাৰতীয় জাতীয় বুৰঞ্জীত মন কৰিবলগীয়া। কিয়নো, এই সময়ত লাহে লাহে জাতীয় ভাৱ ধাৰাই দেশত বিস্তৃতি লাভ কৰিছে। সেই সময়ৰ

ভাৰতৰ একছত্ৰী নেতা বাল গঙ্গাধৰ তিলক ১৯১৪ চনত জেলৰ পৰা ওলাই আহিছে। আৰু আন হাতে অন্য এজন নেতা গোপাল কৃষ্ণ গোখলেই ১৯১৫ চনৰ ১৯ ফেব্ৰুৱাৰীৰ দিনা ইহলীলা সম্বৰণ কৰে। আকৌ মিচেচ্ এনী বেছান্তে কংগ্ৰেছত যোগ দি "ভাৰতীয়ৰ এটা জাতি বুলি মানি লৈ সকলো দাবী স্বীকাৰ কৰিব লাগে" বুলি ঘোষণা কৰে।

১৯১৫ চনত বোম্বেত কংগ্ৰেছৰ অধিৱেশন বহে। ভাৰত চৰকাৰৰ ভূতপূৰ্ব্ব আইনৰ সদস্য সত্যেন্দ্ৰ প্ৰসন্ন সিংহই কংগ্ৰেছত সভাপতিত্ব কৰে। ইয়াত নেচনেলিষ্ট আৰু মডাৰেট সকলৰ মাজত হোৱা বিবাদ মিটাবৰ বাবে যত্ন কৰি এনী বেছান্তে অকৃতকাৰ্য্য হল। বোম্বে অধিৱেশনত Local self Government ৰ সংস্কাৰ কৰিবলৈ এখনি আচনি কৰিবৰ সিদ্ধান্ত লোৱা হয়। বোম্বেৰ এই অধিৱেশন বৰ গুৰুত্ব পূৰ্ণ। ইয়াতেই ১৮৮৫ চনৰ পৰা কংগ্ৰেছে লোৱা প্ৰস্তাৱ বোৰৰ একত্ৰিকৰণৰ চেষ্টা হয়।

সেই সময়ত মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ আন্দোলন পৰিচালনা কৰি প্ৰখ্যাত হৈ উঠিছে। কিন্তু তেখেত এই বোম্বে কংগ্ৰেছত বিষয় বাছানি সভ লৈ নিৰ্ব্বাচিত হব নোৱাৰিলে। তেতিয়া সভাপতিয়ে তেখেতক মনোনীত কৰি লয়।

ইতিমধ্যে ভাৰতত মুছলিম লীগৰ জন্ম হল। আৰু লীগে মুছলমান সকলক সংগঠন কৰিব ধৰিলে। এনে অৱস্থাতেই ১৯১৬ চনত লক্ষ্ণৌত কংগ্ৰেছৰ অধিৱেশন বহে। গান্ধী আৰু তিলক দুয়ো এই কংগ্ৰেছত উপস্থিত থাকে। এই অধিৱেশনতেই কংগ্ৰেছ আৰু লীগে এটা যুটীয়া আচনি কৰাৰ সিদ্ধান্ত গৃহীত কয়। আৰু আনহাতে ভাৰতৰ স্বায়ত্ব শাসনৰ বিষয়েও তলত দিয়াৰ দৰে প্ৰস্তাৱ গ্ৰহণ কৰে—(a) Having regard to the ancient civilisation of India, the progress made in education and the public spirit show, His majesty the king Emperor should be pleased to issue a proclamation announcing that it is the aim and intention of British policy to confer Self Govt. on India at an early date. (b) that as a definite step in that direction the Congress-League scheme should be granted, and (c) that in the re-construction of the empire, India should be lifted from the position of a dependency to that of all equal partner in the Empire with the self-Governing Dominions."

আৰম্ভণিতে ৭২ জন প্ৰতিনিধিৰে মাত্ৰ বোম্বে নগৰীত বহা জাতীয় মহা সভা কংগ্ৰেছে শক্তি সঞ্চয় কৰি আহিব ধৰিলে। কংগ্ৰেছৰ দ্বিতীয় অধিবেশন কলিকতাত বহোতে ইয়াৰ প্ৰতিনিধিৰ সংখ্যা হল ৪৪০ জন। ১৯০৫ চনত বঙ্গ ভঙ্গ আন্দোলনৰ সূত্ৰপাত হয় আৰু লগে লগে দেশৰ আন্দোলনৰ ৰূপো বদলি হয়। কংগ্ৰেছৰ মাজতো ভাৱধাৰাৰ বদলি হয়। বঙ্গদেশত এই আন্দোলনে বিৰাট আকাৰ ধাৰণ কৰে; কিছু সন্ত্ৰাস বাদ মূলক কাৰ্য্যও হয়। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে গানৰ দ্বাৰা উদ্দীপনা যোগাইছিল।—

"আমি ভয় কৰব না, ভয় কৰব না।
দুবেলা মৰণৰ আগে মৰব না ভাই মৰব না।"

ভাৰতীয় জাতীয় কংগ্ৰেছত প্ৰথম ছোৱাৰ পৰাই প্ৰতিনিধিয়ে সহযোগ কৰি আহিছে। আজিৰ দৰে তেতিয়াৰ কংগ্ৰেছৰ সাংগঠনিক ৰূপ নাছিল। ১৮৮৬ আৰু ১৮৮৭ চনত যথাক্ৰমে ৮জন আৰু ৩ জন প্ৰতিনিধিয়ে অসমৰ পৰা যোগদান কৰিছিল। প্ৰথমবাৰৰ প্ৰতিনিধি দলৰ ভিতৰত যোৰহাটৰ ৺ দেৱী চৰণ বৰুৱাই "জুৰী ব্যৱস্থাৰ" বিষয়ে বক্তৃতা দিছিল। এই সময়ত কংগ্ৰেছৰ লক্ষ্য বৃটিছ চৰকাৰৰ লগত অসহযোগী নাছিল। নিজৰ কিছু দাবী উত্থাপন কৰি চৰকাৰৰ পৰা ন্যায়সঙ্গত বিচাৰ পোৱাই প্ৰধানতঃ লক্ষ্য আছিল।

১ম মহাসমৰৰ সময়ত অসমত "অসম এচোচিয়েচনৰ" শেহতীয়া পৰ্য্যায় চলিছে। এতিয়ালৈকে এই এচোচিয়েচন খনেই অসমীয়া জাতীয় অনুষ্ঠান হিচাবে মুখ্য অনুষ্ঠান আৰু অসমীয়াৰ ৰাজনৈতিক প্ৰাণকেন্দ্ৰ। অসমত যি ৰাজনৈতিক চেতনাই বৰ্দ্ধিত ৰূপ ললে, সেই ৰূপ দিয়াত এই এচোচিয়েচনৰ অৱদান আছে। ১৯০৫ চনলৈকে অসমত কোনো সংগঠিত ৰাজনৈতিক প্ৰতিষ্ঠান নহৈছিল। বোম্বেত কংগ্ৰেছৰ সভাপতিত্ব কৰি চাৰ হেন্‌ৰী কটন অসমলৈ ঘুৰি অহাত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰ যেই গৰাকীমানৰ যত্নত ১৯০৪ চনৰ ডিচেম্বৰত "অসম এচোচিয়েচনৰ জন্ম হয়। প্ৰথমতে স্থানীয় কিছু দাবী উত্থাপন কৰিবৰ বাবেই হে এই এচোচিয়েচন হৈছিল।

১৯২০ চনত এই এচোচিয়েচনৰ তেজপুৰত বহা বাৰ্ষিক অধিবেচনৰ পাছতেই কংগ্ৰেছৰ লগত বিলীন হৈ যায়। সুপৰিচিত মানিক চন্দ্ৰ বৰুৱা ইয়াৰ জীৱন স্বৰূপ আছিল।

এই এচোচিয়েচনৰ মাজেদি কেবাজনো লোকে মূৰ তুলি উঠে। ৺ দেশভক্ত তৰুণ ৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু মানিক চন্দ্ৰ বৰুৱা আদিৰ নাম লব পাৰি।

ডেকাকৰ্মী চন্দ্ৰনাথ শৰ্মায়ো অসম আকাশত দেখা দিয়ে। তেখেতৰ চেষ্টাতেই অসমৰ ছাত্ৰ সমাজৰ প্ৰিয় অনুষ্ঠান অসম ছাত্ৰ সন্মিলন খন ১৯১৬ চনত গঢ়ি উঠে সৰ্ব্ব ভাৰতীয়ৰ তুলনাত এই অসম ছাত্ৰ সান্মলন খনেই ২য় কি ৩য় ছাত্ৰ প্ৰতিষ্ঠান হব। অসম ছাত্ৰ সন্মিলনৰ যোগেদি অসমৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত বহুতো লোকৰ আত্ম প্ৰকাশ হয়। বিভিন্ন সময়ত দেশৰ ৰাজনৈতিক পৰিবৰ্ত্তনৰ মাজত ছাত্ৰ সন্মিলনে ৰূপ সলাই আহিছে যদিও অসমৰ ছাত্ৰক ঐক্যবদ্ধ কৰা আৰু ছাত্ৰৰ বিভিন্ন দাবীৰ ভিত্তি আন্দোলন সংগঠিত কৰা এই খনেই একমাত্ৰ প্ৰিয় ছাত্ৰ অনুষ্ঠান। অসমৰ খ্যাতনামা বহু সাহিত্যিক আৰু ৰাজনৈতিক নেতা এই সন্মিলনৰ সৃষ্টি। প্ৰবীননেতা হেমচন্দ্ৰ, অমিয় দাস, চন্দ্ৰ শৰ্মাৰ পৰা আৰম্ভ কৰি বহুতো তৰুণ নেতা এই ছাত্ৰ সন্মিলনৰ মাজেদিয়েই ৰাজনৈতিক ক্ষেত্ৰত আত্ম প্ৰকাশ কৰিছে। সুসাহিত্যিক শ্ৰীডিম্বেশ্বৰ নেওগ, কবি বিনন্দচন্দ্ৰ বৰুৱা, অতুল হাজৰিকা এই সন্মিলনৰ এসময়ৰ কৰ্মী আছিল।

অসমৰ অন্য এটি পুৰনি অনুষ্ঠান অসম সাহিত্য-সভাৰ জন্ম হয় ১৯১৭ চনত। অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই অসম সাহিত্য সভাই তেতিয়াৰ পৰাই আশাশু-ধীয়াভাৱে কাম কৰি অসমীয়া সাহিত্যৰ ন্যায্য স্থান লাভ কৰাত যথেষ্ট অৱদান দি আহিছে। অসম সাহিত্য সভা আজি ভাৰতৰ বিভিন্ন সাহিত্য সভাবোৰৰ মাজত অতি পুৰনি আৰু মৰ্য্যাদা সম্পন্ন অনুষ্ঠান।

অসমত এই সময়ত এনেবোৰ অনুষ্ঠান প্ৰতিষ্ঠা হৈ জাতিৰ বিভিন্ন স্বাৰ্থৰ বাবে যুজ আৰম্ভ কৰিলে। অসম এচোচিয়েচনে লাহে লাহে ৰাজনৈতিক ৰূপ ধাৰন কৰিলে। আৰু কিছু অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ দাবী উত্থাপন কৰিলে। অসমে সাংগঠনিকভাৱে তেতিয়াও জাতীয় মহা সভা কংগ্ৰেছত যোগ দিয়া নাই। সৰ্ব্বভাৰতীয় ক্ষেত্ৰত চৰমপন্থী আৰু মডাৰেট দলৰ মতৰ টনা আজোৰাৰ মাজেদি কংগ্ৰেছ আগ বাঢ়ি যাব ধৰিছে। ১৯১৯ চনত নবীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন চন্দ্ৰ বৰুৱাই বিলাতলৈ গৈ মণ্টেগু চেম্‌চফোৰ্ড শাসন সংস্কাৰত অসমক বেলেগ প্ৰদেশ কৰাৰ দাবী উত্থাপন কৰি তাত কৃতকাৰ্য্য হয়। অসমৰ চীফ কমিচনাৰ চাৰ বীডচন বেলে, এই প্ৰতিনিধিক সমৰ্থন কৰিছিল। আৰু এখেত সকল তেতিয়াও অসম এচোচিয়েচনৰ সদস্য হিচাবেই আছিল। অসম আৰু ভাৰতৰ এনে ৰাজনৈতিক অৱস্থাৰ মাজতেই ৰোহিণীকান্ত হাতীবৰুৱাই কটন কলেজত

পটি আছিল। তেখেতে এই পাৰৱৰ্তন ৰোৰ লক্ষ্য কৰিছিল। আৰু সুবিধা পালেই সেই ৰোৰত অংশ গ্ৰহণ কৰিবলৈ ওলাই আঁহিছিল।

এই সময়ত চৰকাৰী সকলো বিষয়তে মুৰব্বী সকল আছিল বগা চাহাব। দেশীয়লোক ৰৰ বেচিকৈ তেনে চাকৰি আদি নাপাইছিল বা তেনেলোকৰ কিছু অভাৱো আছিল। আমোলা তান্ত্ৰিক শাসন ব্যৱস্থাৰ কঠোৰতা সকলো বিভাগতে প্ৰায় পৰিলক্ষিত হোৱা দেখা গৈছিল। আনকি, শিক্ষা বিভাগৰ দৰে এটা বিভাগতো আছিল আমোলা তান্ত্ৰিক ভাব ধাৰাৰ প্ৰাধান্য। অসমৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান কটন কলেজৰ অধ্যক্ষ আছিল, চুড মাৰ্চন চাহাব।

ৰোহিনীকান্ত মেধাবী আৰু স্বাধীনচেতা ছাত্ৰ আছিল। তেখেতে আমোলাতান্ত্ৰিক কঠোৰতা ভাল নাপাইছিল। আই, এচ চি ৰ ২য় বাৰ্ষিকৰ ছাত্ৰ হৈ থকা অৱস্থাত এবাৰ প্ৰিন্সিপাল চুডমাৰ্চন চাহাবৰ লগত তেখেতৰ কাজিয়া হয়। ৰোহিণী হাতী বৰুৱাই চুডমাৰ্চন চাহাবক দৃঢ়তাৱে কৈছিল,—"I have got the royal blood in me." সেই অপৰাধতেই তেখেতক ছুমাহৰ বাবে কলেজৰ পৰা চাচ্পেণ্ড্ কৰে। তেখেতৰ এই কাজিয়াৰ বিষয়ে দিয়া বিবৃতি সেই সময়ৰ "অসমবন্তি" আদি কাকতত প্ৰকাশ হৈছিল। চাচ্পেন্চনৰ সময় উকলি যোৱাত তেখেতে আই, এ, চি ফাইনেল পৰীক্ষা দিলে। কিন্তু ২য় বিভাগতহে পাচ হল। প্ৰথম বিভাগত পাচ কৰিবনোৱাৰি তেখেতে মনত খুব বেজাৰ পায় আনকি, দুদিন ভাত লঘোন দিছিল। পাচত মাকৰ নানা বুজনিতহে তেখেতে ভাত খালে। প্ৰিন্সিপালৰ লগত কাজিয়া কৰাৰ বাবে তেখেতৰ বৃত্তিটো সাময়িকভাৱে বন্ধ আছিল। আই, এচ, চি পাচ কৰাৰ পিচত পুনৰ সেই বৃত্তি পায়। এনেকুৱা নানা কাৰণত মনত বেজাৰ লগাত তেখেতে গুৱাহাটীত পঢ়াতো বাদ দি কলিকতালৈ যায়। কলিকতাৰ স্কটিশ চাৰ্চ কলেজত অৰ্থনীতি বিষয়ত অনাৰ্চ লৈ আৰু বুৰঞ্জী লৈ বি-এ পঢ়িলেগৈ। ১৯১৯ চনত অনাৰ্চ লাভ কৰি বি-এ পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতা বিশ্ববিদ্যালয়ত এম-এ আৰু বি-এল দুয়োটো বিষয়তে একেলগে পঢ়িবলৈ লয়। এ বছৰ মান পঢ়াৰ পাচত হঠাতে কলেৰা বেমাৰত আক্ৰান্ত হৈ তেখেত ঘৰলৈ গুছি আহিব লগীয়া হয়। লগৰীয়া দুজন ছাত্ৰ সেই ৰোগতে মৰিল। পঢ়িবলৈ অন্তৰত প্ৰবল ধাউতি থকা বাবে তেখেতে এলাহাবাদত থকা আমেৰিকাৰ প্ৰাইভেট কাৰ্স এখনত কৃষিৰ

Practical Training লৈছিল। ছমাহ তাত আছিল। অসমলৈ অহাৰ পাচত I.C.S. ৰ প্ৰাৰ্থী হবলৈ স্থিৰ কৰে। তেতিয়ালৈকে অসমত একমাত্ৰ আনন্দৰাম বৰুৱা'হে I.C.S. আছিল। সেই সময়ত বিশ্ববিদ্যালয়ত পঢ়াৰ পাচত এই পৰীক্ষা দিলে বেছি সন্মান পোৱা বুলি ধাৰণা আছিল। গতিকে মেধা সম্পন্ন ছাত্ৰই এই পৰীক্ষা দিবলৈ ইচ্ছা কৰে। আজিকালি অৱশ্যে এই পৰীক্ষা উঠি গল। তাৰ ঠাইত I.A.S. পৰীক্ষা হল বুলিব লাগে। এখেতৰ লগতে এই পৰীক্ষাৰ বাবে অসমৰ সুযোগ্য পুত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ভাইচ চেন্সেলাৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াও সাঁজু হৈছিল। কিন্তু পাচত তেখেতে বোলে নিজৰ নাম তুলি লয়। শেষ বাছনিলৈকে হাতী বৰুৱাৰ নাম থল। কিন্তু ইতিমধ্যে সেই সময়ৰ অসমৰ ৰাজহমন্ত্ৰী মৌঃ আবদুল মজিদৰ পুত্ৰ মৌঃ আই, মজিদ বিলাতত পঢ়ি আছিল। তেওঁ বিলাতৰ পৰাই প্ৰাৰ্থী হোৱাত I.C.S. পদবী তেঁৱেই লাভ কৰে। এইবাৰ ৰোহিণী হাতী বৰুৱাৰ মন এনেধৰণৰ ভাৱধাৰাৰ পৰা, আতঁৰাই আনি সৰুকালৰে পৰা মনত সাঁচি থোৱা দেশসেৱাত নিয়োগ কৰিবলৈ স্থিৰ কৰিলে। দেশৰ অৱস্থাও এই সময়ত জাতীয় ভাৱপন্ন হৈ পৰিছিল। ইয়াৰ পিচত তেখেতে অসহযোগ আন্দোলনত যোগ দিয়ে।

=দেশ সেৱাত=

মহাসমৰ অন্ত পৰিল। ১৯১৭ চনৰ আগষ্ট মাহত বৃটিশ পাৰ্লিয়েমেণ্টত ভাৰতবৰ্ষ সম্পৰ্কে এক ঘোষনা জাৰি হল। গান্ধীজিয়ে কংগ্ৰেছৰ নেতৃত্ব গ্ৰহন কৰিলেহি। সেই বছৰ কলিকতাত বহা কংগ্ৰেছৰ অধিবেশনত সভানেত্ৰিত্ব কৰে এনী বেছান্তে। আৰু তাতেই এই ঘোষণা সম্পৰ্কে কংগ্ৰেছে প্ৰস্তাৱ গ্ৰহণ কৰে।— "This Congress expresses its grateful satisfaction over the pronouncement made by His majesty's secretary of state for India on behalf of the Imperial Govt. that its object is the establishment of responsible Govt. in India.

"This Congress strongly urges the secretary for the immediate enactment of a Parliamentary Statute providing for the establishment of responsible Govt. in India the full measure to be attained within a time-limit to be fixed in the statute itself at an early date.

"This Congress is emphatically of opinion that the Congress-League scheme of Reform ought to be immediately introduced by statute as the first step in the Progress."

কংগ্ৰেছ লীগৰ যুটীয়া আচনি খন বিভিন্ন ভাষাত ছাপা কৰি প্ৰচাৰ কৰা হল। ৯ লাখতকৈও বেছি চহী ইয়াৰ সমৰ্থনত সংগৃহীত হৈছিল। প্ৰবল বেগেৰে ইংলণ্ড আৰু ভাৰতবৰ্ষত ইয়াৰ প্ৰচাৰ কাৰ্য্য চলিল। ১৯১৮ চনৰ জুন মাহত মণ্টেগু চেম্চফোৰ্ড ৰিপৰ্ট প্ৰকাশ হল। এই ৰিপোৰ্ট প্ৰকাশ হোৱাৰ লগে লগেই কংগ্ৰেছ লীগৰ যুটীয়া আচনিৰ ঠাইত এই ৰিপৰ্টৰ আলোচনাই প্ৰধান ঠাই ললে। এই ৰিপৰ্টৰ বিষয়ে বিভিন্ন নেতা আৰু জনসাধাৰণ বাইজে ভিন্ন ভিন্ন মতামত দিব ধৰিলে। এনে সময়তে সেই চনৰে ২৯শে আগষ্টত বোম্বে নগৰত হাছান ইমামৰ সভাপতিত্বত কংগ্ৰেছৰ অধিবেশন বহিল আৰু তাত ঘোষণা কৰিলে যে, এই যুটীয়া আচনিত থকা মূলনীতিৰ বাহিৰে একোৱেই কংগ্ৰেছক সন্তোষিত কৰিব নোৱাৰে। প্ৰায় সমসাময়িক হিচাবে লীগৰো এখন সভা বহি কংগ্ৰেছৰ দৰেই প্ৰস্তাৱ গ্ৰহণ কৰিলে। ইতিমধ্যে প্ৰধান প্ৰধান নেতা কেইজন মানৰ ওপৰত শাস্তি বিধান আৰম্ভ হল। চাৰ চীড্নি ৰাউলাটৰ সভাপতিত্বত দেশৰ অৱস্থা পৰ্য্যবেক্ষণ কৰিবৰ বাবে এটা কমিটি নিয়োগ কৰি দিলে। চৰকাৰৰ এই কমিটিৰ ৰায় কংগ্ৰেছে গৰিহনা দিলে। সেই বছৰেই ২৬ ডিচেম্বৰত দিল্লী নগৰত পণ্ডিত মদন মোহন মালব্যৰ সভাপতিত্বত কংগ্ৰেছ কমিটি বহিল। ইয়াতো ৰাউলাট কমিটিৰ ৰায় আৰু মণ্টেগু চেমচ্ফোৰ্ড ৰিপৰ্ট অগ্ৰাহ্য কৰা হল।

১৯১৯ চনৰ মাৰ্চ মাহত চুপ্ৰিম্ লেজিছলেটিভ কাউন্সিলত Rowlett Bill উত্থাপন কৰিব খোজাত গান্ধীজিয়ে সত্যাগ্ৰহৰ সিদ্ধান্ত লবলৈ স্থিৰ কৰে। আৰু ৩০ মাৰ্চৰ দিনাই সত্যাগ্ৰহৰ দিন থিৰাং কৰে। এই দিনা হৰতাল, ব্ৰতে থাকি উপাসনা কৰা, আৰু সকলো ঠাইতে মিটিং পতাৰ সিদ্ধান্ত হল। কিন্তু বিশেষ কাৰণত ৬ই এপ্ৰিললৈ

এই দিন হোহেঁৰাকাৰ লগীয়া হল। কিন্তু দিল্লীত ৩০ মাৰ্চ'তেই হৰতাল, শোভাযাত্ৰা আদি হল। হিন্দু মুছলমানৰ যুটীয়া ভাবেই আন্দোলন হল। পুলিচে বহুতো নিৰ্য্যাতন কৰিলে। ১০ এপ্ৰিলৰ দিনা ডাঃ কিচলু আৰু ডাঃ সত্যপালক গ্ৰেপ্তাৰ কৰা'ৰ লগে লগে সমগ্ৰ পঞ্জাৱত বিক্ষোভে দেখা দিয়ে। কিছু হিংসাত্মক কাৰ্য্য অনুষ্ঠিত হোৱাত গান্ধীজিয়ে সত্যাগ্ৰহ বন্ধৰ নিৰ্দ্দেশ দিলে। কিন্তু ১৩ এপ্ৰিলৰ দিনা জালিয়ান-ৱালা বাগত এখন সভা কৰা হল। বহুতো লোক ৩৩ গোট খালে। সেই সময়ৰ পঞ্জাৱৰ গবৰ্ণৰ জেনেৰেল ডায়াৰে জালিয়ান ৱালা বাগক হত্যাৰ নাৰকীয় দৃশ্যত পৰিণত কৰিলে। ২০|২১ তাৰিখে কংগ্ৰেদ কমিটি বহিল আৰু এটা প্ৰতিনিধি দল ইংলণ্ডলৈ পঠাবলৈ সিদ্ধান্ত লয়।

যুদ্ধৰ আগতে দিয়া প্ৰতিশ্ৰুতি বৃটিছ প্ৰধান মন্ত্ৰী লয়েড জৰ্জে ভঙ্গ কৰা বাবে সকলো মুছলিম্ ক্ৰোধান্বিত হল। পাচত মহাত্মা গান্ধীৰ নেতৃত্বত খিলাফটৰ কাম চলাবৰ বাবে এখন অমৃত সৰত সভা বহে। তাৰ্কীৰ বিষয় সন্তোষজনক মীমাংসা নোহোৱাত ভাৰতীয় মুছলমান সকলে ১৯২০ চনৰ ১৯ মাৰ্চ্চ তাৰিখে এটা দিন পালন কৰি হৰতাল আৰু শোভাযাত্ৰা কৰাৰ আহ্বান জনালে। তাৰ পাছত হাণ্টাৰ কমিটিৰ ৰিপৰ্ট আদিও প্ৰকাশ হল। অৱশেষত ২ জুনৰ দিনা এলাহাবাদত কংগ্ৰেছ কমিটি বহিল। আৰু ইয়াতেই গান্ধীজি আৰু কেইজনমান মুছলমান নেতাৰে এটা কমিটি গঠন কৰি দিয়া হ'ল। এই কমিটিয়েই অসহযোগৰ আঁচনি তৈয়াৰ কৰিব। ১ আগষ্টৰ দিনা অসহযোগৰ আচঁনি খন নিয়মিত উপায়ে উদ্বোধন কৰা হল। কিন্তু ইতিমধ্যেই দেশত অসহযোগৰ আন্দোলন চলিছিল বুলিব লাগে। এই সময়ত মহম্মদ আলি আৰু চৌকৎ আলি এই দুই ভাই ককাই আৰু গান্ধীজি সমগ্ৰ দেশ ভ্ৰমণ কৰিব ধৰিলে। ১৯২০ চনৰ চেপ্তেম্বৰত কলিকতাত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত অসহযোগ আন্দোলনৰ সিদ্ধান্ত গৃহীত হল। মহাত্মা গান্ধীয়েই এই প্ৰস্তাৱ উত্থাপন কৰে আৰু তেখেতৰ নেতৃত্বতেই দেশত অসহযোগ আন্দোলন চলিল। তাৰ ঢৌৱে এইবাৰ অসমকো কোবালে। এই বিশেষ অধিবেশনত অসমৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে যোগ দি, এই অসহযোগ প্ৰস্তাৱৰ বিৰুদ্ধিতা কৰিছিল। পিচে পাচত অসমলৈ ঘূৰি অহাত, সেই সময়ৰ অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান অসম এচোচিয়েচনে অসহযোগৰ আচঁনি গ্ৰহণ কৰাৰ তেওঁ মত দিয়ে।

অৱশ্যে স্কুল কলেজ বৰ্জনৰ আচঁনি হলে সমৰ্থন নকৰিলে। পিচত নবীন চন্দ্ৰ বৰদলৈ-য়েও এই মত গ্ৰহন কৰি সমগ্ৰ অসমত কংগ্ৰেছ কমিটি গঠন কৰিব ধৰিলে।

১৯২১ চনৰ জুন মাহত বহা কংগ্ৰেছত যোগ দিবৰ বাবে অসমৰ পৰা কেবাজনো নেতা যায়। সেই চনতেই আগষ্ট মাহত গান্ধীজিয়ে অসমত ভ্ৰমন কৰে। গান্ধীজিৰ এই ভ্ৰমনত অসমত এটা নৱজাগৰণৰ উন্তৱ হয়। বহুতো ডেকাই অসহযোগ আন্দোলনত যোগ দিয়ে, কানি ভাং আদি ৰাগীয়াল বস্তু বৰ্জনৰ বাবে দলে দলে লোকে পিকেটিং কৰিবলৈ আগ বাঢ়ি আহে। চৰকাৰে এনে পিকেটিং বেআইনী ঘোষণা কৰে। এই সময়ৰ আন্দোলনত অসমৰ ১১০০ জন কৰ্মী জেলত সোমাব লগীয়া হয়। এই লোকসকলৰ ভিতৰত ছাত্ৰ যুৱক, উকীল, গাৱলীয়া ডেকা আদি সকলো আছিল। অসমত এই আন্দোলনৰ নেতা হিচাবে নবীন বৰদলৈ, তৰুণৰাম ফুকন, কুলধৰ চলিহা আদি প্ৰখ্যাত হৈ পাৰে। চন্দ্ৰ শৰ্মায়ো প্ৰতিষ্ঠা লাভ কৰে। সেইসময়ৰ ছাত্ৰৰ নেতা আছিল হেমচন্দ্ৰ বৰুৱা, অমিয়কুমাৰ দাস আৰু লক্ষ্মীধৰ শৰ্মা।

উজনি অসমত চলা আন্দোলনত ৰোহিণী হাতী বৰুৱাও জপিয়াই পৰে। যোৰহাট অঞ্চলত তেখেতে খুব জোৰেৰে এই আন্দোলন চলায়, কানি মেলত গৈ পিকেটিং কৰি ফুৰিছিল। তেখেতৰ পাচে পাচে পুলিচ ফুৰিব ধৰিলে। কিন্তু পুলিচৰ চকুত ধুলিমাৰিও তেখেতে নিজ কাৰ্য্য সম্পাদন কৰিছিল। চৰকাৰে সভা সমিতি পতা বন্ধ কৰি দিয়াত তেখেতে সবাহ, নামঘোৰা আদিত বাইজক এই আন্দোলনৰ বিষয়ে বুজাই ফুৰিছিল। এবাৰ হিন্দু মুছলমানৰ মিলনৰ ভিত্তিত যোৰহাটৰ সোনাৰী গাৱৰ নামঘৰত ভাওনা পতা ছলেৰেই তেখেতে বিৰাট ৰাজহুৱা সভা পাতি বক্তৃতা দিয়ে। ইয়াতেই উৎসাহিত হৈ যোৰহাটৰ আশে পাশে বহুতো সভা সমিতি হব ধৰিলে। তেখেতক তেতিয়া গ্ৰেপ্তাৰ কৰি জেলত থোৱা হয়। কানি ভাং বৰ্জনৰ বাবেই অকল নহয় বিলাতী বস্ত্ৰ আদি বৰ্জনৰ আন্দোলনো তেখেতে চলাইছিল। ভাতপানী এৰি তেখেতে অসম্ভৱ ৰূপে এই আন্দোলন জপিয়াই পৰিছিল। চৰাইবাহী, কাটনি, তিতাবৰ, গড়মুৰ, আমগুৰি, খৰিকটিয়া আদি ঠাইত তেখেতে অনৰ্গল ঘুৰি ফুৰি আন্দোলন পৰিচালনা কৰিছিল। তেখেতৰ প্ৰচাৰত ভোল গৈ শিপিনীসকলে বিলাতী সূতাৰ কাপোৰ তাঁতৰ পৰা আনি জুইত পুৰিছিল।

এই আন্দোলনত ফুৰোতে তেখেত বহুতো প্ৰতিকুল অৱস্থাৰ সমুখীন হব লগীয়া

হৈছিল। এদিন তেখেতৰ সহকৰ্মী শ্ৰীথিবেশ্বৰ বৰদলৈ আদি কেবাজনো দেশকৰ্মী এখন গাৱত ৰাতি থাকিবলগীয়া হৈছিল। কেইজনমান অসৎ প্ৰকৃতিৰ মদপীয়ে তেওঁলোকক মাৰিবলৈ পাং পাতিছিল। তেনে অৱস্থাতো বিচলিত নহৈ হাতীবৰুৱাই তেওঁলোকক বুজাই বঢ়াই সেও মনায়। অন্যএদিন আকৌ শ্ৰীবৰদলৈৰ লগত হাতীবৰুৱা বান্দৰ চলিহা বাগানৰ মাজেদি যাওঁতে এদল প্ৰবোচিত বনুৱাই হাতত লাঠি লৈ আহি তেওঁলোকক আক্ৰমণ কৰে। হাতীবৰুৱাৰ কোনো হাক বচন বা বুজনি সিহঁতে নামানিলে। চাহাবৰ ওচৰলৈ লৈ যাবলৈ কোৱাত বনুৱাই কয় যে চাহাবেহে সিহঁতক পঠাইছে। মাৰধৰ খাই কোনোমতে প্ৰাণলৈ বাগানৰ পৰা ওলাই আহে।

মূলত: এই আন্দোলনৰ লগত কানি নিবাৰণৰ আন্দোলন জড়িত আছিল। ৰোহিণী কান্তই এই আন্দোলন পৰিচালনা কৰিছিল। কানি ৰব বিহৰ নিৰ্মূল সাধনেই অসমত বৃহত্তৰ ৰূপ ধৰি আন্দোলনৰ এপাত পাশুপাত অস্ত্ৰ হয়। কানিয়ে দেশক এনেদৰে গিলি ধৰি আছিল যে, এই আন্দোলনৰ চলোৱাত বহুতো লোকৰ মাজত দেশকৰ্মী সকল অপ্ৰিয় হব লগা হৈছিল। আনহাতে চৰকাৰেৰো চকুৰ কুটা দাঁতৰ শূল হবলগীয়াত পৰিছিল। এনে প্ৰতিকূল অৱস্থাৰ মাজতো অকণো বিচলিত নোহোৱাকৈ হাতী বৰুৱাই কানি নিবাৰণৰ বাবে সক্ৰিয় আন্দোলনৰ নেতৃত্ব দি গল। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ মহা সভাৰ অধিবেশনৰ সময়ত আলোচনা কৰোতে গান্ধীজিয়ে কৈছিল, "ভগবানে আপোনাক কানি ৰব বিহ নিৰ্মূল কাৰবলৈকে অসমলৈ পঠাইছে। গতিকে আপুনি কানি নিৰ্মূল কৰিবই লাগিব।"

———

কানি নিবাৰণ আন্দোলনত

অসমত কানি নিবাৰণৰ বাবে জাতীয় চৰকাৰে আইন কৰাতো আজিও কানি যি দৰে চলিছে তাক শুনিয়েই ভয় লাগে। গতিকে যি সময়ত চৰকাৰে কানি প্ৰচলনক প্ৰশ্ৰয় দিছিল, সেই সময়ত কানি নিবাৰণ আন্দোলন চলোৱা কিমান কঠিন আছিল, সি সহজেই অনুমেয়।

১৯২৪ চনত নবেম্বৰ মাহত বহিৰ্বলগীয়া জেনেভা সমিলনত সাক্ষ্য দিবৰ উদ্দেশ্যে কানিৰ বিষয়ে সকলো তথ্য পাতি গোটাই লবলৈ নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মহামতি ছি, এফ, এণ্ড্ৰুজক অসমলৈ পঠায়। সেই সম্পৰ্কত অসমত এটা কানি তদন্ত কমিটি গঠন কৰা হয়। সেই সময়ৰ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি ৺কুলধৰ চলিহা ভাওবীয়াই আছিল এই কমিটিৰ সভাপতি আৰু প্ৰাদেশিক কংগ্ৰেছৰ সম্পাদক ৺ৰোহিণী কান্ত হাতী বৰুৱা দেৱেই সম্পাদক নিযুক্ত হয়। বাকী অন্যান্য সভ্য সকলৰ ভিতৰত আছিল তৰুণ ৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, কৃষ্ণ নাথ শৰ্মা, শ্ৰীঅম্বিকা গিৰি ৰায়চৌধুৰী, শ্ৰী অমিয় কুমাৰ দাস, পাছত আৰু কেইজনমান সভ্য লোৱা হয়। সেই সকল হল-তাৰা প্ৰসাদ চলিহা, দুৰ্গা প্ৰসাদ বৰঠাকুৰ, প্ৰসন্ন কুমাৰ বৰুৱা, মোঃ ফাইজনুৰ আলি, সৰ্বেশ্বৰ বৰুৱা, চন্দ্ৰনাথ শৰ্মা, ডাঃ জ্যোতিষ চন্দ্ৰ দাস।

সময় হাতত কম দেখি সেই কমিটিয়ে খুব জোৰেৰে কাম চলাব লগীয়া হৈছিল, কিন্তু বাহিৰা অহাত কিছু প্ৰতিবন্ধকতাই দেখা দিছিল। অৱশ্যে হাতী বৰুৱাৰ চেষ্টাত কাম বন্ধ হোৱা নাছিল, পূৰ্বদৰেই চলিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে পঠোৱা মহামতি এণ্ড্ৰুজ ১৯২৪ চনৰ মে মাহত অসমলৈ আহিলেও কবিগুৰু ৰবীন্দ্ৰ নাথৰ লগত চীন আদি ভ্ৰমণ কৰিবলৈ যোৱাত, অক্টোবৰ মাহতহে ঘূৰি আহি ৰিপৰ্ট সংগ্ৰহ কৰা কামত আত্মনিয়োগ কৰে। ৰিপৰ্টৰ পুনৰালোচনা হল। এটি ৰিপৰ্ট জেনেভালৈ পঠোৱা হল। ১৯২৫ চনৰ চেপ্তেম্বৰ মাহত হে পূৰ্ণ পৰ্য্যায়ৰ ৰিপৰ্ট প্ৰকাশ হয়। হাতীবৰুৱা দেৱ বহুদিন কলিকতাত থাকি এণ্ড্ৰুজৰ

লগত আলোচনা কৰি এই ৰিপৰ্ট ছাপা কৰোৱাৰ দিহা কৰে। জেনেভা সম্মিলনীলৈ পঠোৱা ৰিপৰ্টটো সভ্য সকলৰ মাজত বিতৰণ কৰি দিয়া হয়। বাতৰি কাকতত্তো ইয়াৰ বহুল প্ৰচাৰ হয়। এই ৰিপৰ্ট পোৱাৰ পাচত জেনেভাত গঠিত হোৱা Opium Advisory Board ৰ বহুতো ভুল ধাৰণা আঁতৰিল। আনহাতে এই ৰিপৰ্ট কানি নিবাৰণৰ বাবে খটা কৰ্মী সকলৰ হাতত এপাত অস্ত্ৰ হল।

অনেক প্ৰতিকুল অৱস্থাৰ মাজত সংগ্ৰহ কৰা এই কানি তদন্ত কমিটিৰ ৰিপৰ্টটো এটা লেখত লবলগীয়া কাম। একালে চৰকাৰৰ চোকা নজৰ আৰু আন হাতে অতি কম সময় আৰু বাৰিষাৰ মাজত এই ৰিপৰ্ট সংগ্ৰহ কৰিব লগীয়া হৈছিল। কানি তদন্ত কমিটিৰ কামত ঘূৰি ফুৰোতে এবাৰ তিনি চুকীয়ত এজন পুলিচৰ লগত কাজিয়াৰ সুত্ৰপাত হয়। কানি তদন্ত কমিটিৰ কামত তেখেত উত্তৰ পাৰেদি গৈ লক্ষীমপুৰেদি তিনিচুকীয়া পাইহি। সেই সময়ত দেশকৰ্মীসকলৰ পাচে পাচে বৃটিছ চৰকাৰৰ পুলিচ চি, আই, ডি ঘুৰি ফুৰে। জন সাধাৰণৰ মাজত কিবা সংগঠন কৰাৰ গম পালেই পুলিচে তাৰ অনুসন্ধান কৰি ভিত্তি সঞ্চ'ৰ কৰে। আজি কমিউনিষ্টৰ পিচত এনেদৰে পুলিচ, চি, আই, ঘুৰে। বৃটিশৰ পুলিচৰ কাৰ্য্য আছিল দেশৰ বাইজৰ স্বাৰ্থৰ বিৰুদ্ধি। এজন সাধাৰণ পুলিচে দেশকৰ্মীক কি দৰে ব্যৱহাৰ কৰে, এটি সামান্য ঘটনাৰ পৰাই বুজা যাব। ঘটনাটি সৰু হলেও বৃটিচ চৰকাৰৰ দিনত পুলিচৰ বিৰুদ্ধে ওজৰ তবা বৰ উজু কথা নাছিল। তেখেতৰ পিচে পিচে সকলো সময়তেই চি, আই, ডি ঘুৰিছিল। তিনিচুকীয়াৰ ৰেলৰ ষ্টেচনত বাৰান্দাতে ছুটকেছটো থৈ তেখেতে আন কেইজন মানৰ লগত থিয়াথি কৰি থাকোতেই এজন পুলিচে ছুটকেছটো লৈ যায়. পাছত তেখেতে বিচৰাবিচৰি কৰি কেইজনমান পুলিচৰ হাতত সেইটো পায় আৰু দুয়োদলৰ মাজত ঘুঁছিয়া ঘুছি লাগে। তেখেতে অৱশ্যে বাকচ্ টো কাঢ়ি আনে। তাতেই কানিতদন্ত কমিটিৰ সংগৃহীত সকলো ৰিপৰ্ট আছিল। তেখেতে সেই ঘটনাৰ তদন্ত দাবী কৰি লক্ষীমপুৰ জিলাৰ পুলিচ চুপাৰিণ্টেণ্ডেণ্টৰ ওচৰত ওজৰ কৰিছিল। পুলিচেও তেখেতৰ ওপৰত ওজৰ দিছিল। এই ঘটনা ১৯২৫ চনৰ ১লা মেত ঘটে। ২ তাৰিখে তেখেত মহামতি এণ্ড্ৰুজৰ সৈতে ৰজনী বৰুৱাৰ ঘৰত থাকে। তেখেতৰ চিঠিৰ উত্তৰত লক্ষীম পুৰৰ পুলিচ চুপাৰিণ্টেণ্ডেণ্টে তেখেত জনায়। তেখেতে ভ্ৰমণ শেষ কৰি যোৰহাট পাইহি। যোৰহাটত মহামতি

এণ্ড্ৰুৰ সৈতে কৰ্মীসকলৰ এখন ফটো লোৱা হয়। এই মাহৰ শেষ ভাগত তেখেত কলিকতালৈ যায়। তেখেতক পুলিচে দিয়া মোকৰ্দমামতে ডিব্ৰুগড় কাছাৰীত হাজিৰ হবলৈ কোৱা হৈছিল যদিও তেখেত তাত হাজিৰ নহল। যোৰহাটত ৺কুলধৰ চলিহাৰ ঘৰত এণ্ড্ৰুক ৰাখি গাঁৱৰ পৰা বহুতো কানীয়া গোটাই আনি বাঁহৰ চুঙাৰ হোকাত কেনেকৈ কানি টিকিবা পোৱে, তাক দেখুৱাই ছিল। কানি খাওঁতে নাৰিকল, কুঁহিয়াৰ, গুড়, চেনি, পিঠা আদি কেনেদৰে ব্যৱহাৰ কৰে তাকো দেখুওৱা হয়।

কানি তদন্ত কমিটিয়ে ১৯২৫ চনৰ মে মাহৰ পৰা চেপ্টেম্বৰলৈকে অসমৰ বিভিন্ন ঠাইত মুঠ ১২৫০ মাইল ভ্ৰমণ কৰি কানিৰ বিষয়ে তদন্ত কৰে। কানিৰ বিষয় সাক্ষ্য লোৱা লোকসকলৰ ভিতৰত ২৬ জন চৰকাৰী পেঞ্চনভোগী বিষয়া, ৬ জন ৰায় বাহাদুৰ, ৩ জন ৰায় চাহাব, ১ জন খান চাহাব, ১১ জন মিউনিচিপেল আৰু লোকেলবোৰ্ডৰ চেয়াৰমেন, ১২ জন জেল পৰিদৰ্শক, ১৫ জন ডাক্তৰ, ৭ জন কবিৰাজ, ৬ জন মৌজাদাৰ, ২ জন বাতৰি কাকতৰ সম্পাদক, ৫৪ জন কানি খোৱা লোক, ১৮ জন কানি এৰা লোক, ৬ গৰাকী তিৰোতা, তাৰে ৩ গৰাকী কানিখোৱা। তেখেতৰ অপৰিসীম শ্ৰমৰ ফল স্বৰূপে এই কানি তদন্ত কমিটিৰ ৰিপৰ্টো বাহিৰ হোৱাত অসমত কানি নিবাৰণী অন্দোলনত যথেষ্ট সহায়ক হল। কাউন্সিলৰ সভ্য হোৱা সময়তো কানিৰ বিষয়ে তেখেতে নানা ধৰণৰ প্ৰশ্ন কৰিছিল। কানি তদন্ত ৰিপৰ্টত কানি খেতি কেনেকৈ কৰে, আৰু লাহে লাহে কেনেকৈ কমিছে তাৰ হুবহু বিৱৰণ দিয়াত জগতবাসীৰ সমৰ্থন লাভ আৰু কানি নিবাৰণ আন্দোলন প্ৰৱল কৰাত সুবিধা হল।

অসমত জাতীয় মহাসভাৰ নেতা—

১৯২১ চনৰ মাঘে ভাগত অসমত কংগ্ৰেছ গঠন হয়। ভাৰতৰ অন্য ঠাইৰ লগে লগে অসমতো অসহযোগ আন্দোলনৰ জোৰাৰ উঠে। কিছুমান গঠন মূলক কামৰ ভিত্তিত কংগ্ৰেছে চৰকাৰৰ বিৰুদ্ধাচৰণ কৰিছিল। যেনে, বিদেশী বস্ত্ৰ বৰ্জন, বাগীয়াল বস্ত্ৰ বৰ্জন আৰু অস্পৃশ্যতা দুৰীকৰণ। ১৯২২ চনৰ পৰাই ৺হাতী বৰুৱা অসম

প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সম্পাদক নিৰ্ব্বাচিত হৈছিল আৰু মৃত্যু পৰ্য্যন্ত ৬। ৭ বছৰ তেখেত এই পদত অধিষ্ঠিত আছিল। সংগ্ৰামশীল কংগ্ৰেছৰ নেতৃত্ব দিয়াতো সেই সময়ৰ উক্ত কাম নাছিল। তাতে আকৌ নেতা সকল আন্দোলনৰ প্ৰকৃত ধৰণ বা লক্ষ্যৰ প্ৰতি কিছু অনভিজ্ঞ। তথাপিও ভাৰতীয় স্বাৰ্থৰ লগত মিল ৰাখি অসম কংগ্ৰেছৰ নেতা সকল,—তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, চন্দ্ৰ শৰ্মা, ৰোহিনী হাতী বৰুৱা আদিয়ে অসমক নেতৃত্ব দিছিল। ভাৰতৰ আগত তেখেত সকলে অসমৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ কৃতকাৰ্য্য হৈছিল।

১৯২০ চনৰ নাগপুৰ কংগ্ৰেছৰ সিদ্ধান্ত মতেই অসমত অসহযোগ আন্দোলন চলিল। গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীয়েও স্কুল-কলেজ বৰ্জন কৰিলে। ফুকন আৰু চলিহাই ওকালতি বৰ্জন কৰিলে। আন্দোলন বঢ়াৰ লগে লগেই ভাৰতত ৰাজনৈতিক চেতনাও বাঢ়িব ধৰিলে। ইতিমধ্যে ভাৰতৰ ৰাজনীতি ক্ষেত্ৰত বহুতো নেতাৰ আবিৰ্ভাব হয়। মণ্টেগু-চেমচফোৰ্ট সংস্কাৰ মতে দিয়া কাউন্সিলত প্ৰবেশ কৰা নকৰা লৈ নেতা সকলৰ মাজত নানা ধৰণৰ আলোচনা হল। এনে সময়তেই দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহেৰুৰ নেতৃত্বত 'স্বৰাজ্য দল' নামে কংগ্ৰেছত এটি উপদলৰ সৃষ্টি হয়। ১৯২৩ চনৰ ২৫, ২৬, ২৭ মেত বহা কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সভাত দেশবন্ধু চিত্তৰঞ্জন দাসে কংগ্ৰেছ কাৰ্য্যসূচীৰ ভিতৰত কাউন্সিল দখল কৰাটোত অন্তৰ্ভুক্ত কৰিব লাগে বুলি প্ৰস্তাৱ কৰে। আৰু তাৰ বাবে এটা আচুতীয়া পুঁজি সংগ্ৰহৰ কথাও তেখেতে কয়। কিন্তু এই প্ৰস্তাৱ গৃহীত নহল। তাৰ পাচত সেই চনৰেই চেপ্তেম্বৰ মাহত বহা এ, আই, চি, চিৰ বিশেষ অধিবেশনত স্বৰাজ্য পাটিৰ প্ৰথম ঘোষণা পত্ৰ প্ৰকাশিত হয়। তাত তেওঁলোকৰ লক্ষ্য আৰু কাৰ্য্যসূচীৰ কথা লিপিবদ্ধ কৰা আছিল।

মৌলানা মহম্মদ আলিৰ সভাপতিত্বত কোকনদত বহা কংগ্ৰেছ কমিটিৰ সভাত কাউন্সিল প্ৰবেশ কৰাৰ বিষয়ে এইদৰে প্ৰস্তাৱ গৃহীত হয়। —"Since doubts have been raised by reason of the non-co-operation resolution adopted at Delhi with regard to council entry, whether there has been any change in the policy of the Congress, the Congress affirms that the principle and policy of that boycott remains unaltered."

কোকনদ কংগ্ৰেছত এনে দৰে সিদ্ধান্ত লোৱাত বাদ প্ৰতিবাদ চলিয়েই থাকিল। পিচৰ দিল্লী কংগ্ৰেছত কিছু ঢিলাই দি কাউন্সিলত প্ৰবেশ কৰাৰ মত পোষণ কৰা হয়। ইতিমধ্যে এচেম্ব্লিৰ নিৰ্ব্বাচন হল আৰু স্বৰাজ্য দলে নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰি এচেম্ব্লিত প্ৰবেশ কৰিলে। লেজিছলেটিভ এচেম্ব্লিত ৪৫ জন সদস্যই প্ৰবেশ কৰি নানা বিষয়ত চৰকাৰ পক্ষক ঘটুৱাব পাৰিছিল। অসম লেজিছলেটিভ কাউন্সিললৈ অসমৰ কেবাজনো বিখ্যাত নেতা নিৰ্ব্বাচিত হয়। সেই সকলৰ ভিতৰত শ্ৰীমহাদেৱ শৰ্ম্মা, ৺কুলধৰ চলিহা, শ্ৰীসৰ্ব্বেশ্বৰ বৰুৱা, ৺ৰোহিণী হাতী বৰুৱা। এই নিৰ্ব্বাচনৰ বাবে সহযোগৰ আহ্বান জনাই কংগ্ৰেছ নেতৃবৃন্দই ৰাইজক গোহাৰি জনাইছিল, কংগ্ৰেছৰেই এই স্বৰাজ্য দলক যাতে ৰাইজে ভোট দিয়ে। ইয়াৰ আগতে ১৯২০ চনত সভা নিৰ্ব্বাচনত ৰাইজে অংশ গ্ৰহণ কৰা নাছিল।

এই নিৰ্ব্বাচনত তেখেত জয়ী হৈ কাউন্সিলত সোমাই আৰু আনহাতে কংগ্ৰেছৰ চেক্ৰেটৰী হিচাবেও কাম কৰিব লগীয়া হয়। গতিকে সময়ৰ খুব অভাৱ হয়। ব'ত ত'ত অনাহাৰে ঘূৰিব লগীয়া হোৱাত, স্বাস্থ্য ভঙ্গ হৈছিল। এনে সময়তে আকৌ কানি তদন্ত কমিটিৰ কামো তেখেতেই কৰিছিল। কলিকতাত থাকি কানি তদন্ত কমিটিৰ ৰিপৰ্টটো ছপা কৰা অৱস্থাত তেখেতে লক্ষ্মী নাথ বেজবৰুৱা, বনফুল কবি যতীন দুৱৰা, শ্ৰীমহাদেৱ শৰ্ম্মা আদিক লগ পাই আৰু অসমৰ নানা সমস্যাৰ বিষয়ে আলোচনা কৰে। কলিকতাত থকা অৱস্থাতেই কানি তদন্ত কমিটিৰ ৰিপৰ্ট প্ৰকাশিত হয়। তেখেতে অসম স্বৰাজ্য পাটিৰ ঘোষণা পত্ৰখনো কলিকতাতে তৈয়াৰ কৰে। কলিকতাৰ A. S. L. Clubৰ বাৰ্ষিক অধিবেশনত নাৰিয়া গাবেই লৈ তেখেতে "Duties of the students" সম্পৰ্কে বক্তৃতা দিয়ে। তাৰ পৰা ঘূৰি আহি তেখেতে সমগ্ৰ অসম ফুৰি কংগ্ৰেছ কমিটিবোৰ পুনৰ্গঠন কৰে। এই বছৰেই ডিচেম্বৰ মাহত কানপুৰত বহা কংগ্ৰেছ মহা সভাৰ অধিবেশনত যোগ দিবলৈ তেখেত আৰু দুই ভাই ককাই যায়। এই কংগ্ৰেছত সৰোজিনী নাইডুৱে সভানেত্ৰিত্ব কৰে। ইয়াতেই অসমলৈ পৰৱৰ্ত্তী অধিবেশন নিমন্ত্ৰন কৰা হয়। এই অধিবেশন অসমলৈ নিমন্ত্ৰন কৰাৰ মূলতে নবীন বৰদলৈৰ ইচ্ছা আৰু তৰুণ ফুকনৰ নেতৃত্ব। প্ৰকৃততে নিয়মিত ৰূপে অসমলৈ কংগ্ৰেছ নিমন্ত্ৰন কৰে—৺হাতী বৰুৱা আৰু কৃষ্ণনাথ শৰ্ম্মাই।

প্ৰথম বাৰ কাউন্সিলত প্ৰতিদ্বন্দ্বিতা

স্বৰাজ্য দলে কাউন্সিলত প্ৰৱেশ কৰিবৰ বাবে সিদ্ধান্ত লোৱাত কংগ্ৰেছৰ তৰফৰ পৰা এইদলৰ লোকক জয়যুক্ত কৰিবৰ বাবে ৰাইজলৈ গোহাৰি জনোৱা হৈছিল। অসমৰ অন্যতম বিখ্যাত নেতা নবীন চন্দ্ৰ বৰদলৈয়ে ৰোহিণী হাতী বৰুৱাক জয় যুক্ত কৰিবৰ বাবে ৰাইজৰ ওচৰত আবেদন জনাইছিল। এই গোহাৰি পত্ৰ বোৰ আৰু প্ৰাৰ্থীসকলে প্ৰচাৰ কৰা গোহাৰিৰ পৰাই কাউন্সিলত প্ৰৱেশ কৰাৰ উদ্দেশ্য জানিব পাৰি। তলত আমি তাৰ আঁহি প্ৰকাশ কৰিলোঁ।

"ৰাইজৰ" প্ৰতি নিবেদন

কাউন্সিললৈ যাব নালাগে বুলি কোৱাত গলবাৰ ৰাইজে কাৰোৰ হৈ ভোট দিয়া আছিল। এইবেলি কংগ্ৰেছৰ হুকুম যে ননকো অপাৰেটৰ কোনোবাই যদি কাউন্সিললৈ যায় যাওক, তাত কোনোৱে যেন হকাবধা নকৰে। আমাৰ অসমৰ বৰ্ত্তমান ৰাজনৈতিক অৱস্থা'লৈ চাই কাউন্সিললৈ উপযুক্ত স্বাধীন চেতা মানুহযোৱা উচিত। গলবাৰ যি সকল কাউন্সিললৈ গৈছিল, তেখেতসকলৰ সহায়ভাত ৰাইজৰ অসীম জুলুমহৈ গল, এইবাৰ যেন ৰাইজে সাৱধান হৈ চাইচিন্তি ভোট দিয়ে। কাউন্সিল কৰ্মী সকলৰ ভিতৰত যাক আটাইতকৈ ৰাইজে নিৰ্ভীক বুলি ভাৱে তা কেহেযেন ভোট দিয়ে। মহাত্মা গান্ধীৰ আশা উন্নতিকামী আন্দোলনৰ সময়ত যি সকলে ৰাইজৰ মতৰ বিৰুদ্ধ বাদী আছিল আৰু আমোলাতন্ত্ৰক সহায় কৰিছিল, যি সকলে কোনো ৰাজনৈতিক বিষয়ত কেতিয়াও সংশ্লিষ্ট নাছিল, যি সকল বিদ্যা বুদ্ধিত হীন, যেৱল ধনৰ বলত আগ বাঢ়িছে, এনে মানুহক ভোট দিয়াতো ৰাইজৰ নিশ্চয় উচিত নহয়।

কংগ্ৰেছৰ ভিতৰতে এদল স্বৰাজ্য দলহৈ কাউন্সিললৈ যাবলৈ ওলাইছে। যোৰহাটত এই দলৰ পৰা শ্ৰীযুক্ত ৰোহিনীকান্ত হাতী বৰুৱা বি, এক মেম্বৰ প্ৰাৰ্থী কৰোৱা হৈছে। এওঁলোকে কোনো চৰকাৰী কাম বা অনুগ্ৰহ নলওঁ বুলি প্ৰতিজ্ঞা প্ৰত্ৰত চহী কৰিছে। আৰু কাউন্সিলৰ ভিতৰত থাকি আমোলতন্ত্ৰৰ লগত দেশৰ

হকে থুজি থাকিব বুলি প্ৰতিশ্ৰুত হৈছে। যি সকলে এইদৰে যাবলৈ ওলাইছে সেই সকলৰ বেচি ভাগেই দেশৰ নিমিত্তে কাৰাবাসভোগী আৰু আন আন নানা ৰকমে স্বাৰ্থত্যাগ কৰিছে। মই আশা কৰো বাইজৰ ভিতৰত যি সকলে ভোট দিবলৈ যায়, ওপৰত লিখা কথা বিলাক গমিপিতি চাইহে ভোট দিয়ে। ইতি।

গুৱাহাটী বিনীত

২১।১০।২৩ শ্ৰীনবীন চন্দ্ৰ বৰদলৈ।

স্বৰাজ্যদলৰ প্ৰতিজ্ঞা পত্ৰত চহী কৰি হাতী বৰুৱাই যি নিৰ্ব্বাচনী ইস্তাহাৰ প্ৰচাৰ কৰিছিল সি এই—

সবিনয় নিবেদন,

যোৰহাট মহকুমাৰ পৰা আসাম কাউন্সিলৰ মেম্বাৰ হবলৈ স্বৰাজ্য দলে মোক মনোনীত কৰাত মই মেম্বাৰ পদৰ প্ৰাৰ্থী হৈছো। স্বৰাজ্য দলৰ নিয়ম অনুযায়ী ভোটৰ-সকলে দিয়া প্ৰতিজ্ঞাপত্ৰত মই দস্তখত কৰিছোঁ আৰু মুঠতে এইৰূপে অঙ্গীকাৰ কৰিছো যে,—

(১) মই মেম্বাৰ থকা কালত চৰকাৰৰ কোনো বিষয় বা পদবী গ্ৰহণ নকৰো। আৰু

(২) স্বৰাজ্য দলে বা স্বৰাজ্য দল ভুক্ত বাইজৰ কমিটিয়ে যিবিলাক নিয়ম বান্ধি দিয়ে বা যিবিলাক উপদেশ দিয়ে মই সেই সকলোবোৰ মানি চলিম। কাৰণ কংগ্ৰেছৰ ভিতৰুৱা স্বৰাজ্য দলৰ যাই লক্ষ্যই হৈছে প্ৰজাৰ উপকাৰ কৰা।

ইয়াৰ এবিও তলত লিখা নিয়মমতে চলিবলৈ আৰু কাৰ্য্য কৰিবলৈ মই বাইজৰ ওচৰত গাত ললো যে,—

(১) মোৰ স্বাৰ্থৰ নিমিত্তে বা মোৰ আত্মীয় বা আশ্ৰিত লোকৰ স্বাৰ্থৰ নিমিত্তে মই কাউন্সিলৰ মেম্বৰ ৰূপে চৰকাৰৰ পৰা কোনো অনুগ্ৰহ বা সহায় নিবিচাৰো।

(২) জাতিধৰ্ম আৰু শ্ৰেণী নিৰ্ব্বিশেষে সকলো প্ৰজাৰ হিতৰ নিমিত্তে মই যত্ন বান হম।

যাইকৈ এইবিলাক বিষয়ে মই চেষ্টা কৰিম—(ক) প্ৰত্যেক বাৰেই মাটিৰ খাজনা বঢ়াই আৰু কেই বছৰমানৰ পৰা ঘঁাহ কৰ, হাবিৰ কাঠবনৰ ওপৰত কৰ আদি নানা প্ৰকাৰ কৰ কাটল বহুৱাই দুখীয়া বায়তৰ অৱস্থা আৰু জুকলা কৰিছে। যিমান দূৰ সম্ভৱ প্ৰজাৰ

স্বাৰ্থ-বিৰোধী কাৰ্য্যত যাতে প্ৰজাৰ টকা চৰকাৰে অন্যায়ভাৱে খৰচ কৰিব নোৱাৰে আৰু প্ৰজাৰ ওপৰত খাজনা, কৰ কাটলৰ বোজা যাতে কম হয়।

(খ) অন্যায় অত্যাচাৰ আৰু ৰাইজৰ অপকাৰ জনক আইনৰ চলন যাতে বন্ধ হয়।

(গ) ৰাজনৈতিক আন্দোলনৰ বাবে দণ্ডভোগ কৰা লোক সকলৰ মুক্তি আৰু তেখেত সকলৰ কষ্ট নিবাৰণ যাতে হয়।

(ঘ) যাতে স্বদেশী বস্তুৰ প্ৰচলন হয়।

(ঙ) হিন্দু-মুছলমানৰ ও আন আন সকলো শ্ৰেণীৰ ভিতৰত যাতে একতা হয়।

(চ) মদ ভাং কানিৰ প্ৰচলন যাতে বন্ধ হয়।

(ছ) কোনো জটিল প্ৰশ্ন বা বিষয় কাউন্সিলত আলোচনা হোৱাৰ আগতে ৰাইজৰ মতামত সদাই লম।

(ঝ) কাউন্সিলত আলোচিত বা নিষ্পত্তিহোৱা বিষয়বোৰ ৰাইজৰ সুবিধা বুজি সভা সমিতি পাতি সদাই জনাই থাকিম।

ৰাইজে জানে যে, মোৰ ছাত্ৰ জীৱন শেষ হোৱাৰ পৰাই মই নিঃস্কন ভাৱে ৰাইজৰ সেৱাত লাগি আছোঁ আৰু এইবাৰ মই মহাত্মাৰ পথাবলম্বী হৈ দেশৰ হকৰ কাৰণে থিয় হোৱাৰ বাবেই চৰকাৰৰ কোপদৃষ্টিত পৰি ফাটেকো ভুগিছিলোঁ। এতিয়াও দেশৰ আৰু ৰাইজৰ সেৱা কৰিবলৈ যথা শক্তি নিস্বাৰ্থভাৱে চেষ্টা কৰিম বুলি ভাবিয়েই মই এই কাৰ্য্যত আগ বাঢ়িছোঁ। ৰাইজৰ ওচৰত এই য়ে মোৰ নিবেদন যেন ৰাইজে মোৰ প্ৰতি সহানুভূতি-মোৰ হকে নিজৰ ভোট কি অনুগৃহিত কৰিব আৰু মই যাতে মোৰ কৰ্ত্তব্য পালন কৰিব পাৰো—ৰাইজে যেন আশীৰ্ব্বাদ দিয়ে।

ভোট দিয়াৰ দিন আগত ২০ নবেম্বৰ ৪ আঘোন মঙ্গল বাৰৰ দিনা ধাৰ্য্য কৰিছে।

ইতি

যোৰহাট ২৪ অক্টোবৰ ১৯২৩ চন	ৰাইজৰ সেৱক— শ্ৰীৰোহিণীকান্ত হাতী বৰুৱা (বি, এ)

এই বিলাক প্ৰতিশ্ৰুতিৰ মাজেদিয়েই ভোটলৈ গৈ হাতী বৰুৱা ডাঙৰীয়া কাউন্সিলত প্ৰবেশ কৰে আৰু এই প্ৰতিশ্ৰুতি পালনৰ নথৈ যত্ন কৰে।

ৰাজনৈতিক বন্দীৰ মুক্তি আদি, খদ্দৰ প্ৰচলন, শিক্ষাপ্ৰচাৰ আদি নানা বিষয়ৰ প্ৰশ্ন কৰি কাউন্সিলত এওঁলোকে যুঁজ দিয়ে। কোনো কোনো বিষয়ত চৰকাৰ দলক পৰাজিত কৰিছিল।

এনে অৱস্থা সৃষ্টি হোৱাত স্বৰাজিষ্ট দলৰ প্ৰতি থকা গান্ধীজিৰ আগৰ ভাৱ পৰিবৰ্ত্তন হল। ১৯২৫ চনৰ মে মাহত গান্ধীজি বোম্বেৰ জুহুলৈ স্বাস্থ্য পৰিবৰ্ত্তনৰ বাবে যায়। তাতেই স্বৰাজিষ্ট দলৰ নেতা দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহৰুৰ লগত পত্ৰ বিনিময় হয়। তেতিয়া গান্ধীজিয়ে এটা বিবৃতি দি কৈছিল, "বহুতো ত্যাগী আৰু দেশপ্ৰেমিক লোকেই এচেম্ব্লিত সোমাইছে। তেওঁলোকৰো দেশৰ প্ৰতি অসীম মৰম আছে। এতিয়া স্বৰাজিষ্ট দলৰ উদ্দেশ্য আৰু মনৰ মানদণ্ডৰ পৰীক্ষাৰ প্ৰশ্ন নহয়। এতিয়া প্ৰশ্ন হল কাউন্সিলত সোমোৱাটো এটা মীমাংসিত কথা নে কি? নন্ কো অপাৰেটৰ বিলাকে এতিয়াও স্বৰাজিষ্ট বিলাকৰ কাৰ্য্যৰ বিৰুদ্ধিতাই কৰিবনে নিৰপেক্ষ হব বা যত সম্ভৱ তাত সহায় কৰিব নাইবা নিজৰ নীতিতেই চলি থাকিব।

দিল্লী আৰু কোকনদৰ কংগ্ৰেছৰ সিদ্ধান্তত এচেম্ব্লিত সোমোৱা সকলৰ প্ৰতি সিমান বাধা বাধকতা নাছিল। আৰু কংগ্ৰেছত তেওঁ লোকৰ কাউন্সিল প্ৰবেশৰ বিষয় কোনো সৰ্ত্ত দিয়া নাছিল। যদি তেওঁলোকে দেশৰ উপকাৰ কৰিব পাৰে ভালেই হয় আৰু আমাৰ ভুল ভাগিব। যদিও মই তেওঁলোকে লোৱা ব্যৱস্থাত কাৰ্য্যকৰী ভাৱে সহায় কৰিব নোৱাৰো তথাপিও মই অন্য কাকো তেওঁলোকৰ বিৰুদ্ধ প্ৰচাৰ কৰি বাধা জন্মাবলৈ কব নোৱাৰো। সেই দেখি স্বৰাজিষ্ট সকলক তেওঁলোকৰ কাম সমাধা কৰিবলৈ এটা সুবিধা দিয়া হওক।

মই কাউন্সিলত সোমোৱা হলে কংগ্ৰেছৰ গঠনমূলক কামত জোৰ দিলোহেঁতেন। প্ৰাদেশিক আৰু কেন্দ্ৰীয় চৰকাৰক মই প্ৰশ্ন কৰলোহেতেন—

(১) তেওঁলোকে কিনা সকলো কাপোৰ হাতে কটা সুতাৰ হাতে বোৱালোৱা।

(২) বিদেশী কাপোৰত বাধা দান হিচাবে কৰ বহুওৱা।

(৩) মদ আৰু বাগিয়াল বস্তুৰ ওপৰত কৰ বহুওৱা। সৈন্যৰ খৰচ কমোৱা।

যদি চৰকাৰে পৰিষদত এইবোৰ গৃহীত হোৱাতো কামত খটাবলৈ মান্তি

মহলহেঁতেন তেতিয়া হলেমই তেওঁলোকক পৰিষদ ভাঙি দিবলৈ আহ্বান কৰিলোঁ-হেতেন আৰু কোনো বিশেষ বিষয়ৰ ওপৰত ভোটাৰৰ ভোট লবলৈ কলো হেঁতেন। যদি চৰকাৰ ভাগি নগলহেতেন, মই পদত্যাগ কৰি দেশক আইন অমান্যৰ বাবে সাজু হবলৈ কম। যদি এনে অৱস্থা সৃষ্টি কৰিব পাৰে তেন্তে স্বৰাজিস্ট বিলাকে মোক তেওঁলোকৰ লগত কাম কৰা দেখিবলৈ পাব। মোৰ আইন অমান্যৰ প্ৰতিটো বিষয় এইদৰেই জড়িত হৈ আছে।

ইতিমধ্যে গোৰ'পন্থী সকলে স্বৰাজিষ্টবিলাকৰ এই পৰীক্ষ মূলক সময়খিনিত কি কৈছে বা কি কৰিছে, সেই বিষয়ে বিৰক্তিবোধ নকৰি, নিজৰ বিশ্বাসমতে গঠনমূলক কামত লিপ্ত থাকি নিজৰ বিশ্বাস প্ৰতিপন্ন কৰক। খদ্দৰ প্ৰচলন, জাতীয় বিদ্যালয় স্থাপন, হিন্দুমুছলমান ঐক্য এই বোৰত ধৰিব পাৰে। এখেত সকলে গঠনমূলক কামত আত্ম নিয়োগ কৰাটোহে প্ৰকৃত কাউন্সিল প্ৰবেশৰ বিৰুদ্ধতা কৰা হব। আৰু স্বৰাজিষ্ট সকলেও ফলাফলৰ ওপৰত হে' কাউন্সিল প্ৰবেশৰ যুক্তি যুক্ততা প্ৰমাণ কৰিব পাৰিব।

দুয়ো দলেই যি ক্ষেত্ৰত পাৰে সহযোগ কৰি কাম কৰা উচিত।”

গান্ধীজিৰ এই বিবৃতিৰ পাচত পণ্ডিত মতিলাল নেহৰু আৰু ছি, আৰ, দাসে এক যুক্ত বিবৃতি দিয়ে। সেই বিবৃতিত তেখেত সকলে পৰিষদৰ ভিতৰে আৰু বাহিৰে কৰা কামৰ এটা কাৰ্য্য সূচীৰ ধাৰণা দিয়ে।

“(১) আমাৰ দাবীৰ ভিত্তিত চৰকাৰৰ নীতি পৰিবৰ্ত্তন নকৰালৈকে বা পাৰ্লিয়ামেণ্ট বা এইদেশৰ লোকৰ মাজত এটা যুক্তি নোহোৱা পৰ্য্যন্ত আমি বাজেট অগ্ৰাহ্য কৰিম। এনে কেইটিমান বিষয়ৰ কথা দাঙি ধৰা দৰ্কাৰ, এই বিলাক কমবেছি প্ৰাদেশিক চৰকাৰতো খাটে।

১৩১ কোটি টকাৰ ভিতৰত (ৰেলওৱে বাদ দি) মাত্ৰ ১৬ কোটি টকাত হে ভোট দিব পৰা যায়। বিশেষকৈ ভোট দিব নোৱৰা টকাৰ ভিতৰত ৬৭ কোটি টকা অৰ্থাৎ আধাতকৈ বেছি টকা সৈন্য বিভাগত খৰচ হয়। এইটো এতিয়া প্ৰমাণিত যে, এই দেশৰ মানুহেকেৱল বাজেটৰ ⅕ অংশতহে ভোট দিব পাৰে আৰু ভাৰে' সৰ্ব্ব বৰলাটৰ ওপৰত ন্যস্ত থাকে। এতিয়া এইটো স্পষ্ট যে, জনতাৰ বাজেট তৈয়াৰৰ

কোনো মাত নাই আৰু যি দলে বাজেট তৈয়াৰ কৰে তেওঁলোকৰ ওপৰতো কোনো শাসন নাই। খাজনা বঢ়োৱা বা খৰচ নিৰ্ণয় কৰাত একো ক্ষমতা নাই। তেনে হলে কি নীতিত আমি এই বাজেট গ্ৰহণ কৰিম বা ইয়াৰ এটা দল হৈ তাৰ দায়িত্ব বহন কৰিম, —এইটো আমি সুধিব পাৰোনে? আমাৰ দৃঢ় বিশ্বাস যে, আমাৰ এই কথাত এই দেশৰ বহুতো আত্মগৌৰৱ সম্পন্ন লোকৰ সমৰ্থন আছে। গতিকে এইটো আমাৰ পৰিষ্কাৰ পথ যে, এই পদ্ধতিৰ পৰিবৰ্তন নোহোৱা পৰ্য্যন্ত আমি ইয়াৰ সকলো পাৰিষদতেই অগ্ৰাহ্য কৰিব লাগিব।

(২) যিবিলাকত আমোলাতন্ত্ৰই তেওঁলোকৰ ক্ষমতা কটকটীয়া কৰিব খোজে, তেনে ধৰণৰ সকলোবোৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰা।

(৩) আমাৰ জাতীয় জীৱনৰ গঠন হোৱাত সকলো প্ৰস্তাৱৰ প্ৰচেষ্টা আৰু বিল উত্থাপন কৰা হব—যাতে লাহে লাহে আমোলাতন্ত্ৰৰ পাঁজা খহি পৰে। আৰু আমি ভাবো যে, কংগ্ৰেছৰ গঠন মূলক আচনি সমৰ্থন গান্ধীজিয়ে উল্লেখ কৰা প্ৰস্তাৱ মতে স্বৰাজ্য পাৰ্টিয়ে নিশ্চয় গ্ৰহন কৰিব।

(৪) সেই একে নীতিকেই ভিত্তি কৰি অৰ্থ নৈতিক নীতি লোৱা হব যাতে সকলো ধৰণৰ প্ৰধান শোষণৰ কাৰ্য্যত বাধা দি জনতাৰ শোষণৰ নলী বন্ধ কৰিব পাৰি।

পৰিষদৰ বাহিৰত নীতি এনেদৰে হব—প্ৰথমতে গান্ধীজিৰ গঠন মূলক আচনিত পূৰ্ণ সমৰ্থন জনাম আৰু কংগ্ৰেছ প্ৰতিষ্ঠানৰ লগত ঐক্যবদ্ধভাবে কাম কৰিম। আমাৰ এইটো দৃঢ় অভিমত যে, পৰিষদৰ বাহিৰত গঠন মুলক কামৰ বিনা সমৰ্থনত আমাৰ পৰিষদত শক্তি সঞ্চয় কৰিব পৰা নহব। আমি এই গঠনমূলক কাৰ্য্য গ্ৰহণ কৰা বিষয়ত গান্ধীজিৰ আইন অমান্যৰ পৰামৰ্শ গ্ৰহণ কৰিম। আমি এইটো স্থিৰভাৱে জনাও যে, যি মুহূৰ্ত্ততেই আমি আমোলাতন্ত্ৰৰ স্বাৰ্থ পৰতাৰ উপযুক্ত সমিধান দিব নোৱাৰিম সেই মুহূৰ্ত্তেই আমি পৰিষদৰ পৰা অৱসৰ লৈ দেশক আইন অমান্যৰ বাবে সাজু কৰিবলৈ তেখেতৰ পাচত থিয় দিম। যদি সেই সময়ত দেশ সাজু নহয় তেতিয়া তেখেতৰ মতত কংগ্ৰেছৰ জৰিয়তে কাম কৰিম যাতে ঐক্যবদ্ধ আইন অমান্যৰ এটি উপযুক্ত আচঁনি গঢ়িব পাৰো।

দ্বিতীয়তে আমি গোটেই দেশতেই কৃষক আৰু শ্ৰমিক অনুষ্ঠান বোৰত কংগ্ৰেছক

সহায় কৰিম। শ্ৰমিকৰ সমস্যাটো প্ৰত্যেক দেশতেই কঠিন সমস্যা; বিশেষত্ব ভাৰতত আৰু কঠিন। আনহাতে আমি এটা সাংগঠনিক পথ বাহিৰ কৰিব লাগিব, যাতে ধনিক আৰু জমিদাৰে শ্ৰমিকক শোষণৰ পথ ৰুদ্ধ কৰিব পৰা যায়। আনহাতে আমি লক্ষ্য ৰাখিব লাগিব—যাতে এইবোৰ অনুষ্ঠানে নিজে নিজেই অত্যাচাৰিত নহয় বা অযুক্তি কৰ দাবী নকৰে। এই দৰেই ট্ৰেড ইউনিয়ন কংগ্ৰেছ সংগঠন কৰিব লাগিব।”

স্বৰাজিষ্ট দলৰ এনে নীতি আৰু আদৰ্শ লৈয়েই ৰোহিণী কান্ত হাতী বৰুৱাই এচেম্ব্লিত প্ৰবেশ কৰে। তেখেতে কাউন্সিলত যোগ্যতাৰে নিজৰ কৰ্ত্তব্য পালন কৰে।

বন্ধু বান্ধৱেৰে কংগ্ৰেছত

হাতী বৰুৱা আছিল এজন যোগ্য নেতা। কংগ্ৰেছৰ নেতা কৰ্মী সকলোকে তেও সমান চকুৰে চায়।

শ্ৰেষ্ঠজনক ভক্তি কৰে, সৰু জনক মৰম কৰে। তৰুণ ৰাম ফুকন, নবীন বৰদলৈৰ সোঁহাত স্বৰূপেই কাউন্সিলত হাতী বৰুৱাই কাম কৰি গল। কৰ্মই তেওঁৰ প্ৰাণ। কংগ্ৰেছ কমিটিবোৰ গঠন কৰাত অক্লান্ত পৰিশ্ৰম কৰিছিল। নিজৰ লগৰীয়া কৰ্মীসকলক যিদৰে পাৰে সহায় কৰিবলৈ তেখেতে পিচ মুহঁহকিছিল। শ্ৰীঅমিয় কুমাৰ দাস সেই সময়ত “অসমীয়া” কাকতৰ সম্পাদক আছিল। হাতী বৰুৱাই কংগ্ৰেছৰ বা নিজৰেই নানা প্ৰবন্ধ আদি দি কাকত খনৰ সৌষ্ঠৱ বঢ়াইছিল। সেই সময়ৰ ‘অসমীয়া’ত হাতী বৰুৱাৰ কাউন্সিলৰ আলোচনা বোৰ প্ৰকাশ পাইছিল। যোৰহাটৰ কংগ্ৰেছ নেতা শ্ৰীদেবেশ্বৰ শৰ্মাৰ লগত ৺হাতীবৰুৱাৰ বিশেষ সৌহাৰ্দ্দ্য আছিল। তেখেত সকলে যোৰহাটত একে লগেই কংগ্ৰেছ গঢ়িছিল। জেললৈয়ো গৈছিল।

অসমৰ বিশিষ্ট কৰ্মী আৰু সমাজতন্ত্ৰীনেতা শ্ৰীশঙ্কৰ চন্দ্ৰ বৰুৱাৰ লগতো হাতী-বৰুৱাৰ বিশেষ বন্ধুত্ব আছিল। বহুক্ষেত্ৰত এখেত সকল দুয়োজনেই লগ লাগি কংগ্ৰেছ গঢ়িছিল আৰু বহুতো নিৰ্য্যাতন ভোগ কৰিছিল। হাতী বৰুৱা কলিকতাত থাকোতেও

শ্ৰীবৰুৱাই তেখেতৰ লগত কংগ্ৰেছ গঠনৰ বিষয়ে নানা পৰামৰ্শ কৰিছিল। শিৱসাগৰ জিলাত কংগ্ৰেছ গঠন কৰাত শ্ৰীশঙ্কৰ চন্দ্ৰ বৰুৱাৰ অৱদান কম নহয়। সেই সময়ৰ কংগ্ৰেছ বিৰুদ্ধ বহুতো লোক হয়তো আজি কংগ্ৰেছৰ নেতা। শঙ্কৰ বৰুৱাক আজি হয়তো সেই সকলে চিনি নাপায়। কিন্তু দেশৰ স্বাধীনতা সংগ্ৰামত এই জন পুৰুষৰ নাম চিৰস্মৰণীয় হৈ ৰব। দেশক ভালপোৱা লোকে শঙ্কৰ বৰুৱাৰ নাম নললে অন্যায় কৰা হব।

শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী, গড়মূৰীয়া সত্ৰাধিকাৰ প্ৰভুৱে হাতী বৰুৱাৰ লগতেই কংগ্ৰেছত যোগ দিয়ে। বিশেষকৈ হাতীবৰুৱা দেৱৰ চেষ্টাতেই প্ৰভুৱে কংগ্ৰেছত যোগদি আশাশুধীয়া ভৱে লাগিবলৈ প্ৰেৰণা পালে বুলিব লাগে। এবাৰ যোৰহাটত কংগ্ৰেছৰ এখন প্ৰদৰ্শনী পাতিছিল আৰু তাত সভাপতিত্ব কৰিবলৈ হাতীবৰুৱাই প্ৰভুক মাতি আনে আৰু সেই সময়ৰ পৰাই তেখেতে কংগ্ৰেছত যোগ দিলে।

যোৰহাটৰ বিশিষ্ট আৰু নিঃস্বাৰ্থ দেশ সেৱক সকল হাতী বৰুৱাৰ বন্ধু আৰু কৰ্মী আছিল। পদ্মেশ্বৰ গোস্বামী, শশীধৰ মলিয়া বৰুৱা, মহেশ্বৰ কটকী, সৰ্ব্বেশ্বৰ বৰ চেতিয়া আদিয়ে সেই সময়ত কংগ্ৰেছক ৰূপ দিবলৈ অসীম যত্ন কৰিছিল। দন্তদেৱ গোস্বামী যাক "ডবল গোসাই" বুলি কয়—তেখেতেও এই সময়ত দেশ সেৱাত বৰঙনি যোগাইছিল। দেশৰ কামত নিজকে বিলুপ্ত কৰি ৰখাৰ মাজতে তেখেতে দিল্লী, মাদ্ৰাজ, এলাহাবাদ, শান্তিনিকেতন আদি ঠাইলৈ গৈছিল। বিভিন্ন সময়ত এই ঠাইবোৰলৈ গৈ তেখেতে ছি, এফ, এণ্ড্ৰুজ আৰু মহাত্মা গান্ধীক লগ ধৰিছিল। আগ্ৰাৰ প্ৰাচীন কীৰ্ত্তি চিনবোৰ এবাৰ তেখেতে চাই আহে। দিল্লীৰ এচেম্ব্লিৰ অধিবেশন এবাৰ চাই তাতেই মহাত্মা গান্ধীৰ লগত স্বৰাজিষ্ট সকলৰ কাৰ্য্যসূচী আৰু অসমৰ অৱস্থাৰ বিষয়ে তেখেতে আলোচনা কৰে। জৱহৰলাল নেহৰুৰ লগতো তেখেতৰ তাতেই চিনাকি হয়। আনকি ভাৰতৰ গবৰ্ণৰ জেনেৰেল মৰিৰ লগতো তেখেতে অসমৰ বিষয়ে আলোচনা কৰিছিল।

পাণ্ডু কংগ্ৰেছত—

সহযোগ আৰু অসহযোগ আদি দুই মত বাদৰ আলোচনাৰ থৌকি বাথৌকি লাগি থকা অৱস্থাতেই গুৱাহাটীত কংগ্ৰেছৰ ৪১ শ অধিবেশন বহে। তেতিয়া ১৯২৬

চনৰ ডিচেম্বৰ মাহ। ইতিমধ্যে দেশত হিন্দু মুছলমানৰ বিভেদৰ সূত্ৰপাত হয়। ১৯১৯ চনৰ ৩১ মাৰ্চৰ দিল্লীৰ বিৰাট শোভাযাত্ৰাৰ নেতৃত্ব দিয়া, গোড়াপুলিচে গুলী দিয়াৰ ভাবুকি দিয়াতো নিভীক চিত্তে থিয়দি থকা বীৰ দেশ প্ৰেমী স্বামী শ্ৰদ্ধানন্দক নৰিয়া পাটীত পৰি থকা অৱস্থাতেই এজন মুছল মানে হত্যা কৰে। গুৱাহাটীত ইপিনে কংগ্ৰেছ আৰম্ভ হৈছে আৰু সেইদিনা ৰাতিৰে শোভাযাত্ৰা কৰাৰ কথা আছিল। পিচে, এই মৰ্মান্তিক খবৰ পোৱাত শোভাযাত্ৰা বন্ধ কৰা হয়। তামিলনাদৰ নেতা ৺শ্ৰীনিবাস আয়েঙ্গাৰে এই কংগ্ৰেছত সভাপতিত্ব কৰে।

স্বামী শ্ৰদ্ধানন্দৰ হত্যাকাণ্ডত শোকৰ প্ৰস্তাৱ গ্ৰহণ কৰিয়েই কংগ্ৰেছ সভাৰ কাম আৰম্ভ কৰা হয়। সভাপতি আয়েঙ্গাৰে এই সমিলনত স্বৰাজিট দলৰ বিষয়ে উল্লেখ কৰি কৈছিল—"মন্ত্ৰী বিলাকক পৰোক্ষ ভাৱে হলেও বিৰোধী দলৰ বিৰুদ্ধতা শক্তিশালী আৰু আমি যদি শৃঙ্খলাবদ্ধভাৱে, সক্ৰিয়ভাৱে যথেষ্টসংখ্যক হওঁ, তেন্তে কাউন্সিলত আমাৰ আচনৰ মন্ত্ৰী সকলতকৈও খুব উজু ভাৱেই চলাই নিবপাৰিম।" তেখেতে অভিভাষণত দেশৰ প্ৰধান সমস্যাবোৰ বিশেষকৈ অৰ্থনৈতিক অৱস্থা, সাম্প্ৰদায়িকতা, খদ্দৰ প্ৰচলন, অস্পৃশ্যতা দূৰীকৰণ, বাগীয়াল বস্তু বৰ্জন, দেশৰ স্বাৰ্থৰ বাবে সহণশীলতাৰ বিষয়ে কৈ দেশৰ ঐক্যৰ ওপৰত জোৰ দিছিল। স্বামী শ্ৰদ্ধানন্দজীক হত্যা কৰালোকজনক গান্ধীজিয়ে "ভাই" বুলি কৈছিল। আয়েঙ্গাৰে এই কথাৰ যুক্তি যুক্ততা দি কৈছিল, "তেওঁৰ গাত দোষ নাই। যি এই সম্প্ৰদায়িকতাৰ বীজ সিঁচিছে, সিহে এই ঘটনাৰ বাবে দায়ী।"

কেনিয়াত প্ৰবসুৱা ভাৰতবাসীৰ ওপৰত গামুৰি কৰ বৃদ্ধিৰ বিষয় ইয়াত প্ৰতিবাদ কৰি প্ৰস্তাৱ গৃহীত হয়। কাউন্সিলত কৰিব লগীয়া কামৰ আঁচনিও দিয়া হয়। মন্ত্ৰীত্ব লব নোৱাৰিব বা চৰকাৰৰ দান হিচাবে অন্য কোনো অফিছো লব নোৱাৰিব। আৰু অন্যান্য দলেও মন্ত্ৰীত্ব লোৱাৰ বিৰুদ্ধিতা কৰিব লাগিব যি পৰ্য্যন্ত জাতীয় দাবীৰ এটা সন্তোষজনক সমাধান চৰকাৰৰ পৰা পোৱা নহয়।

আমোলাতন্ত্ৰই ক্ষমতা সঞ্চয় কৰিব পৰা কোনো কামতেই সহায় নকৰিব।

জাতীয় জীৱনৰ উন্নতিৰ বাবে প্ৰস্তাৱ উত্থাপন কৰা, বিল দাঙি ধৰা, যাতেনে কোনো কাৰ্য্য সমৰ্থন কৰা যাতে এইবোৰে অৰ্থনৈতিক, কৃষি, শিল্প, বাণিজ্য বিষয়ক

দেশৰ স্বাৰ্থ পূৰণ কৰিব পাৰে। আৰু জনস্বাৰ্থ ৰক্ষা, বক্তৃতা দিয়াৰ স্বাধীনতা, সমাজ সংগঠনৰ স্বাধীনতা, প্ৰচাৰৰ স্বাধীনতা আৰু আমোলাতন্ত্ৰৰ শক্তি ক্ষয় কৰা।

কৃষিজীৱিলোকৰ উন্নতিমূলক ব্যৱস্থা।

সাধাৰণতঃ শ্ৰমিক, কৃষিজীৱি আৰু শিল্পজীৱিৰ স্বাৰ্থ ৰক্ষা, জমিদাৰ আৰু কৃষকৰ মাজত সম্বন্ধ অটুট ৰখা, ধনতান্ত্ৰিক আৰু কৰ্মজীৱিৰ মাজত সম্বন্ধ ৰক্ষা।

এটা প্ৰস্তাৱেৰে বঙ্গদেশৰ ৰাজনৈতিক বন্দী বিলাকৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰৰ বাবে চৰকাৰক গৰিহনা দিয়া হয়।

এই কংগ্ৰেছত জুৰিকৰ দুজন প্ৰফেছৰ আৰু ভূতপূৰ্ব ভাৰত সচিব পেথিক লৰেন্স সস্ত্ৰীক উপস্থিত আছিল।

পাণ্ডু কংগ্ৰেছৰ নানা দিক

অভ্যৰ্থনা সমিতিৰ তলত ১২ খন (Sub-Committee) উপ কমিটি গঠন কৰা হয়।

অভ্যৰ্থনা সমিতি :—

১। দেশভক্ত তৰুণৰাম ফুকন বাৰ এট্-ল সভাপতি।

২। সহকাৰী সভাপতি সকল—

শ্ৰীকুলধৰ চলিহা, চন্দ্ৰধৰ বৰুৱা, প্ৰসন্ন কুমাৰ বৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, উমাচৰণ সেন, নাগৰমল আগৰৱালা, মৌঃ ফৈজনুৰ আলি।

৩। সাধাৰণ সম্পাদক কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ।

৪। সহকাৰী সম্পাদক—ৰোহিণীকান্ত হাতীবৰুৱা, গোপীনাথ বৰদলৈ, মৌঃ মহম্মদ তৈয়বুল্লা।

৫। আণ্ডাৰ চেক্ৰেটাৰী—লক্ষ্মীধৰ শৰ্মা।

কংগ্ৰেছ নগৰ

গুৱাহাটীৰ পৰা ৪ মাইল পশ্চিমে পাণ্ডুত কংগ্ৰেছ মহা সভা বহে। কামাখ্যা পাহাৰৰ নামনিতেই এই নগৰ সজা হয়। কংগ্ৰেছ নগৰখন দুটা প্ৰধান ভাগত ভাগ

কৰা হৈছিল—প্ৰধান বহা ঠাই আৰু নেতা সকলৰ কেম্প। নেতা সকলৰ কেম্পটো ৰেলওৱে কোম্পানীৰ মাটিত সজা হৈছিল। আৰু ই আচল সভা বহা ঠাইৰ পৰা আধা মাইল পশ্চিমে আছিল। এই নগৰখন ১০৫ একৰ মাটি জোৰাকৈ সজা হৈছিল।

সভাপতিৰ বাবে সজা কেম্পটোৰ নাম "চিত্তৰঞ্জন নগৰ" দিয়া হৈছিল। ১৯২৫ চনৰ ১৬ জুনৰ দিনা মিঃ ছি, আৰ, দাশৰ দাৰ্জিলিঙত মৃত্যু হয়। গান্ধীজিয়ে বঙ্গদেশত থাকি এখেতৰ স্মৃতি ৰক্ষাৰ্থে দহ লাখ টকা সংগ্ৰহ কৰে। আৰু দাশৰ ঘৰ ১৪৮ নং ৰাসা ৰোডত তিৰোতা আৰু শিশু চিকিৎসাৰ বাবে এখনি হস্পিতাল তৈয়াৰ কৰে। এই জন পুৰুষৰ সন্মানাৰ্থেই এই "চিত্ত ৰঞ্জন নগৰ" নাম দিয়া হয়।

কংগ্ৰেছ নগৰলৈ সোমোৱা কেৱা খনো গেট। প্ৰধান খনৰ নাম "স্বৰাজ গেট"। পশ্চিম খনৰ নাম "গান্ধী গেট"; দক্ষিণ খনৰ নাম "আন্সাৰি গেট"। গোটেই নগৰখন নগাৱঁৰ খদ্দৰৰ কাপোৰেৰে সজোৱা হৈছিল।

প্ৰতিনিধি আৰু দৰ্শকৰ সুবিধাৰ বাবে পানীকল বহুৱা হৈছিল। সেই কলেদি প্ৰতি ঘণ্টাত ৩০,০০০ গেলন পানী যোগান ধৰা হৈছিল। এটা অস্থায়ী ৰেলওৱে ষ্টেচন, পোষ্ট আৰু টেলিগ্ৰাফ্ অফিচো খোলা হৈছিল। ৫১০০ জন প্ৰতিনিধি আৰু দৰ্শকৰ বাবে থকা মেলাৰ ব্যৱস্থা কৰা হৈছিল। প্ৰদৰ্শনী বহুওৱা ঠাইৰ নাম পাণ্ডৱ নগৰ দিয়া হৈছিল।

অসমলৈ এই কংগ্ৰেছ নিমন্ত্ৰণ কৰি আনি ইয়াক কৃতকাৰ্য্য কৰি তোলা কম কথা নাছিল। কাৰণ সেই সময়ত আজিৰ দৰে গুৱাহাটীত সুচল নাছিল। গতিকে ই এটা অভূতপূৰ্ব্ব ঘটনা হোৱা বুলি ক'ব লাগিব। এই সভা চাবলৈ অসমৰ বিভিন্ন ঠাইৰ পৰা যাত্ৰী আহিব ধৰিলে। ভাৰতৰ গৌৰৱৰ স্থল নেতৃবৃন্দ ইয়াত সমবেত হলহি। বাছ, মটৰ, ৰেল সকলো পিনেদি মানুহ আহিব ধৰিলে। খোজ কাঢ়িও দলে দলে মানুহ আহিব ধৰিলে। অসমৰ প্ৰাগ্‌জ্যোতিষপুৰৰ পূৰ্ব্বৰ গৌৰৱ আকৌ উজ্জ্বল হৈ উঠিল। স্বাধীনতা আন্দোলনৰ বীৰ সকলৰ আগমনত লাঞ্চিতৰ দেশৰ ডেকাৰ ধমনিত স্বাধীন তেজ বৰলৈ ধৰিলে। জননীৰ মুক্তিৰ আকাঙ্খা অসমীয়াৰ প্ৰাণত আকৌ সঞ্চাৰ হল। প্ৰকৃতিৰ জীয়ৰী, ভাৰতৰ

সুৰুঙী জীব সন্তান বৃন্দই ভাৰতৰ স্বাধীনতা যুজৰ নেতৃবৃন্দক অভিনন্দন জনালে ৺উমেশ চৌধাৰীৰ—

"স্বাগত স্বাগত ভক্ত সমাগত
সেৱক বৃন্দ সুধীৰ
ভবিষ্যত ভৰষা চেনেহী জননী
জগত জিলিকে আজি জ্বলন্ত সত্য
অচেতন শত কোটি সন্তান মৰ্ত্তাৰ
ইযেঃ হীন আয়োজন—জননীৰ।"

আৰু

শ্ৰীঅম্বিকা গিৰি ৰায়চৌধাৰীৰ—

"আজি বন্দে কি ছন্দেৰে সমাগত বিৰাট
নৰনাৰায়ণ ৰূপ
পঙ্কিল পৰাধীন শঙ্কিত চিত্ত মন
নাই ফুল চন্দন ধুনা-ৰে।"

প্ৰায় পঞ্চাশ জন মান ডেকা লৰাৰ সঙ্গীতৰ ধ্বনিত শ্ৰীপ্ৰফুল্ল বৰুৱা বৰ্ত্তমান এম, পি; আৰু ৺উমেশ চৌধাৰীৰ পৰিচালনাত সভামণ্ডপ জিনি তাৰ ধ্বনি ব্ৰহ্মপুত্ৰত প্ৰতিধ্বনিত হৈছিল।

এই কংগ্ৰেছক সাফল্য মণ্ডিত কৰিবৰ বাবে তৰুণ ফুকন, নবীন বৰদলৈ, কুলধৰ চলিহা আদি নেতৃবৃন্দৰ খাটনিৰ সীমা নাছিল। বৰদলৈয়ে গুৱাহাটীৰ নিজৰ ঘৰকে দেখা পোৱা নাছিল।

ৰোহিণী হাতী বৰুৱাৰ খাটনিৰ কথা বৰ্ণনাতীত। কোন দিন নাখায়েই থাকিব লগীয়া হৈছিল। এখেত সকলৰ উপৰিও অসংখ্য কৰ্মীয়ে দিন ৰাতি ছেদভেদ নোহোৱাকৈ খাটিছিল। পাণ্ডু অধিবেশনে অসমৰ গৌৰব অটুট ৰাখিলে। কংগ্ৰেছ মহাসভা কৃতকাৰ্য্যৰে সমাপ্ত হল। বাহিৰত সকলো ঠিকেই আছিল কিন্তু ভিতৰি দেখা গল যে, বহুতো টকা ধাৰ লাগিল। এই ধাৰৰ বোজা বহন কৰিব লগীয়া হল দেশভক্ত তৰুণ

ফুকনে আৰু ৰোহিনী হাতী বৰুৱাই। দেশ মাতৃকাৰ যজ্ঞত এই সকল পুৰুষে নিজক সৰ্ব্বস্বান্ত কৰিলে।

পাণ্ডু কংগ্ৰেছত কৰা অপৰিসীম পৰিশ্ৰমৰ বাবেই হাতী বৰুৱাৰ স্বাস্থ্য ভঙ্গ হল। ইয়াৰ পৰা মৃত্যু পৰ্য্যন্ত তেওঁৰ শৰীৰ ৰুগীণ হল বুলিব লাগে।

দ্বিতীয় বাৰ কাউন্সিলত প্ৰতিদ্বন্দ্বিতা

১৯২৬ চনত পুনৰ কাউন্সিলৰ নিৰ্ব্বাচনত যোৰহাটৰ পৰাই পুনৰ প্ৰাৰ্থী হয়। সেই সময়ত তেখেতে প্ৰচাৰ কৰা গোহাৰিত এই কেইটা কথাই ঠাই পাইছিল।—

(১) গবৰ্ণমেণ্টৰ সকলো বিভাগতে অযথা উপকৰা খৰচ কমোৱা।

(২ অসমীয়া মানুহে সুবিধা মতে চাহখেতি আৰু আন আনখেতি কৰিবলৈ বেছিকৈ যাতে মাটি পায় তাৰ ব্যৱস্থা কৰা আৰু সেই ব্যৱস্থা মতে এতিয়া লক্ষীমপুৰ জিলাত উজনি বুঢ়া দিহিং খণ্ডত অসমীয়া মানুহে বেছিকৈ মাটি পাইছে।

(৩) অসমৰ শিক্ষাকেন্দ্ৰ গুৱাহাটিত মিউজিয়াম বা যাদুঘৰ কৰা।

(৪) গুৱাহাটীৰ কটন কলেজত বোটানী বা উদ্ভিজ বিষয়ৰ শিক্ষা দিয়া।

(৫) অসমৰ শিক্ষিত ডেকা সকলৰ মাজত অন্ন সংস্থানৰ ব্যৱস্থা কৰা অৰ্থাৎ গবৰ্ণমেণ্টৰ যোগেদি ডেকা সকলক জীৱিকা উপায়ৰ বাট দিয়া।

(৬) যোৰহাটৰ ওচৰৰ ভোগদৈৰ মঠাউৰি বান্ধোৱাৰ পুনঃ পুনঃ চেষ্টা।

(৭) গাৱলীয়া বাট পদূলি আৰু শিক্ষাৰ বাবে বেছি টকা মঞ্জুৰ কৰোৱা ইত্যাদি।

এই দৰে কামৰ আঁচনি লৈ তেখেত বাইজৰ ওচৰত নিজৰ প্ৰাৰ্থীত্ব দাঙি ধৰে। বাইজেও আগৰ তিনি বছৰৰ কাউন্সিলৰ কাৰ্য্যাৱলীও জানে। বিশেষকৈ ভলত দিয়া বিষয়ে কাউন্সিলত তেখেতে সংগ্ৰাম কৰাৰ কথা বাইজে জানে—খাজনাৰ বিৰুদ্ধে, বাইজক খেতিৰ বাবে আৱশ্যকীয় মাটি দাবী; কোৰ্ট ফি আদিৰ মূল্য হ্ৰাস, প্ৰাথমিক শিক্ষা প্ৰচলন আৰু অন্যান্য চৰকাৰৰ বাইজ-বিদ্বেষী কাৰ্য্যৰ প্ৰতিবাদ।

তেখেতৰ বিৰুদ্ধে প্ৰাৰ্থী হিচাবে থিয় দিলে অসমৰ বিখ্যাত চাহ খেতিয়ক,

অসমৰ ধন কুবেৰ নামে জনাজাত ৺শিব প্ৰসাদ বৰুৱা। এপিনে ধন আৰু আনপিনে কৰ্মৰ প্ৰতিশ্ৰুতিৰে ভোট যুদ্ধ চলিল বুলিব লাগে। শেষত বাইজৰ সেৱক ৰোহিণী হাতী বৰুৱাৰ জয় হল। ৮০০ ভোটত শিব প্ৰসাদ বৰুৱাক পৰাজয় কৰিলে। এইবাৰ তেখেত মৃত্যু পৰ্য্যন্ত কাউন্সিলৰ সদস্য হৈ থাকিল।

ঘৰুৱা জীৱন—নানা সভা সমিতিত

তেখেতৰ সাংসাৰিক জীৱনৰ কাল নিচেই চুটি। দেশৰ কামত জীৱন উছৰ্গা কৰি তেখেতে সাংসাৰিক জীৱন ধাৰণৰ কথা চিন্তা কৰিবলৈ সময় নাপাইছিল। অৱশেষত ১৯২৮ চনৰ ১৫ আহাৰত তেখেতে অসমৰ সাহিত্য গুৰু পদ্মনাথ গোহাঁই বৰুৱাৰ ৩য়া কন্যা শ্ৰীমতী শান্তি প্ৰভা আইদেওক বিয়া কৰায়। পাণ্ডু কংগ্ৰেছৰ পৰাই তেখেতৰ স্বাস্থ্য ভাগি পৰিছিল। এই সময়ত স্বাস্থ্য একেবাৰেই ভাল নাছিল বুলিব লাগে। সাংসাৰিক সুখ তেখেতে বেছি দিন ভোগ কৰিবলৈ নাপালে। তেখেতৰ একেটি মাত্ৰ কন্যা শ্ৰীমতী মাধৱ হাতী বৰুৱা গৰ্ভাৱস্থাত থাকোতেই মৃত্যু হয়। দেউতাক চুকোৱাৰ তিনি মাহৰ পাচত হে এই ছোৱালীটি ভূমিষ্ঠ হয়। এওঁক গোলাঘাট মৰঙীৰ শ্ৰীমহেশ্বৰ বৰ গোহাইলৈ বিয়া দিছে। ধৰ্ম-চৰ্চ্চা, সাহিত্য চৰ্চ্চাও হাতীবৰুৱাই কৰিছিল। ১৯২৫ চনত কলিকতাত থাকোতে শঙ্কৰদেৱৰ গ্ৰন্থাৱলী তেখেতে ভালদৰে অধ্যয়ন কৰে। ভালে কেই জন সাহিত্যিকৰ লগত সাহিত্য সম্পৰ্কে আলোচনা কৰিবলৈয়ো সুবিধা পায়। ধৰ্ম চৰ্চ্চাতো তেখেতে সময় পালে মন দিছিল। এবাৰ তেখেতে চেঁচা সত্ৰৰ শ্ৰীত্ৰিনয়ণ চন্দ্ৰ গোস্বামীৰ লগত ধৰ্মালোচনা কৰিছিল। এই আলোচনা প্ৰসঙ্গত শৰণৰ আচল মৰ্ম কেই দফাৰ কথা হাতীবৰুৱাই গোসাইক সুধিছিল। গোসায়ে তেতিয়া হাঁহি হাঁহি তাৰ উত্তৰ এই বুলি দিছিল। ১। নিৰুপদ্ৰৱ (অৰ্থাৎ কাকো বেয়ামাত, টান কথা, হিংসা খিয়াল মাৰ কিল নকৰা) ২। শৰীৰ পৰিষ্কাৰ ৰখা; ৩। বাগীয়াল বস্তু ব্যৱহাৰ নকৰা, ৪। সত্য কথা কোৱা, ৫। ঈশ্বৰত বিশ্বাস ৰাখি চলা। হাতী বৰুৱাদেৱ গোসাইৰ এনে কথাত বৰ সন্তুষ্ট হল। পিচত তেখেত সকলৰ আলোচনাৰ মাজেদি সৌহাৰ্দ বঢ়াত গোসায়ে কংগ্ৰেছত যোগ দিয়ে।

ৰাজনৈতিক সভা সমিতিৰ উপৰিও তেখেতে অন্যান্য নানা সভাত বক্তৃতা দিছিল। সাংগঠনিক কামত মন প্ৰাণ ঢালি দিছিল। যোৰহাট মহকুমাৰ বিভিন্ন ঠাইত তেখেতে খোজ কাঢ়িয়েই ভ্ৰমণ কৰিছিল। ৰাইজৰ দুৰ্দ্দশাৰ কথা গম পালে বা ৰাইজৰ আহ্বান পৰিলে তেখেতে তালৈকে দৌৰ মাৰে। সেই সময়ৰ দেশকৰ্ম্মী সকলৰ লগত কি দৰে মিলামিছা কৰিছিল তাক আগতে উল্লেখ কৰা হৈছে। জাঁজিৰ চুতীয়া সম্প্ৰদায়ৰ ভোট তৰা দেশকৰ্মী ৺ভ্ৰমৰ চন্দ্ৰ শইকীয়া আৰু একনিষ্ঠ সংগঠক কৰ্মী ৺ভুবন চন্দ্ৰ গগৈৰ দেউতাক ফটিক চন্দ্ৰ গগৈৰ ঘৰলৈ কেতিয়াবা খোজ কাঢ়ি গৈয়েই ওলাইগৈ আৰু তেখেত সকলৰ লগত নানা ধৰণৰ সমস্যাৰ কথা আলোচনা কৰে। কাউন্সিলত দিয়া বক্তৃতা বা প্ৰস্তাৱবোৰৰ বিষয়ে গাৱেঁ গাৱেঁ সভা পাতি তেখেতে বুজাই ফুৰিছিল। গাৱৰ ৰাইজৰ নতুন নতুন সমস্যাৰ কথাও তেখেতে সংগ্ৰহ কৰিছিল। সেয়েহে কাউন্সিলত প্ৰশ্ন তোলাত তেখেত বৰ পটু আছিল।

এবাৰ তেখেতে কালুগাওঁ ছাত্ৰ সম্মিলনত ৩য় বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰি দিয়া অভিভাষণ খনি 'আবাহন'ত প্ৰকাশ হৈছিল। কেইটিমান কথা তলত উল্লেখ কৰা হল—"ছাত্ৰ সমাজৰ বৰ্ত্তমান সিদ্ধি স্বৰাজ লাভ কৰাটোৱেই আৰু এই সিদ্ধিৰ কাৰণে তপ আৰু যজ্ঞ কৰিবই লাগিব। সেই দেখি মোৰ মৰমৰ ছাত্ৰ বন্ধু সকলক কওঁ, এতিয়াৰ পৰাই সেই তপ আৰু যজ্ঞ কৰিবলৈ সাজু হওক আৰু তেহে সিদ্ধিলাভ হব। পোনপটি ভাষাত কলে স্বৰাজ লাভ কৰিবলৈ যিখিনি কষ্ট, সহিষ্ণুতা আৰু ত্যাগ আৱশ্যক তাক কৰিবলৈ এতিয়াৰ পৰাই সাজু হক।

আপোনালোকে নিজৰ স্কুল বা পঢ়াশালি খনক কি বুলি ভাবি লৈছে মই কব নোৱাৰো মোৰ মনেৰে হলে স্কুল বা পঢ়াখানি খন বাহ্যিক বৃহৎ সংসাৰৰ এটি ক্ষুদ্ৰ আকৃতি।

"বৰ্ত্তমান শিক্ষাপ্ৰণালীত যে দোষ আছে ভাৰতবাসী সকলোৱেই একবাক্যে চিঞৰিবই লাগিছে। শাসক সম্প্ৰদায়ে আপোনালোকক বলবান, বুদ্ধিমান, শক্তিমান আৰু ধনৱান হোৱাতো ভাল নাপায়। যি উপায় অৱলম্বন কৰিলে আপোনালোক নিশকতীয়া, দুৰ্বলা, ধনহীন হয়, সেই উপায় শিক্ষা প্ৰণালীৰ যোগেদি অৱলম্বন কৰিছে। ৰাজভক্ত হোৱাটো মানৱ জাতিৰ এটা ডাঙৰ গুণ, সেই বুলিয়েই

আপোনালোকক ক, খ ফলা আৰম্ভ কৰাৰ দিনাৰ পৰা পঢ়া কিতাপৰ পৃষ্ঠাই প্ৰতি ৰজাৰ ছবি থকা, পদ্য আদিৰে ৰাজভক্ত হবলৈ শিকাব লাগেনে কি? ৰাণা প্ৰতাপ, শিবাজী, মনিৰাম দেৱান্, লোকমান্য তিলক, মহাত্মা গান্ধী আদিৰ জীৱন চৰিত আপোনালোকৰ পাঠ্য কিতাপত পাইছে জানো?

ৰাজনৈতিক আন্দোলনত আপোনালোকৰ ছাত্ৰৰ ন্যায্য ফেৰা দিবলৈ বহুতৰে আপত্তি দেখো। মই কওঁ আপোনালোকৰ যেনেকৈ যি বস্তু খালে আপোনালোক হৃষ্ট পুষ্ট হয়, তাক খাবলৈ আপোনালোকৰ সম্পূৰ্ণ স্বত্ব আছে। সেইদৰে আপোনালোকৰ যি কৰিলে বা যি দৰে ভাবিলে দেশৰ সৰ্ব্বাঙ্গিন উন্নতি হয় তাক কৰিবলৈ বা সেইদৰে ভাবিবলৈ আপোনালোকৰ সম্পূৰ্ণ স্বত্ব আছে। এনেদৰে ভাবিলে দেখা যায়, আপোনালোক প্ৰত্যেকেই দেশৰ একোটা অঙ্গ বা পৰমাণু আৰু আপোনালোকক বাদ দি দেশক উন্নত কৰিবলৈ গলে দেশৰ এটা অঙ্গক দুৰ্ব্বল কৰা হয় আৰু তাৰ ফলত গোটেই দেশখনকে নিশকতীয়া কৰা হয়। আপোনালোকৰ ৰাজনৈতিক আন্দোলনত যোগ দিবৰ সম্পূৰ্ণ দাবী বা স্বত্ব আছে।

ছাত্ৰ শক্তিৰ যি প্ৰাণ সি স্বাভাৱিক আৰু তাক বাধা দিওতা কোনো নাই। বহুতলৈ নগৈ আমাৰ ওচৰৰে চীনদেশৰ ছাত্ৰ শক্তিৰ কীৰ্ত্তিস্তম্ভ সিদিনাৰ কথা। বৰ্ত্তমানচীনদেশৰ ৰাজনৈতিক আন্দোলনৰ মূলতে ছাত্ৰ। চীনদেশৰ বৰ্ত্তমান উচ্চ ধৰণৰ ৰাজনৈতিক সালসলনিৰ মূলতে ছাত্ৰ শক্তি। ছাত্ৰই চীনদেশত যুগান্তৰ আনিলে।"

বিভিন্ন সভা সমিতিত দিয়া বক্তৃতাৰ মাজৰ তেখেতৰ দেশবিদেশৰ থকা জ্ঞানৰ পৰিচয় পোৱা যায়। আৰু লগে লগে যে, তেখেতে যে জগতৰ প্ৰগতিশীল ভাবধাৰাই ৰাজনৈতিক ক্ষেত্ৰত আগ ঠাই লব খুজিছে, তাকো অধ্যয়ন কৰি সেইবোৰৰ ভালবোৰ গ্ৰহণ কৰিবলৈ যত্ন কৰিছিল। ১৯২৫ চনত কানি তদন্ত কমিটিৰ ৰিপোৰ্ট কলিকতাত ছাপা কৰিবলৈ গৈ হাতীবৰুৱা কিছুদিন কলিকতাত থাকে। তেতিয়া তেখেতে মহাসমৰ শেষ হোৱাৰ লগে লগেই ৰাছিয়াত হোৱা বিপ্লৱৰ কথা পঢ়িবলৈ লয় আৰু তাত কি তত্ব সোমাই আছে, জানিবলৈ যত্ন কৰে। এই বিপ্লৱৰ কথা তেতিয়া ভাৰতত ভুল ভাৱে প্ৰচাৰিত হৈছে। সাম্যবাদৰ আচল নীতিৰ কথা তেখেতে

জানিবলৈ ব্যগ্ৰ হৈছিল। কিন্তু তাক বিশেষ ৰূপে বুজাৰ সুবিধা হয়তো তেখেতৰ নহ'ল, তেখেতৰ যে মন খোলা আছিল, এই বোৰৰ পৰাই বুজা যায়।

মৃত্যুৰ গ্ৰাসত

অসমৰ স্বাধীনতা যুদ্ধৰ শিভিক যুজাৰু ৰোহিণীকান্তই কংগ্ৰেছ অনুষ্ঠান গঢ়াৰ উপৰিও চৰছৰকৈ অসম কাউন্সিলৰ সভ্য হৈ ৰাইজৰ দাবী উত্থাপন কৰিছিল আৰু চৰকাৰৰ মুখা খহাই দিছিল। এই জন যুজাৰুৰ খুব আৱশ্যকতা আছিল। কাৰণ ১৯২৯ চনৰ ২৬ জানুৱাৰীত লাহোৰৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ কংগ্ৰেছে গ্ৰহণ কৰিছে। এতিয়া বহুতো নিস্বাৰ্থ কৰ্মী আৰু নেতাৰ খুব আৱশ্যক হৈ পৰিছে। হাতীবৰুৱাৰ দৰে লোকে হয়তো এতিয়া জাতীয় চেতনা জগাই তুলি জন সাধাৰণক সংগঠিত কৰাত বহুতেই কৰিব পাৰিলেহেঁতেন! কিন্তু মৃত্যু! মৃত্যুৱে এইবোৰ একো নাবাচে। ত্ৰিশৰ দেওনা পাৰ হওঁতেই কালে আমাৰ এই বীৰ যোদ্ধা জনক লৈ গলহি।

১৯২৯ চনৰ ৮ অক্টোবৰ। সেইদিনা দুৰ্গোৎসৱ আৰম্ভ—ষষ্ঠী পূজা। গুৱাহাটী নগৰৰ দেশকৰ্মী সকলৰ মাজত এটি বিষাদৰ ছাঁ পৰিল।—হাতীবৰুৱাই মেলানি মাগিলে। তেখেতৰ শালপতিয়েক গোহাঁইবৰুৱাৰ বৰজোৱাই ৺ সিদ্ধেশ্বৰ বৰগোহাঁইৰ গুৱাহাটীৰ নিজা ঘৰত তেখেতে নশ্বৰ দেহা ত্যাগ কৰিলে। গুৱাহাটীৰ সকলো দেশকৰ্মী গোটখাই এটি শোভাযাত্ৰা কৰি নৱগ্ৰহলৈ নি তাতেই দাহ কৰিলে। অসমৰ বীৰ যোদ্ধা দেশ-ভক্ত তৰুণ ফুকনে নিজেই পুৰোহিত হিচাবে মুখাগ্নিৰ কাম সমাধা কৰে। তেখেতৰ ককায়েক শ্ৰীঘনকান্ত হাতীবৰুৱা সেই সময়ত গুৱাহাটীত আছিল। তেখেতে তাঁৰ যোগে ভায়েক শ্ৰীলক্ষ্মীকান্তলৈ মৃত্যুৰ সংবাদ দিলে। বৃদ্ধ পিতা আৰু সকলোৱেই ঘৰত তাঁৰ পাই ম্ৰিয়মাণ হল।

শোকৰ ছাঁয়া

মৃত্যুৰ লগে লগেই চাৰিওফালে শোকৰ বাতৰি প্ৰচাৰ হল। সেই দিনাই যোৰহাট নগৰৰ বিষ্ণুৰাম হলৰ প্ৰাঙ্গনত সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাদেৱৰ সভাপতিত্বত এখন বিৰাট শোকসভা অনুষ্ঠিত হয়। সেই সভাতেই তেখেতৰ স্মৃতি ৰক্ষাৰ্থে এখন জীৱনী লিখা আৰু অন্যান্য প্ৰকাৰে স্মৃতি ৰক্ষা কমিটি গঠন কৰা হয়। যোৰহাটৰ

উকীল সেই সময়ৰ কংগ্ৰেছৰ আগৰনুৱা নেতা, তাক পিচত জজ হৈ পেঞ্চনভোগী শ্ৰীৰাধানাথ হাজৰীকাকেই প্ৰধান সম্পাদক ৰূপে জীৱনী লিখাৰ ভাৰ দিয়ে।

এই তৰুণ জননায়কৰ অকাল বিয়োগত অসমৰ এটি উজ্জ্বল নক্ষত্ৰ খহি পৰিল। ভাৰতৰ ডাঙৰ ডাঙৰ নেতা সকলেও শোক কৰিলে। সেইবছৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিত হাতী বৰুৱাৰ মৃত্যুত শোকপ্ৰকাশ কৰি প্ৰস্তাৱ গৃহীত হয়।

অসমৰ শ্ৰেষ্ঠ মাহেকীয়া আলোচনী "আৱাহনে" লিখিছিল :—

"হাতী বৰুৱা আজি আমাৰ মাজৰ পৰা আঁতৰি স্বৰ্গলোকৰ অধিবাসী হৈছেগৈ। দেশৰ কিবা পুণ্যৰ ফলত অসম ফুলনিত এই স্বৰ্গীয় পাৰিজাত পাহি ফুলি উঠিছল। তাৰ সৌৰভেৰে অসমক আমোদিত কৰি তুলিছিল। স্বৰগৰ বস্তু স্বৰগলৈ গল। ফুলৰ জীৱন শেষ হল, কাম সমাধা হল।

তেওঁৰ এই আকস্মিক অভাৱত আজি অসমৰেই নহয়, গোটেই ভাৰতৰেই এটা ডাঙৰ ক্ষতি হল। অসমৰ যি ক্ষতি সিটো পূৰাব নোৱাৰাই। তেওঁৰ দৰে কোমল বয়সত অসমত নেলাগে ভাৰতত্তো অতি অলপ নেতাইহে নেতৃস্থান লাভ কৰিব পাৰিছিল। তেওঁৰ দেশপ্ৰেমৰ প্ৰতিভা দুদিনতে বিয়পি পৰিছিল। বয়সত নবীন হলেও জ্ঞান বুদ্ধিত প্ৰবীনৰ দৰে দক্ষতা আৰু দূৰদৰ্শিতা দেখুৱাব পাৰিছিল। তেওঁ আছিল মহাত্মাজীৰ পূৰ্ণ অনুসৰণকাৰী।

"যেতিয়া স্বৰাজী নীতি গ্ৰহণৰ প্ৰস্তাৱ উঠিছিল, যেতিয়া দেশৰ ডাঙৰ ডাঙৰ নেতা সকলেও তাৰ জালতমেৰ খাইছিল, তেতিয়াও তেওঁ সহজতে তাত ধৰা দিয়া নাছিল। অৱশ্যে পিচলৈ নানা অৱস্থাৰ ভিতৰেদি তেওঁ যদিও মত দিবলৈ বাধ্য হৈছিল। তথাপিও তেওঁ বোলে এজন বিশেষ সমানযোগ্য বন্ধুৰ আগত এই লৈ অলোচনা কৰিছিল। তাৰ পৰা বুজা গৈছিল তেওঁ এই নীতিৰ পৰিণতি তেতিয়াই উপলব্ধি কৰি ব্যথিত হৈছিল।

"গুৱিত তেওঁৰেই উৎসাহত অসমত ভাৰতীয় জাতীয় মহাসভা বহিছিল। এই ঘটনা অসমৰ জাতীয় জীৱনৰ এটা মহা সৌভাগ্যৰ বিষয় আৰু অসমৰ ইতিহাসত সোনালী আখৰেৰে চিৰ স্মৰণীয় হৈ থাকিব।

"তেওঁ আছিল দূৰদৰ্শী, বিচাৰবুদ্ধি সম্পন্ন, উৎসাহৰ অফুৰন্ত ভৰাঁল, তেওঁ অক্লান্ত কৰ্মী। এই দুৰ্দিনীয়া জীৱনতে তেওঁ যিখিনি কৰিথৈগল, যিখিনি কৰ্মপ্ৰেৰণা অসমত জগাই তুলিগল সি আজি অসমৰ মাজত এটা জ্বলন্ত আদৰ্শ।

"মহামতি এণ্ড্ৰুজে তেওঁৰ কৰ্মপ্ৰেৰণা আৰু আন্তৰিকতা বিশেষকৈ প্ৰশংসা কৰিছিল। অসমৰ কানি তদন্ত কমিটিৰ সফলতা বহুখিনি তেওঁৰ কৰ্মকুশলতাৰ ওপৰত নিৰ্ভৰ কৰিছিল। ঈপিনে দেশলৈ ১৯২৬ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ মাতি আনি জাতীয়তাৰ যি প্ৰবাহ বোৱাইছিল, তাৰ দ্বাৰা অসমৰ নগৰ-প্ৰান্ত উপচি পৰিছিল। হাতী বৰুৱা আছিল চন্দ্ৰনাথৰ পিচতে অসমৰ এটি উজ্জ্বল ৰত্ন। তেওঁ চিন্তাশীল আছিল। তেওঁ বুজিব পাৰিছিল এটা জাতি গঢ়ি উঠিব লাগিলে সকলোকে আগতে লাগে স্বাস্থ্য; অসমীয়া ছাত্ৰৰ শক্তি সাধনাৰ ফালে, শৰীৰ সুস্থ, সবল কৰি তোলাৰ ফালে, তেওঁৰ বিশেষ দৃষ্টি পৰিছিল। তেওঁৰ বিশ্বাস হৈছিল যে, অসমীয়া ছাত্ৰসকল দিনক দিনে ক্ষীণাই গৈ এটা দুৰ্বল জাতি গঢ়ি তুলিবলৈ ওলাইছে। দুৰ্বল জাতিৰ, কি মানসিক, কি শাৰীৰিক কি আন কৰ্মশক্তি একোৰেই বিকাশ নহয়। বিজ্ঞান, দৰ্শন, সমাজনীতি, ৰাজনীতি, কৰ্মনীতি কোনো বিষয়তে উন্নতি দেখুৱাব নোৱাৰে। সেই কাৰণে ছাত্ৰসকলে যাতে শাৰীৰিক শক্তি লাভ কৰি অসমায়াক এটা স্বাস্থ্যবান জাতি কৰি গঢ়ি তুলিব পাৰে সেই উদ্দেশ্যে শাৰীৰিক উন্নতিৰ ভাল পন্থা অবলম্বন কৰাৰ বাহিৰেও যাতে স্কুল কলেজ বিলাকত সামৰিক শিক্ষা চলে তাৰ বাবে অসম কাউন্সিলত এটা প্ৰস্তাৱ তুলিছিল।

তেওঁৰ শ্ৰাদ্ধৰ দিনাই অসমৰ সকলো ঠাইৰ পৰাই তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে, আৰু স্মৃতি স্থায়ী কৰি ৰাখিবলৈ গুৱাহাটীত শ্ৰীযুত ফুকন, আৰু শ্ৰীযুত বৰদলৈ ডাঙৰীয়া সকলৰ নেতৃত্বত এটি স্মৃতিভঁৰাল খুলিবলৈ দিহা কৰা হৈছে। তাৰ্লৈ এতিয়া দেশবাসীৰ প্ৰকৃত সহানুভূতি আকৃষ্টহোৱা নিতান্ত যুগুত।"
"আৱাহন" —কাতি ১ম বছৰ, ১ম সংখ্যা, ১৮৫১ শক।

সাহিত্যৰথী বেজবৰুৱাৰ দ্বাৰা
সম্পাদিত বাঁহীৰে লিখিছিল।—

"যোৱা ২২ আহিন (৮ অক্টোবৰ) মঙ্গলবাৰে পুৱা দহমান বজাত এই এখনি অসমাপ্ত জীৱন নাটকৰ অন্ত পৰিল। এওঁৰ বয়স একুৰি পোন্ধৰ কি ষোল বছৰৰ অধিক নহৈছিল। উচ্চশিক্ষা সাং কৰাৰ পিচত জীৱনৰ ২য় অঙ্কৰ আঁৰ কাপোৰ দাঙি এটি বীৰ চৰিত্ৰৰ ভূমিকা কৰিছিল মাত্ৰ—এনেতেই সেই মহা নাট্যকাৰৰ ইচ্ছাত সেই সুন্দৰ মূৰ্ত্তি জন্মৰ কাৰণে তিৰোহিত হল। উল্কাৰ দৰে প্ৰতিভা বিস্তাৰি আহোঁতে আহোঁতেই নিজৰ জেউতিতে জাহ গল।

লীলাময়! ই তোমাৰ ধেমালি, কিন্তু
"যদি খেলা কেন এত মৰ্মভেদি খেলা।"
—ৰবীন্দ্ৰনাথ।

কি সাহিত্য ক্ষেত্ৰ, কি ৰাজনীতি ক্ষেত্ৰে সকলোতে অসমীয়াৰ আশাশুধীয়া কৰ্মী নিচেই তাকৰ। কিন্তু বিধাতাৰ কি শাওপাত! এই দৰে যি দুই এজন ডেকা উঠি আছে, তেওঁ লোকেও কালৰ বাবে সৰহ আয়ুস নাপায়। সেই আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা, লম্বোদৰ বৰা, প্ৰত্যেকেই অল্পায়ু। ৰাজনীতি ক্ষেত্ৰতো সিদিনা চন্দ্ৰনাথ আৰু ৰোহিণীকান্ত দুয়ো মাজ বয়সকে নাপালে।

কিন্তু কামহে জীৱনৰ জোখ কাঠি, বছৰ নহয়। এয়ে আমাৰ শান্ত্বনা, অতি কম বয়সতে এই সকলৰ একোজনে যি কাম কৰি গৈছে তাতোকৈ তেওঁলোকে গাইপতি দেশৰ হকে যি আত্মদানৰ মহত্ব আদৰ্শৰ বীজ এৰি থৈ গৈছে সি ভৱিষ্যত অসমীয়া জাতিৰ তেজ মঙহৰ লগত মিহলি হৈ এটা সুস্থ আৰু সবল নেশ্যন গঠনৰ কালে অসমীয়াক সুদগাই নাথাকে।

কীৰ্তিৰ্যস্য স জীৱতি।
তেওঁৰ আমাৰ সদগতি কামনা কৰিছোঁ।"

১৮৫১ শক। কাতি।

অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ "মিলনে" লিখিছিল।

(১৮৫১ শক, কাতি-আঘোন, ৬ষ্ঠ সংখ্যা, ৭ম ভাগ)

"ৰোহিনী স্মৃতি।"

"যি মোহিনীৰে অ' ৰোহিনীকান্ত
দেশৰ কাৰণে
কৰিলা তুমি শৰীৰ পাত।
সেই মোহিনীৰে অ ৰোহিনীকান্ত
দেৱসমাজত
পিন্ধা আজি পুষ্প পাৰিজাত।

ইংৰাজীত এষাৰ কথা আছে—When the heart is full words are few' আমাৰো আজি সেয়ে হৈছে। অক্লান্তকৰ্মী, দেশনেতা ৰোহিনীকান্ত হাতী বৰুৱাৰ অকাল মৃত্যুত—নহয় আচম্বিত স্বৰ্গ প্ৰয়ানত অসমৰ মাতৃৰ বুকুত বিনামেঘে বজ্ৰপাত, কাল নিদাঘৰ নিদাৰুণ নৃত্য, নিয়তিৰ নিষ্ঠুৰ পৰিহাস। এই সম্পৰ্কে ক'ব লগা বহুত আছিল, লিখনী লৰিব নোখোজে। শোকেত ম্ৰিয়মান হাতী বৰুৱাৰ সহকৰ্মী আৰু বন্ধুবান্ধৱ ভালেমান আছে। সেই সুধীসকলৰ কাষৰ পৰাই-স্বৰ্গগত ৰোহিনীকান্তৰ অক্লান্ত কৰ্মময় জীৱন কাহিনী "মিলনৰ" ভবিষ্যতে পাম বুলি আশা ৰাখি তলত লিখা কথাখিনি "অসমীয়া"ৰ পৰা উদ্ধৃত কৰি পৱিত্ৰ আত্মাৰ উদ্দেশ্যে ভক্তি পুষ্পাঞ্জলী দি মূৰ দোৱাইছোঁ............।

সাহিত্যগুৰু পদ্মনাথ গোহাঁই বৰুৱাই লিখিছিল :—

ৰোহিনী নক্ষত্ৰ যেন ভাদ অষ্টমীৰ
জনমিলা অসমত দেশভক্ত হই,
কৰিলা প্ৰফুল্ল আহি পদুম কুটীৰ,
দুদিনীয়া আলহীৰ বেহৰূপ লই।

স্বদেশ হিতৈষী নাম বৈ বৈ যায়—
গুপুত বাসনা মোৰ হল ধাৱমান,
পাবলৈ পুত্ৰৰূপে, তৃতীয় জোৱাই—
পূৰ্ণ হল মনোৰথ, দলা কন্যা দান।
কিন্তু হায়! নহওঁতে দুটি বৰ্ষ পুৰ
সগৰ্ভা কুমাৰী ভাৰ্য্যা কৰি জীয়া বাঁৰী
নিকৰুণ কালে আহি কৰিলেহি চুৰ—
সেউজীয়া অসমক কৰি এৰাৰাৰী।
বিনায় সদোষে ধৰি সুকৰুণ সুৰ
তোমাক হৰিব দেখি অসম আন্ধাৰি।

একমাত্ৰ বাতৰি কাকত "অসমীয়াই" লিখিছিল।

এজন দেশপ্ৰাণ অসমীয়া ডেকা সিদিনা হঠাৎ কাৰে এই জগতৰ পৰা অন্তৰ্দ্ধান হল। তেওঁ শ্ৰীযুক্ত ৰোহিণীকান্ত হাতীবৰুৱা। অসম আৰু অসমীয়াই শ্ৰীযুক্ত হাতীবৰুৱাৰ পৰা অনেক আশা কৰিছিল কিন্তু অসমীয়াৰ প্ৰতি বিধি বাম। সেই দেখি কেই দিন মান উদৰি ৰোগত ভুগি যোৱা ৮ অক্টোবৰ তাৰিখে পুৱা ১০ বজাত গুৱাহাটীত তেওঁ চিৰ দিনলৈ চকু মুদিলে। অসমীয়া আজি তেওঁৰ শোকত ম্ৰিয়মাণ। স্বৰ্গীয় চন্দ্ৰনাথ শৰ্মাৰ মৃত্যুৰ পাচত শ্ৰীযুক্ত হাতীবৰুৱাই যিদৰে অসমৰ ৰাজনৈতিক আকাশ পোহৰাই তুলিছিল, সেইদৰে তেওঁৰ সমনীয়া অনেক ডেকাই তুলিব যে পৰা যায়েই, তেওঁতকৈ বয়সীয়া সকলৰ ভিতৰতো পাৰিছে যদি মাথোন দুই চাৰি জনেহে। ধনৰ বল শ্ৰীযুক্ত হাতীবৰুৱাৰ নাছিল কিন্তু মনৰ বল হলে তেওঁৰ ভাল কৈয়ে আছিল। আৰু বিশেষকৈ আছিল দেশ আৰু দেশবাসীৰ সেৱাত নিজক একান্তমনীয়াকৈ লগাই দিব পৰা ক্ষমতা। অসম ব্যৱস্থাপক সভাৰ সদস্য থাকোঁতে তেওঁ কোনো দিন কোনো কথাতে বাইজৰ স্বাৰ্থৰ বিৰুদ্ধে যোৱা নাছিল, আৰু বাইজৰ স্বাৰ্থৰ বিৰুদ্ধে তেওঁ যে, কেতিয়াও নাযায় তাক ভালকৈ জানিহে তেওঁকো বাইজে এবাৰ নহয়, দুবাৰকৈ, কাউন্সিললৈ পঠিয়াইছিল। অসমৰ

কংগ্ৰেছ পন্থী লোকসকলৰ ভিতৰত শ্ৰীযুত হাতীবৰুৱা এজন আৰু অসমত কংগ্ৰেছ অধিবেশন পতা বিষয়ত তেওঁৱেই সকলোতকৈ প্ৰধান। শ্ৰীযুত হাতী বৰুৱাৰ উৎসাহেৰে যোৱা ১৯২৬ চনত গুৱাহাটীত প্ৰথমবাৰ কংগ্ৰেছৰ অধিবেশন বহিল। আৰু সেই অধিবেশনৰ কামত তেওঁ দিনৰে দিনে বাতিয়ে খাটিব লগাত পৰিছিল আৰু দিনৰে হাঁহি মুখে তেওঁ খাটিব পাৰিছিল, তাক ইয়াত কোৱা বহলাই নিষ্প্ৰয়োজন।

কংগ্ৰেছৰ তৰফৰ পৰা অসমত কানি তদন্ত কমিটি পাতি অসমীয়া কানীয়াবিলাকৰ দুৰৱস্থাৰ কথা নিৰ্ণয় কৰা বিষয়ত শ্ৰীযুত হাতীবৰুৱাৰ যত্ন আৰু উদ্যম মনলাগি যোৱাবি। মহামতি ছি, এফ, এণ্ড্ৰুজে এই কথা মুক্ত কণ্ঠে স্বীকাৰ কৰিছে আৰু তেও যে, শ্ৰীযুত হাতীবৰুৱাৰ পৰা এই বিষয়ত কিমান সহায় পালে তাকো তেও একাধিকবাৰ বাইজক নজনোৱাকৈ থকা নাই। এই কামত ফুৰোতে তিনচুকীয়া ষ্টেচনত তেও পুলিচৰ হাতত অনাহকতে অপমানিত নোহোৱাকৈয়ো থাকিল। কিন্তু বাইজৰ সেৱা ত্যাগ, আৰু মান অপমান পাছ তাকে ভাবি তেও সেই অপমানকো সহ্য কৰিলে। শ্ৰীযুত হাতীবৰুৱাৰ ওপৰত বজা ঘৰৰ কৰুণা নাছিল, কিন্তু তেও সেই কৰুণাৰ ভিক্ষাৰীও নাছিল, তেও মাথোন বিচাৰিছিল বাইজৰ হে কৰুণা আৰু বাইজৰ হে আশীৰ্ব্বাদ। ৰাজনৈতিক বিষয়ত তেওঁৰ মতৰ লগত অনেকৰ অমিল সঁচা, কিন্তু তেওঁৰ গুণাৱলীৰ আদৰ নকৰা আজি অসমীয়াৰ ভিতৰত কোনো নাই। তেওঁৰ মৃত্যুত অসম আৰু অসমীয়াৰ যি ক্ষতি হল, সি সহজে আৰু সোনকালে পূৰণ হব বুলি মনে নধৰে। আকৌ অসহযোগ আন্দোলন আহিছে, এই সময়ত শ্ৰীযুত হাতীবৰুৱা জীয়াই থকা হলে স্বৰাজ লাভৰ বাটত অসমীয়াই আগ বাঢ়িবলৈ সুচল পালে হেঁতেন। তেওঁৰ দৃষ্টান্ত উদগনিয়ে অনেকক নতুন প্ৰেৰণা আৰু নতুন উদ্দীপনা দিলেহেঁতেন। অসমীয়াৰ দিক্পাল শ্ৰীযুত হাতী বৰুৱা আজি আৰু নাই।

শ্ৰীযুত হাতীবৰুৱাৰ নাম স্মৃতি যেন অসমত সদাই সজীৱ হৈ থাকে, অসমীয়াই যেন নাপাহৰে যে, তেওঁ এই কম বয়সতে দেশৰ হকে দিনৰে খাটি গল, সেইদৰে খাটি ৰখিব পাৰিলেহে জীৱন ধৰাৰ কিছু সাৰ্থকতা হয়।

অসম কাউন্সিলত হাতীবৰুৱা।

১৯২৫ চনৰ পৰা মৃত্যু পৰ্য্যন্ত ৺হাতীবৰুৱা অসম কাউন্সিলৰ সদস্য আছিল। তেখেতে এই কাউন্সিলত বাইজৰ বিভিন্ন বিষয়ৰ দাবী তুলি যুঁজ দিছিল। অসম কাউন্সিলত তেওঁ এজন সিংহ পুৰুষ, বীৰযোদ্ধা আছিল। অসম কাউন্সিলত উত্থাপন কৰা কিছু প্ৰশ্ন আৰু বক্তৃতাৰ সাৰাংশ তলত দিবলৈ যত্ন কৰা হব। এই বোৰেই তেওঁৰ বিচক্ষণ ৰাজনীতি জ্ঞান আৰু ৰাইজৰ প্ৰতি, দেশৰ প্ৰতি থকা অপৰিসীম মৰমৰ পৰিচয় দিয়ে।

১৯২৫ চনৰ মাৰ্চ্চত বহা কাউন্সিলত তেখেতে প্ৰশ্ন তুলিছিল।—শিক্ষাৰ পদ্ধতিৰ কেবিকুলাস পৰিবৰ্ত্তন কৰিব পাৰিছেনে? স্কুলৰ উন্নতিৰ বাবে বেছি টকা দিব পাৰিছেনে? যোৱা তিনি বছৰত তেওঁলোকে কলেজ, হাইস্কুল বা প্ৰাইমেৰী স্কুলৰ প্ৰসাৰতা কৰিব পাৰিছেনে? বাধ্যতামূলক প্ৰাইমেৰী শিক্ষা চলাব পাৰিছেনে?”

বাজেট আলোচনা প্ৰসঙ্গত কৈছিল।—

“বাজেট তৈয়াৰ কৰোঁতে শাসক সকলে ভবা উচিত যে টকাখিনি ৰাইজৰ—দেশৰ বেলেগ বেলেগ স্তৰৰ পৰা অহা। বাজেট তৈয়াৰ কৰোতে এই কথাটো মনত ৰখা উচিত যে, যেনেকৈ এজন খেতিয়কে শস্য সিচোঁতে আগলৈ যথেষ্ট হোৱাৰ আশা ৰাখে—ঠিক সেইদৰে টকা ব্যয়ৰ পথ লব লাগে। টকা ভৰোতা সকলক প্ৰত্যক্ষ বা পৰোক্ষ ভাবেই টকা ঘূৰাই দিয়াৰ কথা আমাৰ চৰকাৰে নাভাবে।

“পুলিচ আৰু পাবলিক চাৰ্ভিচৰ টকাখিনি অযথা ব্যয় কৰা হয়; ইয়াৰ দ্বাৰা ভাৰতৰ ভাণ্ডাৰ ধনৰ অপব্যৱহাৰ হৈছে।

“প্ৰাদেশিক চৰকাৰে ইম্পিৰিয়েল গৱৰ্ণমেণ্টক টকা দিব লগীয়াটো মণ্টেগু চেমচ্‌ফোৰ্ড সংস্কাৰৰ এটা ডাঙৰ ক্ৰটি। এই ধৰণে অসমে প্ৰায় ১৫ লাখ টকা দিব লাগে। এই বোৰৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ প্ৰাদেশিকৰ পেঞ্চনভোগী হৈছে।

“……এই বোৰৰ মূলতে বিদেশী শাসকে ক'ত প্ৰকৃততে টকা খৰচ কৰিব লাগে তাক নজনাৰ কাৰণ। সংৰক্ষিত বিষয়বোৰৰ বিষয়ে ভাৰত চৰকাৰেই দায়ী।

আৰু তথাকথিত হস্তান্তৰিত বিষয়বোৰৰ বাবে গৱৰ্ণৰ আৰু মন্ত্ৰীৰ জুটীয়া কাম হলেও, তাৰ বাবে গৱৰ্ণৰ দায়ী নাথাকে। শাসন সংস্কাৰত নিয়ামতে গৱৰ্ণৰ আৰু মন্ত্ৰীসকল ৰাইজৰ সেৱক নহয়; আচলতে ধনলোভী "চাইলকহে"।

"মুঠতে কবলৈ গলে বাজেটখন (১) যি'বিলাকে টকা ভৰিছে, তেওঁলোকৰ বাবে উপকাৰত নাহে (২) বেছি ভাগেই বিদেশীৰ জেপলৈ গৈছে।"....ইত্যাদি।

১৯২৪ চনৰ ২ এপ্ৰিলৰ বক্তৃতা।

বাজেটত ধৰা ৬৯,৪৭৫০৲ টকা জেলৰ বাবে খৰচ কৰাৰ পৰিবৰ্ত্তে ৯৲ টকা কৰিব লাগে বুলি বাবু গোপেন্দ্ৰলাল দাস চৌধুৰীয়ে কৰা প্ৰস্তাৱ সমৰ্থন কৰি হাতীবৰুৱাই বক্তৃতা দি কৈছিল, "মই যি অলপ সময়ৰ বাবে হলেও মহামান্য সম্ৰাটৰ অতিথি হবলৈ সুবিধা পাইছিলো, তাক কবলৈ গলে লাজত মুৰ দোঁ খাই যাব। যদিও মোৰ অভিজ্ঞতা কষ্টকৰ; তথাপি শিক্ষনীয়। মই এইটো দাঠি কওঁ যে, জেল সংশোধনৰ ঠাই নহয়—বেছিকৈ অপৰাধ কৰিবলৈ শিক্ষা দিয়া ঠাই। খোৱাবোৱাৰ পৰা বঞ্চিত হব লগা হয়। আনকি সকলো ধৰণৰ অমানুষিক আৰু কৰিব নোৱাৰা ব্যৱস্থা কৰা হয়।

"যি কাপোৰ দিয়ে, সেই কাপোৰ ধুবলৈ হলে প্ৰতি ৰবিবাৰে নাঙঠ হৈ থুব লাগিব। মই চকুৰে দেখি আহিছো—গৰু নোহোৱাকৈ মাটিতে ওখকৈ বন্ধা এডোখৰ ঠাইত মুৰ দি শুব লাগে। তুহ আদি থকা চাউলৰ মোটা আহাৰ খাবলৈ দিয়া হয়। কেতিয়াবা মানুহৰ খাদ্যৰ অনুপযুক্ত আহাৰ দিয়া হয়। মাহেকত এবাৰকৈও মাছ বা মাংস খাবলৈ দিয়া নহয়, কোনো কোনো জেলত মজুৰী বেছনখিনিও দিয়া নহয়—জেইলৰ আৰু হেড্ ৱাড'ৰৰ ঘৰলৈ যায়। কোনো কয়দীয়ে তাৰ প্ৰতিবাদ কৰিলে সদায় শাস্তিভুগীৰ লগীয়া হয়। জেলৰ অত্যাচাৰৰ বাবে জেলতেই বা ওলাই আহাৰ পাচতেই বহুতে প্ৰাণ এৰিবলগীয়া হয়।"

শ্ৰীযুত বসন্তকুমাৰ দাসে চি, আই, ডিৰ বাবে মজুৰী ৭১৬১৬ টকা কাটি দিবলৈ কোৱা প্ৰস্তাৱও সমৰ্থন কৰি হাতীবৰুৱাই কয়—

"তেওঁলোকৰ কামৰ বিষয়ে মোৰ অভিজ্ঞতা আছে। আমাক বৰ বেয়া ব্যৱহাৰ কৰে। আমাক দিনে ৰাতিয়ে অনুসন্ধান কৰে। আমাৰ ঘৰৰ আগত পহৰা দিয়ে এইটো কিয় কৰা হয়—আমাক আমোলাতন্ত্ৰৰ জেললৈ পঠাই সম্মানিত কৰিবৰ বাবে। মই যোৰহাটৰ এটা উদাহৰণ দি কব পাৰো যে, মোক আৰু শ্ৰীচলিহাক চাবৰ বাবে এজন ইন্‌স্‌পেক্টৰ, দুজন চৰ ইন্‌স্‌পেক্টৰ আৰু এজন এচিষ্টেণ্ট ইন্‌স্‌পেক্টৰ ছজন পুলিচ দিয়া হৈছে। শ্ৰীযুত চলিহা আৰু আমাৰ ঘৰৰ আগত সদাই পুলিচ দেখা পাওঁ। মই এইদৰে পুলিচ দিয়াৰ কোনো মানে নেদেখো। কাৰণ সকলোৱেই জানে যে, আমি অহিংসা অসহযোগী, অৱশ্যে এই দলে যোৱা নিৰ্ব্বাচনত সহায় কৰিছিল এইদৰে ডেপুটি কমিশনাৰে এওঁলোকৰ পঠাই ৰাইজক ভীতি প্ৰদৰ্শন কৰাইছিল যদি স্বৰাজিষ্টক ভোট দিয়ে তেন্তে জেললৈ যাব লাগিব। এই বোৰৰ বাবেহে চি, আই, ডি ৰাখে। যদি চৰকাৰক এইটো বিভাগ লাগেই তেন্তে সাধাৰণ পুলিচৰ পৰাই নিৰ্বিশেষ ট্ৰেইনিং দি লওক—কিয় এটা বিভাগৰ দৰ্কাৰ।"

আবকাৰী বিভাগৰ বাবে ধৰা টকা কমাবৰ বাবে তোলা প্ৰস্তাৱৰ সমৰ্থনত হাতীবৰুৱাই বক্তৃতা দিয়ে—"যদি মিলৰ ৰিপৰ্ট চোৱা যায় তেন্তে দেখা যাব যে, ১৮৫০ চনৰ আগতেই মণিৰাম দেৱান আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে প্ৰসিদ্ধলোকে কানি উঠোৱাৰ বিষয়ে মত দিয়ে। অৱশ্যে দেৱান ৰাষ্ট্ৰৰ বিনা বাধাত আফুখেতিৰ পক্ষপাতী আছিল। আন্তৰ্জাতিক কানি কমিটি ১৮৮৫ চনত বহে আৰু ১৮৯৫ চনত ৰিপৰ্ট দাখিল কৰে। সেই কানি কমিচন বৃটিছ ভাৰতত কানিৰ বিক্ৰি ক্ৰমান্বয়ে বন্ধ কৰাৰ পক্ষপাতী আছিল, কেৱল ঔষধত ব্যৱহাৰৰ বাহিৰে। ১৯:৩ চনত গঠিত হোৱা আমাৰ কানি কমিটিৰ ৰিপৰ্ট কি হল ? আজিও তাৰ ৰিপৰ্ট প্ৰকাশ হোৱা নাই। সেই কমিটিয়ে কানি খোৱা মানুহৰ ৰেজিষ্টাৰ কৰি পছা দিয়াৰ মত দিছিল। কিয় এই পৰ্য্যন্ত চৰকাৰে সেই কাম কৰা নাই, তাক তেওঁলোকেহে জানে।"

চৰকাৰ কিয় কানি কমোৱাৰ পক্ষপাতী নহয় সেই কথা তেখেতে সমালোচনা কৰি কোৱাৰ পাচত চৰকাৰৰ কৰ্মচাৰীয়েই কেনেদৰে কানিৰ উপকাৰৰ বিষয়ে প্ৰচাৰ কৰিছে, তাক কৰলৈ গৈ উদাহৰণ দেখুৱাই যে, নগাঁৱত শিক্ষা বিভাগৰ এজন ইন্সপেক্টৰে কানি মেলেৰিয়াৰ বাবে ভাল বুলি প্ৰচাৰ কৰিছে।

তেখেতে আৰু কয়—"অসমীয়া মানুহৰ জীৱিত তেজ খোৱাৰ বাবে চৰকাৰ জগৰীয়া। চৰকাৰে এইবাবে মন নিদিয়াৰ বাবে ঘোৰ জগৰীয়া।

১৯২৪ চন ৪ঠা এপ্ৰিল—চৰকাৰী অত্যাচাৰৰ বিৰুদ্ধে তেখেতে নকছাৰীৰ এটা সভাৰ পেণ্ডেলত পুলিচে জুই দিয়া, চাৰি গাৱঁৰ কংগ্ৰেছ অফিছ ভঙা আদিৰ বিষয়ে প্ৰশ্ন কৰে। তাৰ পাচত অসহযোগ আন্দোলনকাৰীৰ প্ৰতি সহানুভূতি থকা দোষত দুজন চৰকাৰী পেন্সনাৰৰ পেন্সন বন্ধ কৰাৰ বিষয়ে প্ৰশ্ন কৰে।

স্কুলত সূতা কটা প্ৰসঙ্গ—১৯২৪ চন ৩১ জুলাই :—সকলো প্ৰাইমেৰী স্কুলতে সূতা কটা প্ৰচলন কৰিবলৈ প্ৰস্তাৱ কৰে। সেই প্ৰসঙ্গত তেখেতৰ বক্তৃতাত এই কথা প্ৰকাশ পাইছিল—(১) প্ৰাইমেৰী স্কুলত মাটিৰ কিবাকিবি সজাৰ দৰে সূতা কটা দিব পাৰি। ই বেছি দৰকাৰী।

(২) এইটো এটা ঘৰুৱা শিল্প। ইয়াৰ পৰা কিছু টকা সঞ্চিত হব।

৩ মাৰ্চ্চ, ১৯২৫ চন—কানি নিবাৰণ প্ৰসঙ্গত শ্ৰীকুলধৰ চলিহাই তোলা এটা প্ৰস্তাৱৰ সমৰ্থনত এটি দীঘলীয়া বক্তৃতা দিয়ে। তাৰ কিছু অংশ ইয়াত দিয়া হল।

"ভাৰতৰ ভিতৰত এই বিষাক্ত বস্তু সেৱনত অসমেই অতি বেছি অভিজ্ঞ—এই কথা সুই কৰিব নোৱাৰি—এইটো জগতক কৰলৈ লাজৰ কথা। মোৰ লগত মাননীয় সভ্যসকল নিশ্চয় একমত হব যে, অসমত কানিয়েই ৰাজনীতি আৰু যদি অসমীয়াই এটা জাতি হিচাবে থিয় দিব খোজে আৰু চৰকাৰে যদি ইয়াৰ উন্নতিত নেতৃত্ব দিব খোজে, তেন্তে জনগণক এই অসৎ অভ্যাসৰ পৰা মুক্ত কৰিব লাগিব।

মোৰ চৰকাৰৰ কানিনীতিত সদায়েই সন্দেহ আছে। যদি কোনো এটা বিষয় ভাৰতীয় মন্ত্ৰীৰ হাতলৈ হস্তান্তৰিত কৰা বিষয় হোৱা দৰকাৰ তেন্তে অসমত কানিয়েই হব লাগিব। এই প্ৰস্তাৱৰ প্ৰস্তাৱকে কৈ গৈছে যে, ১৯১০ চনৰ আগ ভাগৰ পৰাই কানিৰ বিৰুদ্ধে জনমত তৈয়াৰ হব ধৰিছে। অথচ চৰকাৰে ইয়াৰ আওকাণ কৰিছে—যদিও প্ৰতিবাদ আৰু দৰখাস্ত এই বিষয়ে বহুতো চাকৰিয়াল বা অন্যান্যৰ পৰা গৈছে যেতিয়া এই শাসন সংস্কাৰত কানিৰ বিষয়টো হস্তান্তৰিত বিষয় নহল, সিয়েই চৰকাৰৰ আবকাৰী নীতিৰ প্ৰতিক্ৰিয়াশীলতাৰ প্ৰমাণ দিয়ে।

যই এখন বেচৰকাৰী কাৰ্য্য তদন্ত কমিটিৰ সংস্পৰ্শত আছোঁ। আৰু তাৰ ৰিপৰ্ট শীঘ্ৰেই প্ৰকাশ হব। গতিকে এই বিষয়ে অসময় সকলো ধৰণৰ মতামত যোৱা জনা আছে।

১৯২৫ চন ৫ই মাৰ্চ্চ :—মাটীৰ বিষয়ে প্ৰশ্ন

"চৰকাৰে অনুগ্ৰহ কৰি কবনে একৰ হিচাবে মুঠ কালি (১) ফ্ৰি চিম্পোল গ্ৰাণ্ট (২) ৩০ বছৰীয়া চুক্তিৰ মাটি, বাগিছা বা আনে খোৱা মাটি, লোকেল ৰেট আৰু মাটিৰ খাজনা ফ্ৰি চিম্পোলগ্ৰাণ্টৰ পৰা ৩০ বছৰীয়া ম্যাদৰ পৰা কিমান হয়।"

উত্তৰ— ফ্ৰি চিম্পোল গ্ৰাণ্ট ১৯৩৫৪২ একৰ

৩০ বছৰীয়া চুক্তি ৫২৮৬৯৭

ফ্ৰি চিম্পোল গ্ৰাণ্ট খাজনা, আৰু স্থানীয় কৰ ৩৯০৬৪

৩০ বছৰীয়া ম্যাদৰ চুক্তি „ ৪৭৭০৯০-২৯৪০২

চৰকাৰী বিষয়াৰ বিষয়ে মন্তব্য :—

"এইটো প্ৰায়ে আমাৰ দৃষ্টি গোচৰ হয় যে, নিজৰ প্ৰধান ঠাইৰ পৰা আঁতৰত থাকি বহুতোচৰকাৰী অফিচাৰে ইঁহ চিকাৰ কৰে আৰু চিকাৰ কৰি নিৰ্দ্দিষ্ট ট্ৰেভেলিং এলাৱেন্স লয়। চৰকাৰী চাকৰিয়াণৰ এনে কাৰ্য্যৰ সোনকালেই এটা প্ৰতিবিধান লব বুলি মই আশা কৰোঁ।"

ডাঃ ভুবনেশ্বৰ বৰুৱাক কামৰ পৰা অৱসৰ দিয়া প্ৰসঙ্গত হাতী বৰুৱাই, ১৯২৫ চনৰ ৯৪ মাৰ্চ্চৰ দিনা কাউন্সিলত প্ৰশ্ন কৰি তলত দিয়া ধৰনে উত্তৰ আদায় কৰিছিল।

প্ৰশ্ন :— (a) চৰকাৰে অনুগ্ৰহ কৰি ক'ব নে কিয় ডাঃ ভুবনেশ্বৰ বৰুৱা এম, বিক কামৰ পৰা বিদায় দিয়া হল।

(b) তেখেতৰ বিৰুদ্ধে কিবা Proceedinr draw কৰা হৈছিল নে?

(c) যদি (b) প্ৰশ্নটোত হয় দিয়ে তেন্তে অনুগ্ৰহ কৰি তাৰ এটা নকল কাউন্সিলত দিবনে?

(d) যদি তেখেতৰ বিৰুদ্ধে কোনো Proceeding লোৱা নাই, তেন্তে কি পদ্ধতি লৈ চৰকাৰে তেখেতক কামৰ পৰা বিদায় দিছে।

উত্তৰ :—(a) শ্ৰীযুত ভুবনেশ্বৰ বৰুৱা অস্থায়ী চিভিল এচিষ্টেণ্ট চাৰ্জ্জন আছিল।

চৰকাৰৰ প্ৰাৰ্থীৰ মাত্ৰা বেচি হোৱাত তেওঁক কামৰ পৰা বিদায় দিয়া হৈছে। সেই কথা ১৯২৪ চনৰ ৪ ডিচেম্বৰ প্ৰেছ কমিউনিকেত প্ৰকাশ পাইছে, তাৰ নকল লাইব্ৰেৰীত আছে।

(b) নাই হোৱা।

(c) প্ৰশ্নই নুঠে। (d) তেওঁৰ কামৰ অনাৱশ্যক দেখি এমাহৰ নটিছ দিয়া হল।

হাতীবৰুৱা :—মই জানিব পাৰোনে কি কাৰণে ডাঃ ভুবনেশ্বৰ বৰুৱাক বিদায় দিয়া হল। উত্তৰত প্ৰেছ কমিউনিক চাবলৈ কয়।

১৯২৫ চনৰ ১৮ই জুলাইত ঃ—

বিশেষ খেতিৰ বাবে আবাদী মাটি দিয়াৰ প্ৰসঙ্গত হাতীবৰুৱাই প্ৰশ্ন কৰে।

(a) অনুগ্ৰহ কৰি দৰখাস্ত কাৰীৰ সংখ্যা কবনে ?—(১) ভাৰতীয় (২) অনা ভাৰতীয় ভাৰতীয়ৰ বাহিৰৰ কোম্পানী ধৰি। যি বিলাকে লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত ১৯২০-২৪ চনৰ পৰা বিশেষ খেতিৰ বাবে আবাদী মাটি বিচাৰিছে, প্ৰত্যেক জিলাতেই বেলেগ সংখ্যা দেখুৱাই দিব। (b) এই কেই বছৰৰ ভিতৰত কিমান (১) ভাৰতীয় (২) অনা ভাৰতীয়ৰ মাটি বসতি দিয়া হৈছে, এইটো সচাঁনে যে, ডিব্ৰুগড়ৰ এজন মাৰোৱাৰী বামেশ্বৰ চহৰীয়াক চাৰি হাজাৰ ডাঙৰ মাটি দিয়া হৈছে। তেওঁৰ নিজা নামত আৰু 'বেনামীত ?'

—যদি এইবোৰৰ উত্তৰ সঁচা হয় তেন্তে কি বিশেষ যোগ্যতাৰ বাবে তেওঁ এই মাটি পাইছে ?

উত্তৰ :—এইবোৰৰ খবৰ লোৱা হব আৰু মাননীয় সদস্যক জনোৱা হব।

১ম বাৰ কাউন্সিলত এনেদৰে তেখেতে বহুতো প্ৰশ্নৰ অৱতাৰণা কৰে। ইয়াৰ পাছত তেখেত পুনৰ ১৯২৬ চনত দ্বিতীয় বাৰৰ বাবে কাউন্সিলৰ সদস্য নিৰ্বাচিত হয়। এইবাৰো তেখেতে কাউন্সিলত নিজৰ যোগ্যতাৰ পৰিচয় দিয়ে। তেখেতৰ প্ৰশ্নবোৰত অসমৰ বিভিন্ন সমস্যাই ঠাই পাইছিল।

গুৱাহাটীত নিৰ্ব্বাচন ঃ— ১৯২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত এটা

মিউজিয়াম স্থাপনৰ কাৰণে ১৯২৬-২৭ চনৰ বাজেটৰ পৰা ৩০,০০০ টকা অনুমোদন কৰিবৰ বাবে হাতীবৰুৱাই দাবি ধৰা প্ৰস্তাৱ গৃহীত হয়।

সেইদিনাই গ্ৰেজিং কৰ বাঢ়াবৰ বাবে এটা প্ৰস্তাৱ দাঙি ধৰে। শ্ৰীমহাদেৱ শৰ্মাকে আদি কৰি কেবাজনো সদস্যই এই প্ৰস্তাৱ সমৰ্থন কৰিছিল। পিচত ভোটত দিয়াত পক্ষে ১২ জন আৰু বিপক্ষে ১৪ জন হোৱাত এই প্ৰস্তাৱ পৰাজিত হয়।

কানি দোকান বন্ধ কৰাৰ বিষয়েও প্ৰস্তাৱ উত্থাপন কৰি হাৰিব লগীয়াত পৰিছিল।

১৯২৭ চনৰ ৩ মাৰ্চ্চত স্কুলত ড্ৰিল শিক্ষা দিয়াৰ বিষয়ে এটা প্ৰস্তাৱ দাঙি ধৰি কৈছিল।

চৰকাৰী সকলো হাইস্কুলৰ ওপৰ চাৰিটা শ্ৰেণীত আৰু ট্ৰেইনিং স্কুল বোৰত ড্ৰিল শিক্ষাৰ ব্যৱস্থা কৰিবৰ বাবে এখন syllabus তৈয়াৰ কৰিবলৈ নবীন বৰদলৈ, বসন্ত কুমাৰ দাস, বলি নাৰায়ণ বৰুৱা আৰু দুজন চৰকাৰৰ মনোনীত সদস্যৰে এটা কমিটি গঠনৰ পৰামৰ্শ আগ বঢ়ায়। এই প্ৰস্তাৱটো ১০।৩।২৭ তাৰিখে ৫টা ভোট বেচি পোৱাত গৃহীত হয়।

১৯২৪ চনৰ এপ্ৰিলত বহা অসম কাউন্সিলত তেখেতে জেলৰ বিষয়ে কিছু বক্তৃতা দি জেলৰ ভিতৰত থকা বহুতো দুৰ্নীতি ব্যক্ত কৰিছিল। পুনৰ ৭।৩।২৭ তাৰিখে জেলৰ মঞ্জুৰৰ বাবে উত্থাপন কৰা সম্পৰ্কত তেখেতে বক্তৃতা দিছিল। তেখেতে কৈছিল— "মোৰ নিজৰ অভিজ্ঞতাৰ পৰা কওঁ যে, জেলত থকা এই কয়েদীবোৰৰ কোনোমতেই উন্নতি নহয়। খোৱা খৰচৰ বাবে যোৱা বছৰ মাত্ৰ ৫০০০৲ টকা বেছি হৈছে। মোৰ বোধেৰে এই টকাৰে সামান্য ভাবেও কয়েদীৰ খোৱাৰ যোগান ধৰা অপাৰগ। পিন্ধা কাপোৰৰ বাবে যোৱা বছৰ ৬০০৲ টকা বেছি কৰা হৈছে। এই টকাৰে একোৱেই নহয়। ১৯২১ চনৰ মোৰ নিজা জেইল অভিজ্ঞতাৰ পৰা কওঁ যে, কয়েদী বোৰক জীৱন ধাৰণৰ উপযোগী আহাৰ দিয়া নহয়। তেওঁলোক আধা ভোকাতুৰ হৈ থাকে। ১৯২১ চনত আমাক দুবেলা খাবলৈ দিয়া হয়। ভাবে পুৱাবেলাৰ খিনিত ভুই চাউলৰ খিচড়ি কৰি দিয়া হয়। আৰু দিয়া খিনিও এজন স্বাস্থ্যবান ডেকাৰ বাবে যথেষ্ট নহয়। কিছু

ভাত আৰু তৰকাৰী দিয়া হয় ; শিও খোৱাৰ বাবে উপযোগী নহয়। দুখন মাত্ৰ কম্বল দিয়া হয়। পুহমহীয়া জাৰত এই দুখন একেবাৰেই নহয়।

১৯২৭ চনৰ ১৮ জুলাইত কাউন্সিলত তেখেতে কানিৰ বিষয়ে এটা প্ৰস্তাৱ তুলি কৃতকাৰ্য্য হয়। এই সম্পৰ্কত তেখেতে এটা ওজস্বিনী বক্তৃতা দিয়ে।

প্ৰস্তাৱটো এই—"এই কাউন্সিলে অসম চৰকাৰক অনুমোদন কৰে যে, ৫০ বছৰৰ তলৰ কানীয়াবোৰৰ কানি এনেদৰে নিৰ্দ্ধাৰিত যাতে হয়, এই অভ্যাস ১০ বছৰৰ ভিতৰত যাতে বিলুপ্ত হব পাৰে।"

এই সম্পৰ্কত খুব আলোচনা হয়। তেতিয়া তেখেতে, জোৰ দি তলৰ কথাখিনি কৈছিল, "মহোদয়, মই কওঁ যে, তিনি বছৰত যদি U.S.A. ই মদ এৰিব পাৰে, যদি চীনে একেদিনাই কানি এৰিব পাৰে; একে বছৰতে যদি কামাল পাচাই কঠোৰ সামাজিক নিয়ম সংশোধন কৰিব পাৰে, তেনেহলে মই একো যুক্তি নেদেখোঁ কিয় অসমে দহ বছৰত কানি খোৱা এৰিব নোৱাৰিব। (শুনক, শুনক ধ্বনি উঠে)

ভোটত দিয়াত ৩০ আৰু ৮ ভোটত প্ৰস্তাৱ টোৱে জয়লাভ কৰে।

ভেঞ্চাৰ স্কুলবোৰক চিলাভাৱেই মঞ্জুৰী দিবৰ বাবে দাবী জনাই তেখেতে কাউন্সিলত বক্তৃতা দিছিল।

অসম কাউন্সিল হাতাৰকৰাই কপাঁই আছিল। কাউন্সিলত যুঁজ দিয়াৰ ফলত ভালেখিনি কাম চৰকাৰৰ পৰা আদায় কৰিবলৈ সক্ষম হৈছিল। আজি আমাৰ দেশত জাতীয় চৰকাৰ হোৱাত বহুতো কাম কৰাত উজু হৈছে। কিন্তু সেই সময়ত চৰকাৰৰ লগত যুঁজ দি দেশৰ মঙ্গলজনক কাম কৰা সিমান উজু নাছিল। তীক্ষ্ণ বুদ্ধিৰ ৰাজনীতিজ্ঞ নহলে বৃটিছ চৰকাৰৰ নীতিৰ বিৰুদ্ধে কাউন্সিলত দাবী উত্থাপন কৰা টান আছিল। দেশৰ সমস্যাৰ চিত্ৰ তেখেতৰ চকুৰ আগত ভাঁহি আছিল আৰু অন্তৰত প্ৰবল দেশাত্মবোধ থকাৰ বাবে তেখেতে বিনা দ্বিধাই ৰাইজৰ দাবী কাউন্সিলত উত্থাপন কৰিব পাৰিছিল।

সামৰণি

আজি আমাৰ দেশ স্বাধীন। ভাৰতৰ শত হাজাৰ হাজাৰ লোকে অনেক নিৰ্য্যাতন ভোগ কৰি, জীৱন বিসৰ্জ্জন দি, এই স্বৰাজ লাভ কৰিছে। আজি বৃটিছ সিংহ আঁতৰি গল। আমাৰ দেশত আমাৰ ৰাইজেই শাসনৰ ভাৰ গ্ৰহণ কৰিলে। নানা বাধা বিঘিনি নেওচি জাতীয় স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ ভোগ কৰা বহুতো দেশপ্ৰেমিক লোকে হয়তো এই স্বৰাজৰ সোৱাদ নাপালে। তেওঁলোকৰ আত্মাই হয়তো সুখ পাইছে।

আজি ভাৰতীয় জাতীয় কংগ্ৰেছ তথা ভাৰতীয় জনসাধাৰণে ভাৰতত সমাজ-তন্ত্ৰবাদ প্ৰতিষ্ঠাৰ কথা কৈছে। এদিন হয়তো আছিল, যিদিনা সমাজতন্ত্ৰবাদৰ কথা কোৱা দূৰে থাওক জাতীয় স্বাধীনতাই নাছিল। সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিবলৈ গলে আমাৰ দেশৰ জনসাধাৰণে কিমান কঠোৰ শ্ৰম কৰিব লাগিব—তাক কবৰ আৱশ্যক নকৰে। আজিও আমাৰ দেশৰ সকলো ক্ষেত্ৰতে আমোলাতান্ত্ৰিক ভাৱ ধাৰা বিদ্যমান, বৃটিছ চৰকাৰে এৰি থৈ যোৱাৰ পাচৰ পৰা আমি কাৰ্য্যতঃ স্বাধীনতা পালেও আমাৰ মাজত পৰাধীনতাত ঘুণে ধৰা মানসিক বিকাৰ আঁতৰ হোৱা নাই। এই বিকাৰগ্ৰস্ত লোকে সমাজতন্ত্ৰৰ মুক্ত বায়ু সেৱন কৰিব নোৱাৰে, এই বিকাৰৰ প্ৰতি-বিধান দৰ্কাৰ। বৃটিছ শাসনৰ মাজত থাকি পৰাধীন শিক্ষা ব্যৱস্থা বা পৰাধীন ভাৱ-ধাৰাৰ বদ্ধ বায়ু সেৱন কৰিও যি সকলে, নিজকে তাৰ পৰা মুক্ত ৰাখি, ভাৰতক প্ৰতিষ্ঠা কৰিবৰ বাবে সংগ্ৰাম কৰি, জাতিৰ এই মহৎ উদ্দেশ্যত নিজকে বিলীন কৰি দিব পাৰি ছিল সেই সকল জাতিৰ সদাই পূজ্য হৈ ৰব। এতিয়াও সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠাৰ বাবে এই সমাজত থিয় দিও তেনে এজন নিৰ্ভীক, সুস্পষ্ট দূৰদৰ্শিতা থকা ৰাজনৈতিক বীৰ আৰু সামাজিক কৰ্মীৰ আৱশ্যক। সমাজখনৰ সকলো বিষয়তে নৱ চিন্তাধাৰাৰ সোঁত বোৱাবলৈ আজি আৱশ্যক হৈ পৰিছে। স্বাৰ্থ জড়িত আশা আকাংক্ষা ত্যাগ কৰি দেশৰ স্বাৰ্থকেই আপোন বুলি আগ বঢ়া কৰ্মী আজি দলে দলে ওলাব লাগিব। ভাৰতৰ ঐতিহ্যৰ বুকুত এনে ধৰণৰ প্ৰেৰণাৰ সৃষ্টি অনেক আছে, মাত্ৰ অৱস্থা ভেদে ব্যৱস্থা লব লাগে।

আমাৰ দেশত আজি পাৰত গজা আৰু কম শ্ৰমেৰে নেতা হোৱা অনেক লোক ওলাইছে। কিন্তু প্ৰকৃত কৰ্মীৰ সংখ্যা দিনে দিনে কমি আহিছে; ই সঁচা কৈয়ে পৰিতাপৰ বিষয়। জাতিক গঢ়া সময়ত আজি লাখ লাখ নিস্বাৰ্থ কৰ্মী লাগে। তেনেহলে কৰ্মীৰ অভাৱৰ কেবোন ক'ত ? তাক আজি হালি জাবি চাই প্ৰকৃত পন্থা উদ্ভৱ কৰিব লাগিব।

মহাত্মা গান্ধীৰ আহ্বানত সমগ্ৰ দেশ জাতীয় সংগ্ৰামত জপিয়াই পৰোতে কোনো দিন অসম পাচপৰা নাছিল। অসমে নিজৰ যোগ্য স্থান সদায়েই লৈ আহিছিল। আজি যেতিয়া দেশৰ নতুন পৰ্য্যায় উপস্থিত—ইয়াতনো কিয় অসম পিচ পৰি ৰ'ব ?

আজি অসমত ৰোহিণীকান্তৰ পথ প্ৰদৰ্শক আৰু নেতা, সমসাময়িক কৰ্মী বহুতো আছে। ৰোহিণী কান্তৰ অকাল মৃত্যু নোহোৱা হলে হয়তো সেই সকলৰ মাজত তেখেতে নিজৰ যোগ্য স্থান আজি দখল কৰি, সমস্যা বহুল অসমক গঢ় দিয়াত নিজস্ব বৰঙণি আগ বঢ়ালে হেতেন। দেশৰেই দুৰ্ভাগ্য তেখেত আজি নাই। এটা বিজুলীৰ চমকৰ দৰে অতি কম সময়ৰ ভিতৰতে এইজন পুৰুষে অসম আকাশত দেখা দি যি দৰে উজ্জ্বল কৰিছিল সেই আদৰ্শৰে আমাৰ দেশৰ যুৱক সকল অনুপ্ৰাণিত হোৱা উচিত।

সমাজত চলা দুৰ্নীতি, অনীতি, অত্যাচাৰ, ব্যভিচাৰ, আত্মতোষণ, স্বজনপ্ৰীতি আদিয়ে সমাজক পঙ্গু কৰি তুলিলেও, আৰু আমাৰ জাতিক পথভ্ৰষ্ট কৰিব খুজিলেও আমাৰ দেশত ৰোহিণীকান্তৰ দৰে দেশকৰ্মী, নিস্বাৰ্থ অসীম প্ৰেৰণাৰ থলীৰ আদৰ্শও আছে। সেয়েহে আজি সমাজক ৰূপ দিবলৈ যাওঁতে এনে দেশকৰ্ম সকলৰ জীৱনাদৰ্শ অধ্যয়ন কৰা আমাৰ নিতান্ত দৰ্কাৰ হৈ পৰিছে। আজি গান্ধীজিৰ নাম লোৱা লোকৰ সংখ্যা বাঢ়িছে। কিন্তু গান্ধীজিৰ আদৰ্শ পালন কৰাৰ সংখ্যা কিমান ? মুখে কৈ হাতেৰে তাক প্ৰতিফলিত কৰা প্ৰকৃত কৰ্মীৰ অভাৱ হোৱাৰ সময়ত, আজি আমাৰ আশা-ভৰষাৰ স্থল যুৱক হলে যুৱশ্ৰীৰ পাতত জিলিকি থকা এনে কণজন্মা পুৰুষ সকলক আদৰ্শ কৰি লব লগীয়াত পৰিছে। এই সকলৰপৰা যথেষ্ট প্ৰেৰণা পোৱা যাব। আৰু তেতিয়াহে ঘুৰঁণী কুৰঁণী বাটত আশাৰ বন্তি দেখা যাব। কবিৰ এটি আহ্বান এই যুৱ শক্তিলৈ আমি আগ বঢ়াইছো—

"দুঃখ—বিপদ—ঝঞ্ঝা—
অন্যায় ;—অনাচাৰ ইয়াৰ মাজতে
পাবিভই প্ৰাণৰ স্পন্দন,
জীৱনৰ তৰল তৰঙ্গ ছন্দ
পাৰ ভাঙ্গা সপোন-সুন্দৰ !
তোৰ এই বলিষ্ঠ বাহুত,
আছে তৰিতৰ শক্তি—
তাৰ বলে যাবি অগ্ৰসৰি,
পিচলে যদি তোৰ ভৰি—
মুহূৰ্ত্তে যাবি চূৰ্ণ হৈ—
জীৱনৰ লয়তেই জীৱনৰ জয়—
হব বন্ধু মোৰ চিৰ দিনলৈ ।"

মহামতি ছি. এফ্, এণ্ডুজৰ চমু পৰিচয়

অসমত কানি তদন্ত কৰিবৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে পঠোৱা মহামতি ছি, এফ্, এণ্ডুজৰ চমু পৰিচয় তলত দিয়া হল।

১৮৭১ চনৰ ১২ ফেব্ৰুৱাৰীৰ দিনা ইংলণ্ডৰ কাৰ্লাইল নামৰ ঠাইত জন্মগ্ৰহণ কৰে। কেম্ব্ৰিজত পঢ়ি, পিচত তাতেই অধ্যাপকৰ কামত অধিষ্ঠিত হৈ ১৯০৪ চনত ভাৰতলৈ আহে। ১৯১৩ চনত কবীন্দ্ৰ ৰবীন্দ্ৰনাথৰ শান্তিনিকেতনত যোগদান কৰে। তাৰ পাচৰ পৰাই তেওঁ ভাৰতীয় জাতীয় আন্দোলনৰ লগত নিজকে বিলীন কৰি দিয়ে।

অসমৰ কানি নিবাৰণৰ বিষয়ত তেওঁ দেহেকেহে লাগিছিল। আৰু এই বিষয়ে আলোচনা কৰিবলৈ ভাৰতৰ প্ৰতিনিধি হিচাবে তেওঁ জেনেভালৈ গৈছিল। অসমীয়া ছাত্ৰ সকলৰ একেখনি মাত্ৰ অনুষ্ঠান অসম ছাত্ৰ সন্মিলনৰ নগাওঁ অধিবেশনত তেওঁ সভাপতিত্ব কৰিছিল।

তেওঁ বিশেষকৈ দৰিদ্ৰৰ বন্ধু আছিল। সেই দেখি মহাত্মা গান্ধীয়ে দীনবন্ধু উপাধি দিছিল। বিহাৰ আৰু কোৱেটাৰ ভূমিকম্পত বিপদগ্ৰস্ত লোকসকলক উদ্ধাৰ কৰিবৰ বাবে তেওঁ বহুতো কাম কৰিছিল। তেওঁ বহুতো কিতাপ আদি লিখি সাহিত্য ক্ষেত্ৰলৈও যথেষ্ট অৱদান দি গৈছে।

১৯৪০ চনৰ ৪ এপ্ৰিলত ৬৯ বছৰ বয়সত তেওঁ ঢুকায়।

১৯২৬ চনৰ গুৱাহাটি কংগ্ৰেছৰ সভাপতি শ্ৰীনিবাস আয়েঙ্গাৰৰ চমু পৰিচয়।

১৮৭৪ চনৰ ১১ চেপ্তেম্বৰৰ দিনা মাদুৰা জিলাৰ অন্তৰ্গত ৰামনন্দ চহৰত শ্ৰীনিবাস আয়েঙ্গাৰে জন্মগ্ৰহণ কৰে।

মাদুৰাতেই শিক্ষালাভ কৰি বি, এ পাছ কৰে। ১৮৯৩ চনত ওকালতী পাছ কৰি মাদ্ৰাজ হাইকোৰ্টৰ এড্‌ভোকেট জেনেৰেলৰ কাম কৰে। ১৯২০ চনত তেওঁ এই কাম ত্যাগ কৰি কংগ্ৰেছ মহাসভাত যোগ দিয়ে। তেওঁ মাদ্ৰাজ এচেম্ব্লীৰ সদস্য নিৰ্ব্বাচিত

হয়। ১৯২১ চনৰ আন্দোলনত কংগ্ৰেছ নেতাসকলক গ্ৰেপ্ত'ৰৰ প্ৰতিবাদ কৰি তেওঁ চি, আই, ই উপাধি ত্যাগ কৰে।

তেওঁ চাইমন কমিচনৰ বহিষ্কাৰৰ দাবী জনাই এই আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিছিল।

১৯৩০ চনলৈকে তেওঁ তামিলনাদ প্ৰান্তীয় কংগ্ৰেছৰ সভাপতি আছিল। তেওঁৰ সত্যাগ্ৰহত বিশ্বাস নাছিল। সেই বাবেই তেওঁ কেবাবাৰো গান্ধীজিৰ মতৰ বিৰুদ্ধে যাবলগা হৈ'ছিল। ১৯২৬ চনৰ ডিচেম্বৰ মাহত বহা গুৱাহাটী (পাণ্ডু) কংগ্ৰেছত তেওঁ সভাপতিত্ব কৰিছিল।

হাতী বৰুৱাৰ ১৯২৫ চনৰ বছৰটো

১৯২৫ চনৰ গোটেই বছৰটো তেখেতে কিদৰে কটাইছিল, তাৰ এটি পৰিচয় তেখেতৰ ডায়েৰীৰ পৰা তলত তুলি দিলোঁ। আমাৰ বিশ্বাস তাৰ পৰাই তেখেতে কিমান ব্যস্ততাৰ মাজত দিন কটাব লগীয়া হৈছিল তাক জনা যাব।

জানুৱাৰী:—জানুৱাৰীৰ ১ তাৰিখে মাদ্ৰাজৰ পৰা কলিকতালৈ ঘূৰি আহি ৩, ৪ এই দুদিন জিৰণি লওঁ। ৫ তাৰিখে শ্ৰীগোলাপ খাউণ্ড নামৰ এজনক opium report টাইপ কৰিবলৈ দিওঁ। সেইদিন calcutta ত থাকি ৮ তাৰিখে শ্ৰীযুক্ত সুৰেণ বুঢ়া গোহাইৰ লগত শান্তি নিকেতনলৈ যাওঁ। ৯ তাৰিখে মিঃ ছি এফ্ এণ্ড্ৰুজৰ লগত শান্তি নিকেতনত evidence report বোৰ লিখোঁ। ১২ তাৰিখ লৈকে এই কামত ব্যস্ত থাকি তাক সমাপ্ত কৰো।

১৫ তাৰিখে মিঃ ছি, এফ, এণ্ড্ৰুজৰ লৈতে কলিকতালৈ যাওঁ।

২০ তাৰিখে জাৰেছ পুৰলৈ যাওঁ।

২১ তাৰিখে ঘূৰি আহি ২৩ তাৰিখে মিঃ মেথিৰ পৰা ১০০৲ টাকা কলিকতাত পাওঁ।

২৪ তাৰিখে দিল্লী অভিমুখে যাত্ৰা কৰো।

২৫ তাৰিখে এলাহাবাদত মিঃ এণ্ড্ৰুজক লগ পাওঁ।

২৬ তাৰিখে Legislative Assembly চাবলৈ অনুমতি পাওঁ মিঃ মৰিৰ লগত অসমৰ বিষয়ে কথা পাতো।

২৭ তাৰিখে দিল্লীৰ প্ৰাচীন কীৰ্ত্তিবোৰ চাওঁ। পুৱাবেলা গান্ধীজীৰ লগত কথা পাতি তেখেতক অসমলৈ আহি বলৈ কওঁ। সেই দিনাই জৱহৰ লাল জীৰ লগতো কথা পতা হয়। আৰু opium reportৰ কথা কোৱা হয়।

৩০ তাৰিখে দিল্লীত এণ্ড্ৰুজৰ লগত কথা হওঁ। আৰু তেখেতে ১৪ ফেব্ৰুৱাৰীত অসমলৈ অহা সিদ্ধান্ত লয়। তেতিয়াই সকলো এ, পি, চি, চিৰ সভ্যক নগাৱঁত এণ্ড্ৰুজৰ বাবে অভ্যৰ্থনাৰ দিহা কৰিবলৈ কওঁ। তাতেই এ, পি, চি, চি বহা ঠিক কৰোঁ।

ফেব্ৰুৱাৰী :—দিল্লীৰ পৰা আগ্ৰালৈ আহি তাজমহল আদি চাওঁ। ৭ তাৰিখে কলিকতাত থাকি ঘুৰি আহো। ১২ তাৰিখে যোৰহাট পাই কউন্সিলৰ কামত ব্যস্ত হওঁ। ১৪ তাৰিখে গুৱাহাটী পাওঁগৈ তাৰ পাছত নগাঁৱলৈ আহি ১৫ তাৰিখে A. P. C. C. মিটিঙত যোগ দিওঁ।

১৯ তাৰিখ লৈকে ঘৰত নানা অফিছৰ কামত ব্যস্ত থাকো। ২০ তাৰিখে ভ্ৰাতৃ সইকীয়াৰ ঘৰত জাজীত থাকো। তাত বাইজৰ আপত্তিৰ বিষয়ে কথা আলোচনা কৰো। পুলিচৰ কাৰ্য্যকলাপৰ বিষয়েও বাইজক সোধো। তাৰ পাচত কেই দিন মান মাজুলী ভ্ৰমণ কৰো।

২৬ তাৰিখে শ্ৰীযুক্ত মেধিৰ পৰা ১০০৲ টকা পাওঁ।

মাৰ্চ :—২ তাৰিখে ছিলঙৰ কাউন্সিল মিটিঙত যোগ দিওঁ।

৩ তাৰিখে ১০০৲ টকা T.A. পাওঁ।

৭ তাৰিখে কাউন্সিলত কৰ্ট ফিজ আৰু Stamp Bill পাছ হয়।

১১ তাৰিখে মোৰ বাজেট বক্তৃতাটো আলোচনা হয়।

১৯ তাৰিখে Spinning ৰ ওপৰত দিয়া প্ৰস্তাৱ defeat হয়।

২২ তাৰিখে ছিলঙৰ পৰা কাউন্সিল শেষ কৰি আহোঁ। তাৰ পাচত ঘৰত থাকো গৈ।

এপ্ৰিল :—৪ তাৰিখলৈকে ঘৰত থাকো।

৫।৬ তাৰিখে ৰেঙোনা আটি সত্ৰত মিটিং কৰি আকৌ ঘৰলৈ যাওঁ।

২১ তাৰিখলৈকে ঘৰত থাকো।

২২ তাৰিখে মিঃ ছি এফ্ এণ্ড্ৰুজক লগ ধৰিবলৈ যাওঁ।

২৩ তাৰিখে এণ্ড্ৰুজৰ লগত যোৰহাট পাওঁহি। সেইদিনাই ৯১ বজাত এণ্ড্ৰুজে যোৰহাটৰ সভাত বক্তৃতা দিয়ে। তাৰ পাচত ৰমমালী বাগিছা আদিত এণ্ড্ৰুজৰ লগত ঘূৰো। ২৯ তাৰিখে ৰমমালিত Assam opium committee ৰ মিটিং বহে।

মে :—১ মেৰ দিনা ৰবযুণ সত্বেও ৰমমালি বাগিছাৰ পৰা কানি কমিটিৰ সাক্ষ্য লৈ এণ্ড্ৰুজ খোজ কাঢ়িয়েই ষ্টেশনলৈ আহে। তিনিচুকীয়াত কিছুমান ৰেলওৱে পুলিচক শাৰী পতা দেখা যায়। এটা বাকছ পুলিচে আতঁৰাই দিয়াৰ পৰাই এটা ঘটনা ঘটে। Police S.I. জনে মোক আঘাত কৰাত মযো মাৰো।

২ তাৰিখে এণ্ড্ৰুজৰ সৈতে ৰজনী বৰুৱাৰ ঘৰত থাকো।

১০ তাৰিখ এণ্ড্ৰুজৰ সৈতে যোৰহাটত ফটো লওঁ।

১১ তাৰিখে তিনিচুকীয়ালৈ গৈ ডিব্ৰুগড়ৰ S.P. লগধৰি আগৰ ঘটনাৰ কথা কোৱা হয়।

২১ তাৰিখে মিঃ এণ্ড্ৰুজৰ লগত কলিকতা পাওঁগৈ আৰু তাত বেজবৰুৱাৰ ঘৰত থাকো।

২৪ তাৰিখে বেজবৰুৱা, ফুকন, নবীন বৰদলৈৰ সৈতে মহাত্মাক লগধৰি অসমলৈ অহাৰ বিষয়ে আলোচনা কৰো।

২৫ তাৰিখে মহাদেৱ দেশাইক লগধৰি গান্ধীজিৰ অসম ভ্ৰমণৰ প্ৰগ্ৰেমৰ বিষয় আলোচনা কৰো।

৩০ তাৰিখ পৰ্য্যন্ত কলিকতাত থাকি ৩১ তাৰিখে গুৱাহাটী মুৱা হওঁ।

জুন :—৩ তাৰিখে ফুকনৰ ঘৰত এখন মিটিং পাতি গান্ধীজিৰ অভ্যৰ্থনাৰ্থে এখন কমিটি গঠন কৰা হয়। তাৰ পাচত যোৰহাটলৈ যাওঁ।

৬ তাৰিখে যোৰহাটত এখন মিটিং পাতি গান্ধীজিৰ অভ্যৰ্থনাৰ্থে সকলো যুজাই কৰোঁ।

১৪ তাৰিখ পৰ্য্যন্ত প্ৰগ্ৰেম আদি ঠিক কৰাত ব্যস্ত থাকি ১৫ তাৰিখে কলিকতা অভিমুখে যাত্ৰা কৰো।

১৬ তাৰিখে কলিকতালৈ গৈ সেইদিনা লালমণি হাটতেই হি, আৰ দাসৰ মৃত্যুৰ বাতৰি পাওঁ।

১৯ তাৰিখে কলিকতাত থাকোতেই লণ্ডনলৈ যোৱাৰ বিষয় চিন্তা কৰি যোৰহাটৰ D.C. লৈ Pass port ৰ বাবে লিখো। ইতিমধ্যে শ্ৰীযুত অমিয় কুমাৰ দাসৰ পৰা C.R. Das ৰ মৃত্যু শোভাযাত্ৰাৰ বৰ্ণনা খুজি দিয়া wire খন পাওঁ।

২২ তাৰিখে কলিকতাত শ্ৰীযতীন দুৱৰা আদিৰ লগত কটাওঁ।

২৪ তাৰিখে গান্ধীক লগ ধৰো। গান্ধীয়ে ডিচেম্বৰত অসম ভ্ৰমণ কৰিম বুলিকৈ এটা বাণী দিয়ে।

২৫ তাৰিখে লক্ষ্মীধৰ শৰ্মাৰ হাতত মহাত্মাৰ বাণীটো অসমলৈ পঠাওঁ আৰু শ্ৰীযুত অমিয় কুমাৰ দাসলৈ এখন চিঠি দিওঁ।

জুলাই :—১লা জুলাই দিনা শান্তিনিকেতনত থাকোতেই অসমীয়া কাকতৰ জৰিয়তে জানিলোঁ যে, মোৰ ওপৰত থকা মোকৰ্দ্দমা উঠাই লোৱা হৈছে।

৯ তাৰিখলৈকে শান্তিনিকেতনত থাকো।

৬ তাৰিখে এণ্ড্ৰুজক লগ পাওঁ। সেইদিনা তেওঁ কিছু কাগজপত্ৰ পঢ়ি বাহিৰাৰ বিষয় জনায়।

১২ তাৰিখে ছিলং পাওঁহি।

১৩ তাৰিখে প্ৰাইমেৰী শিক্ষাৰ বাবে তোলা ৬ লাখ টকাৰ প্ৰস্তাৱ পৰাজয় হয়।

১৬ তাৰিখে ফুকন ছিলং পাই ভবিষ্যত কৰ্মপন্থাৰ বিষয় আলোচনা কৰে।

১৭ তাৰিখে কংগ্ৰেছ পাৰ্টিৰ এটা Policy ঠিক কৰা হয়। তাৰ পাচত ছিলঙৰ পৰা আহি হেমবৰুৱাৰ লগত ১৯ তাৰিখে কটাও।

২০ তাৰিখে কলিকতালৈ যাও।

২২ তাৰিখে কলিকতাত অসম স্বৰাজ্য পাৰ্টিৰ এখন Manifesto তৈয়াৰ কৰো।

২৪ তাৰিখৰ পৰা এণ্ড্ৰুৰ লগত শান্তিনিকেতনত থাকি Excise Report ও Bothani Report draft কৰো। আৰু লগে লগে ইংলণ্ডলৈ যোৱাৰ বিষয় এণ্ড্ৰুৰ লগত আলোচনা কৰো।

৩০ তাৰিখে কলিকতালৈ ঘুৰো।

আগষ্ট :—৩ তাৰিখে কলিকতাৰ Art Press ত Opium Enquiry Committee ৰ Report টো Print কৰিবলৈ দিওঁ।

১৬ তাৰিখে A.S.L. Club ৰ বাৰ্ষিক অধিবেশন বহে। বেনাৰী গাবেই গৈ Duties of the Students ৰ বিষয়ে বক্তৃতা দিওঁ।

২৯ তাৰিখে শ্ৰীযুত মহাদেৱ শৰ্মাৰ লগত কাউন্সিলৰ বিষয় নানা আলোচনা কৰি ভাত খাওঁতে এটা কেটি সোঁ। ভবিয়েদি বগাই যায়।

৩১ তাৰিখে শ্ৰীযুত শঙ্কৰ চন্দ্ৰ বৰুৱাৰ লগত কথা পাতো। সেইদিনাই বৰুৱা অসমলৈ আহে।

চেপ্তেম্বৰ :—৫ তাৰিখে ছিলং মুখে বওনা হওঁ।

৮ তাৰিখে Settlement of waste land ৰ ওপৰত এটা Resolution কাউন্সিলত দিওঁ।

৯ তাৰিখে আলোচনাৰ পাচত Resolution টো ২৭টা পক্ষে আৰু ১২টা বিপক্ষে ভোটত গৃহীত হয়।

সেই দিনাই বেমাৰ পৰি ১২ তাৰিখ পৰ্য্যন্ত ভোগো।

১৪ তাৰিখে কলিকতালৈ যাত্ৰা কৰো।

১৬ তাৰিখে শান্তিনিকেনত মিঃ এণ্ড্ৰুক লগ ধৰো।

২১ তাৰিখ—ঘৰ পাওঁহি।

অক্টোবৰ :—১৭ তাৰিখে মাহ নৰাত ব্যস্ত থাকো।

২০ তাৰিখে মেলেঙলৈ যাওঁ। তাত বাৰপানীয়ে নষ্ট কৰা ঠাইবোৰ চাওঁগৈ।

২৬ তাৰিখে Opium committee ৰ Report খন ছাপা হৈ পাছে লৈহে আহে।

নবেম্বৰ :—৩ তাৰিখে গুৱাহাটী পাওঁগৈ।

৪ তাৰিখে ফুকনৰ লগ ধৰি বাৰচৌধৰীৰ ঘৰত থাকো। তাৰ পাচত বাণী কাকতিৰ লগ ধৰো। গুৱাহাটীত বিপৰ্টখন বিক্ৰী কৰো।

৫ তাৰিখে নিউপ্ৰেছত শ্ৰীযুত অমিয় দাসক লগ ধৰো। তাৰ পাচত গুৱাহাটী D. C. C. ৰ পুনৰ সংগঠনৰ বাবে বহা সভাত যোগ দিওঁ।

৬ তাৰিখে মিঃ বি, মেধিৰ পৰা টকা ২০৲ টা, লৈ ধুবুৰীলৈ যাত্ৰা কৰো।

৮ তাৰিখে ধুবুৰীৰ কংগ্ৰেছ কৰ্মীৰ সভাত যোগ দিওঁ। শ্ৰীযুত প্ৰমথ চৌধুৰীয়ে কংগ্ৰেছত যোগ দিয়াৰ বিষয়ে আলোচনা হয়।

১০ তাৰিখে গৌৰীপুৰলৈ গৈ Dist. Organising Committee গঠন কৰো।

১৫ তাৰিখে গুৱালপাৰা পাওঁহি আৰু যোগেন্দ্ৰ নাথ নাথক লগধৰি কথা হওঁ। তাৰ পাচত ২০ তাৰিখে মঙ্গলদৈ লৈ যাও। আৰু শ্ৰীযুত কুমুদ ৰাম ৰবাৰ ঘৰত থাকো।

২১ তাৰিখে কংগ্ৰেছ কৰ্মীৰ সভা হয়।

২৩ তাৰিখে তেজপুৰেদি আহি জখলা বন্ধাত থাকোহি।

২৫ তাৰিখলৈকে জখলা বন্ধাত থাকি বিজাৰ্ভ চাওঁ।

২৬ তাৰিখে নগাঁৱৰ উমা গোহাঁইৰ ঘৰত থাকোগৈ।

২৭ তাৰিখে শ্ৰীযুত হলধৰ ভূঞাক লগধৰো।

২৮ তাৰিখে গুৱাহাটী পাওঁগৈ।

৩০ তাৰিখে যোৰহাটলৈ আহোঁ।

ডিচেম্বৰ ঃ—২ তাৰিখে শ্ৰীযুত এচ, কে, বেজবৰুৱা আৰু শ্ৰীযুত চি, কে, বেজবৰুৱাৰ পৰা ৭৫৲ টকা লওঁ।

৮ তাৰিখে যোৰহাটত সাহিত্য সভাত যোগ দি শিৱসাগৰলৈ যাত্ৰা কৰো।

১০ তাৰিখে কটিক গগৈ, হেমচন্দ্ৰ গোসাই আদিক শিৱসাগৰত লগ ধৰো।

১৮ তাৰিখে যোৰহাটত A. P. C. C. আৰু Jorhat D. C. C. ৰ মিটিং বহে, তাত A. I. C. C. ৰ Member আৰু Delegate মনোনীত কৰা হয়।

২০ তাৰিখে কানপুৰত কংগ্ৰেছ মহাসভাত যোগ দিবলৈ যাত্ৰা কৰো। লগত * নক, ভিকবি, আৰু * Master যায়।

২১ তাৰিখে সকলোক গুৱাহাটীত থৈ কলিকতা মুখে যাওঁ।

আজান ফকিৰৰ গীতত
হাতীৰ বকৰা বংশৰ কথা।

যেতিয়া নজৰক দিখৌ নৈত পেলালে
হোলোং ঘৰ কাটি হৈ যায়॥
হাতত তামোল দিওঁ খা তই বকৰা
মুঠিত কৰ্ফুল দিও খা।
আমাৰে নগৰত কি ঘটন ঘটিছে
তাকে তই চাবলৈ য'॥
হাতীতে উঠি হাতীৰে বকৰা
নগৰক চাবলৈ যায়।
হাতাতে উঠি হাতীৰে বকৰা
নগৰৰ চাৰি চুক চায়॥
নগৰৰ চাৰি চুক ফুৰি সি বকৰাই
কতো নেদেখিলে বাম।
আজানৰ হুতায়ে কোবাম পাঢ়িছিল
সেই খিনিতে দেখিলে বাম॥
কৰবলৈ ধৰিলে হাতীৰে বকৰাই
চাহেবৰ মুখলৈ চাই।
মাগি খাইছিলি গৰীয়া ফকিৰ
ৰূপাইকনো কৰিলি কি।
মাগি খাইছিলি গৰীয়া ফকিৰ
ৰূপায়ে কঢ়ালে চকু।

ভাৰৰে :পাগুৰি চিণ্ডি হাতী বকৰাই
চাহেবৰ মচিলে লোভ।
কি দোৱা দি যাম তোকে ঐ বকৰা
কি বৰ দি যাম তোক।
পুৰুষে পুৰুষে বিষয় খাই যাবি
ভাঙোতা মহৰ তোক।
হাতীতে উঠি হাতীৰে বকৰাই
বজাৰত গোচৰ দিলেগৈ।
নগৰৰ চাৰি চুক ফুৰি মই বকৰাই
কতো নেদেখিলো বাম।
শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি
বজাই সজাই দিলে মঠ।
চকুৰি ভকতে লয় আল্লাৰ নাম
মাদুৰি বমৰে কঠ।

ইত্যাদি।

(চৈয়দ·আবদুল মালিক এম, এ দেৱৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত "অসমীয়া জিকিৰ আৰু জাৰী" নামৰ কিতাপৰ পৰা তুলি দিয়া হল)।

হাতী বৰুৱাৰ লিখনিৰ চানেকি :—(ছাত্ৰৰ উপযোগী)

আৱাহন পুহ, ১৮০১ শক। ১ম বছৰ, ৩য় সংখ্যা ৩২২ পৃষ্ঠা।

ছাত্ৰশক্তি

(৺ৰোহিণীকান্ত হাতীবৰুৱা)

আপোনালোকৰ দৰে মই এতিয়ালৈকে ছাত্ৰ। স্কুলত পঢ়ি থকা সময় ডোখৰতেই যে ছাত্ৰ বুলি ধাৰ লোৱাটো ছাত্ৰ শব্দৰ অৰ্থ তেনে নহয়। যাৰ মনত নতুন কথা নতুন তথ্য বুজিবলৈ, শিকিবলৈ সদায় থাউতি, তেঁৱেই ছাত্ৰ। গতিকে একো একোজন মানুহ গোটেই জীৱনত ছাত্ৰ। কিন্তু সককাল ডোখৰেই যে ছাত্ৰ হোৱাৰ উপযুক্ত সময় তাক কেৱেঁ নুই কৰিব নোৱাৰে। ছাত্ৰৰ মন সদায় পবিত্ৰ, নিৰ্ম্মল সাংসাৰিক চিন্তাৰ পৰা আঁতৰি থকা উচিত। মন এনে অৱস্থাত থকাটো সক কালতে সদায় সম্ভৱপৰ, কিন্তু ছাত্ৰই সিদ্ধি বা অভিলষিত ফল পাবলৈ আন দুটা কথাও বিশেষকৈ আৱশ্যক। আগৰ-কালৰ ঋষি-মুনিসকলে সিদ্ধি বা অভিলষিত বস্তু পাবলৈ হলে তেখেত সকলে বিশেষকৈ দুটা কাৰ্য্য কৰিছিল; প্ৰথমতে নিৰ্জ্জন ঠাইত তপ আৰু যজ্ঞ কৰিছিল। তেতিয়াহে তেখেত সকলে সিদ্ধি লাভ কৰিছিল। এতিয়াও ছাত্ৰ সকলে সিদ্ধি লাভ কৰিবলৈ হলে এই দুই অনুষ্ঠানৰ মাজেদি যাবই লাগিব। বৰ্ত্তমান অৱস্থাত তপ মানে বুজিব লাগিব কষ্ট আৰু সহিষ্ণুতা, যজ্ঞ মানে ত্যাগ। ছাত্ৰসকলৰ সিদ্ধি কত এই বিষয়ে অনেকৰে মতভেদ হ'ব আৰু অনেকেই অনেকভাৱে ভাবি লব পাৰে। বৰ্ত্তমান সমাজৰ উপযোগী এজন হোৱাটোৱেই ছাত্ৰৰ সিদ্ধি বুলি কলে মতভেদ নহব। কিন্তু কি উপায় বা ব্যৱসায় অৱলম্বন কৰিলে সমাজৰ উপযোগী হব পাৰি এই খিনিতে মতভেদৰ সৃষ্টি হয় আৰু বিভিন্ন মতাৱলম্বীয়ে বিভিন্নভাৱে ধৰি লয়। সমাজৰ উপযোগী হবলৈ হলে প্ৰথমে সমাজখনৰ পটিপিটি সৰল কৰি লব লাগিব; কাৰণ মুৰ নাথাকিলে মুৰ কামোৰণি ক'ত ? সমাজক এটা থাতু থকা পদাৰ্থ বুলি ধৰি লব; জড় পদাৰ্থ বুলি ধৰি ললে নহব। যেনেকৈ

এটা ধাতু থকা পদাৰ্থৰ এটা অঙ্গ ক্ষুণ্ণ বা ক্ষত হলে তাৰ গোটেই শৰীৰ অক্ষম বা সি কাৰ্য্যৰ অনুপযোগী হয়; সেইদৰে সমাজৰ কোনো লোক, অকামিলা বা কাৰ্য্য অক্ষম হলে সেই গোটেই সমাজ খনেই অকামিলা বা কাৰ্য্য অক্ষম বুলি লব। সেই কাৰণেই কওঁ, সমাজৰ প্ৰত্যেকেই সমাজৰ উপযোগী হবই লাগিব। আৰু সেয়ে নহলে সেই সমাজ সমাজেই নহয়। সমাজ গঢ়িবলৈ হলে আকৌ তাক গঢ়িব পৰা ক্ষমতা, সামৰ্থ্য আৰু আশ্ৰয় আৱশ্যক। তেনে ক্ষমতা সামৰ্থ্য আৰু আশ্ৰয় বৰ্ত্তমান ভাৰতৰ ৰাজনৈতিক অৱস্থাত পোৱাটো ভাৰতবাসীৰ শতকৰা নব্বৈইজনেই সন্দেহ কৰে আৰু সেই কাৰণেই সকলো ভাৰতবাসীয়েই একবাক্যে, আন কাৰণৰ নিমিত্তে নহলেও অকল সমাজ ৰক্ষাৰ কাৰণেই স্বৰাজ লাগে বুলি দাবী কৰিছে। ভাৰতবাসীৰ এই দাবী আন আন কাৰণতো নিতান্ত ভিত্তিমূলক। আজি ভাৰতবাসীয়ে স্বৰাজ নাপালে সমাজ ৰক্ষা কৰা দূৰৈৰ কথা, মানসিক, দৈহিক, আৰু আৰ্থিক কোনো প্ৰকাৰ উন্নতি কৰা অসম্ভৱ হৈ পৰিছে। ছাত্ৰ সমাজৰ বৰ্ত্তমান সিদ্ধি স্বৰাজ লাভ কৰাটো'য়েই আৰু সেই সিদ্ধিৰ কাৰণে তপ আৰু যজ্ঞ কৰিবই লাগিব। সেই দেখি মোৰ মৰমৰ ছাত্ৰবন্ধু সকলক কওঁ এতিয়াৰ পৰাই সেই তপ আৰু যজ্ঞ কৰিবলৈ সাজু হক আৰু তেহে সিদ্ধি লাভ হব। পোনপটি ভাষাত কলে আপোনালোকে স্বৰাজ লাভ কৰিবলৈ যিখিনি কষ্ট, সহিষ্ণুতা আৰু ত্যাগ আৱশ্যক তাক কৰিবলৈ এতিয়াৰ পৰা সাজু হক।

আপোনালোকে নিজৰ স্কুল বা পঢ়াশালিখনিক কি বুলি ভাবি লৈছে মই কব নোৱাৰো। মোৰ মতেৰে হলে স্কুল বা পঢ়াশালিখন বাহিৰ বৃহৎ সংসাৰৰ এটি ক্ষুদ্ৰ আকৃতি মাথোন। আপোনালোক বয়সস্থ হৈ যিখিনি কাৰ্য্য কৰিব লাগিব, সেইখিনি কাৰ্য্য এই ক্ষুদ্ৰ সংসাৰ স্কুলতে শিকা উচিত। স্কুলক আমি ভাবেৰে ভাবি ললে আপোনালোকে স্কুলৰ শিক্ষাৰ আশ্ৰয় লোৱাৰ প্ৰকৃত উদ্দেশ্যক লঘুভাৱে ভাবি লোৱা হব। ভৱিষ্যতে সংসাৰ চলাবলৈ যিখিনি সামগ্ৰী আৱশ্যক হয়, তাকেই আপোনালোকে এই ক্ষুদ্ৰ সংসাৰ স্কুলখনিৰ যোগেদি সংগ্ৰহ কৰে। নিজৰ গুৰুক এই ক্ষুদ্ৰ সংসাৰখনিৰ মুখিয়াল বা বুঢ়া ভাবে ভাবি লৈ ভৱিষ্যত সংসাৰৰ আহিলাপাতি বা সামগ্ৰী গোটাই লক। আপোনালোকে, বোধকৰো খাঁটি অসমীয়া পটন্তৰ এটি সকলোৱে জানে—জুই শালত গচিলেহে কমাৰশালত গঢ়িব পাৰি। আপোনালোকৰ পঢ়াশালি বা স্কুল সম্বন্ধেও সেই

বংশাৱলী



লবঙ্গ
অলীমুখী ডেকা ফুকন
o
o
মনোহৰ
o
মেছেলা
কেছেলা
যোৰহাট জেইলৰ
পশ্চিমে বৰ আহোমৰ
ৰুকত ৮বুজুৰাম মিস্ত্রিক
লে, ডুজন ককাই ভাই
মুহিধৰ
তুলসী (সাহিত্যিক)
o
দীননাথ হাতীবৰুৱা
বি, এ,
যজ্ঞেশ্বৰ হাতীবৰুৱা
এম, এচ, চি
খগেন্দ্ৰ হাতীবৰুৱা
বি, এচ, চি বি,টি,
প্ৰাণনাথ
বঙ্গাচাহি পুৰণি
মেলিয়া বৰুৱা
কুলাই
শুত্ৰনাথ
o
ললিত
যোগেন বি, এ
গেণা
টেলেকা
খগিৰাম
সভাৰাম
ভোলা
বাপুৰাম
দীনডেকা
বিষ্ণুৰাম
(২)
পাপন
হীৰানাথ
গুপীনাথ
কণ
আপুটি (অপুত্ৰক)
মইনা
(অপুত্ৰকা)
ৰজাবাহাৰৰ
হেমোধৰ, গোঁহাইৰ
ভাৰ্য্যা।
বিষ্ণুৰাম (২)
ক'লা গগৈ
(অপুত্ৰকা)
শিৱসাগৰৰ
বালি গোঁহাইৰ মাক
পোনাৰাম
ডিম্বেশ্বৰ
গিৰিশ
মিনেশ্বৰ
(অপুত্ৰকা)
লাই চন্দ্ৰ
জিউ চন্দ্ৰ
শ্ৰীফল
খোনা
বিষ্ণুৰাম
ফেদেলা
মোহন চন্দ্ৰ
(অপুত্ৰকা)
আত্মাৰাম
(কপা হাতীবৰুৱা)
কেঁৰা
হলিৰাম
পিস্তগগৈ
(অপুত্ৰকা)
নাৰায়ণ
গুফিয়া
গুণাৰাম
মতিৰাম
দেবেশ্বৰ
(বৰুৱা চালিত
আছে)
কলি
সোনা
(অপুত্ৰকা)
চেংমন
(অপুত্ৰকা)
সিপাহি
(অপুত্ৰকা)
দ্ৰোণেশ্বৰ
ধৰ্ম্মেশ্বৰ
হেম
(হাকিম)
মোলোকা
ফণি
লোকেশ্বৰ
কচিনাথ বুঢ়া গোঁহাইৰ
ভাৰ্য্যা
মুহিধৰ বুঢ়া গোঁহাই
দুৰ্গেশ্বৰ বুঢ়া গোঁহাই
লোকেশ্বৰ বুঢ়া গোঁহাই
বেথাই বুঢ়া গোঁহাই
নীল „ „
কুমুদেশ্বৰ „ „
গনেশ „ „
কাৰ্ত্তিক „ „
সুৰেন্দ্ৰনাথ „ „
(ভূতপূৰ্ব্ব কেন্দ্ৰীয়
উপমন্ত্ৰী)
কৰঙ্গাৰ চুচন্দ
ডেকা ফুকনৰ ভাৰ্য্যা
কৃষ্ণৰাম
ভবেশ্বৰ বৰ পাত্ৰ
গোঁহাইৰ ভাৰ্য্যা
চম্পা
ভবৰাম
(১)
গোলাপ
মুখেশ্বৰ বৰ
পাত্ৰ গোঁহাইৰ
ভাৰ্য্যা কপা
কনকেশ্বৰ বৰ পাত্ৰ
গোঁহাইৰ ১ম ভাৰ্য্যা সোনা
কনকেশ্বৰ বৰ
পাত্ৰ গোঁহাইৰ
২য় ভাৰ্য্যা
যোগেশ্বৰী
আইদেউ
তুহুনী আইদেউ
শৈল্যধৰ
তৰাই আইদেউ
বাজল আইদেউ
যোগেশ্বৰ
গুলচি আইদেউ
হৰম „
লোকনাথ
যজ্ঞেশ্বৰ
ধৰ্ম্মেশ্বৰ
বিলি আইদেউ
কনকা „
সৰ্ব্বানন্দ „
কমল
তুলসী আইদেউ
ধৰ্ম্মী „
ঘনকান্ত
কানাই লাল
বি, এ,
দুৰ্গাধৰ
নলধৰ
মোহন
শিৱ
দেবেন
ভোলা
নবেশ
বীৰেণ
ৰোহিনীকান্ত
বি. এ.
সবিতাবালা
(মাধন)
মঃ মহেশ্বৰ
বৰ গোঁহাই
(বি. এ.)
লক্ষীকান্ত
ননীবালা
মঃ পদুম কুমাৰ
গগৈ (এম.বি,
বি, এস,)
ভবৰাম (১)
লোকিনাথ (কটক)
পাহেশ্বৰ
খিৰেশ্বৰ
মানিক
সৰুবাপ

একে পটন্তৰেই খাটে। এই স্কুলৰূপ জুইশালত গঢ়িলেহে প্ৰকৃত সংসাৰ কৰ্মশালত গঢ়িব পাৰিব।

এইখিনিতে আকৌ এটি প্ৰশ্ন স্বভাৱতে আহি পৰে। বৰ্ত্তমান আপোনালোকে স্কুলত যি শিক্ষা পাই আহিছে, সেই শিক্ষাই আপোনালোকক সংসাৰৰ উপযোগী কৰিব পাৰেনে নোৱাৰে। ইয়াত আকৌ মতভেদৰ সৃষ্টি হয়। আপোনালোকৰ দেশ স্বাধীন হোৱা হলে আজিকালি যি পৰিমাণে মতভেদ এই বিষয়ত হৈছে সেই পৰিমাণে নেপালেহেঁতেন। আপোনালোক পৰাধীন। পৰাধীন জাতিক শাসক সম্প্ৰদায়ে বা শাসন কৰ্ত্তা সকলে নিজৰ আৱশ্যকতা অনুসাৰে শিক্ষা প্ৰণালী দিবলৈ অলপো কুণ্ঠিত নহয় আৰু এনে কৰাটো স্বাভাৱিক। বৰ্ত্তমান শিক্ষা প্ৰণালীত যে দোষ আছে ভাৰতবাসীৰ সকলোৱেই একবাক্যে চিঞৰিবই লাগিছে। শাসক সম্প্ৰদায়ে আপোনালোকক বলৱান, বুদ্ধিমান, শক্তিমান আৰু ধনৱান হোৱাটো ভাল নাপায়। যি উপায় অৱলম্বন কৰিলে আপোনালোক নিশকতীয়া দুকলা, ধনহীন হয় সেই উপায় শিক্ষা-প্ৰণালীৰ যোগেদি অৱলম্বন কৰিছে। ৰাজভক্ত হোৱাটো মানৱজাতিৰ এটা ডাঙৰ গুণ; সেই বুলিয়েই আপোনালোকক ক খ কলাৰ আৰম্ভ কৰাৰ দিনৰ পৰা পৰা কিতাপৰ পৃষ্ঠাই পতি ৰজাৰ ছবি থকা পাঠ্য আদিৰে ৰাজভক্ত হবলৈ শিকাব লাগেনে কি? ইংৰাজ শাসনৰ সুফল ৰেল জাহাজ— স্কুল কলেজ স্থাপন আদি ইমানকৈ ভাটৌক শিকোৱাৰ দৰে শিকাব লাগেনে? আমাৰ দেশত নেলছন, এড্‌ৱাৰ্ড দি গ্ৰেট আদিৰ সমকক্ষ বীৰ আছে।' ক'তা, সেইবোৰ বীৰৰ জীৱনী আপোনালোকৰ পাঠ্য কিতাপত জানো পাইছে? শিৱজী, ৰাণাপ্ৰতাপ, মণিৰাম দেৱান, লোকমান্য তিলক, মহাত্মা গান্ধী আদিৰ জীৱনচৰিত আপোনালোকৰ পাঠ্য কিতাপত পাইছে জানো?

আপোনালোকে কি খালে কি কৰিলে বলৱান হব তাক আপোনালোকে আপোনলোকৰ পাঠ্য কিতাপৰ যোগেদি শিকিবলৈ নাপায়; আপোনালোকে কি উপায় অৱলম্বন কৰিলে আপোনালোকৰ বুদ্ধিৰ প্ৰখৰতা বৃদ্ধি হব তেনে ধৰণৰ কথা আপোনালোকৰ পাঠ্য কিতাপত নাই; আকৌ আপোনালোকে কি উপায় অৱলম্বন কৰিলে ধন ঘটিব পাৰিব বা ধনী হব তাবো আভাস আপোনালোকৰ পাঠ্য কিতাপত

নাই। আপোনালোকৰ স্বদেশানুৰাগ যি কৰিলে বা যি দৰে ভাবিলে বা পঢ়িলে বৃদ্ধি পায় তাক কৰিবলৈ, ভাবিবলৈ বা পঢ়িবলৈ আপোনালোকে নাপায়। আপোনালোকে চিলাৰায়, লাচিত বৰফুকন, ৰাণা প্ৰতাপ, শিৱজীৰ জীৱনী পঢ়িলে, আমাৰ দেশতো এনে বীৰ আছিল আৰু আমিনো তেনে একোজন নহম কিয় এই ভাব জাগি স্বদেশ প্ৰেমত অনুপ্ৰাণিত হয় বুলি আপোনা লোকক তেনে ধৰণৰ জীৱনী পঢ়িবলৈকে দিয়া নহয়। এই খিনিতে আপোনালোকে মোক সুধিব পাৰে যে প্ৰকৃত শিক্ষা আমিনো কেনেকৈ আৰু কেতিয়াকৈ পাম? এই প্ৰশ্নৰ উত্তৰ মই একেষাৰে আপোনালোকক কওঁ ভাৰতবাসীয়ে স্বৰাজ পালেহে এই শিক্ষা পাব পাৰিব। নিজৰ দেশৰ মানুহৰ দ্বাৰায় দেশ শাসিত হলেহে মই ওপৰত কোৱা শিক্ষা লোৱাটো সম্ভৱপৰ। মুঠতে ভাৰতবাসীৰ সৰ্ব্বাঙ্গীন উন্নতিৰ মূলতে স্বৰাজ।

ৰাজনৈতিক আন্দোলনত আপোনালোকে ছাত্ৰৰ ন্যায্য ভৰি দিবলৈ বহুতৰে আপত্তি দেখো। মই কওঁ আপোনালোকৰ যেনেকৈ যি বস্তু খালে আপোনালোক হৃষ্ট পুষ্ট হয়, তাক খাবলৈ আপোনালোকৰ সম্পূৰ্ণ স্বত্ব আছে; সেইদৰে আপোনালোকৰ যি কৰিলে বা যিদৰে ভাবিলে দেশৰ সৰ্ব্বাঙ্গীন উন্নতি হয়, তাক কৰিবলৈ বা সেইদৰে ভাবিবলৈ আপোনালোকৰ সম্পূৰ্ণ স্বত্ব আছে। আনদৰে ভাবিলে দেখা যায় আপোনালোক প্ৰত্যেকেই দেশৰ একোটা অঙ্গ বা পৰমাণু আৰু আপোনালোকক বাদ দি দেশক উন্নত কৰিবলৈ গলে দেশৰ এটা অঙ্গক দুৰ্ব্বল কৰা হয় আৰু তাৰ ফলত গোটেই দেশখনকে নিশকতীয়া কৰা হয়। আপোনালোকৰ ৰাজনৈতিক আন্দোলনত যোগ দিবৰ সম্পূৰ্ণ দাবী বা স্বত্ব আছে।

ছাত্ৰ শক্তি এটা ডাঙৰ শক্তি। ছাত্ৰ শক্তিৰ যি প্ৰাণ আছে সেই প্ৰাণ বহুতৰে বিৰল। ছাত্ৰ শক্তিৰ যি প্ৰাণ সি স্বাভাৱিক আৰু তাক কোনো বাধা ঙিঙা নাই। বহুতলৈ নতুন আমাৰ ওপৰত চীনদেশৰ ছাত্ৰশক্তিৰ কীৰ্তিগুণ শিকিবৰ কথা। বৰ্ত্তমান চীনদেশৰ ৰাজনৈতিক আন্দোলনৰ মূলতে ছাত্ৰ। চীনদেশৰ বৰ্ত্তমান ৰাজনৈতিক উচ্চধৰণৰ সালসলনিৰ মূলতে ছাত্ৰশক্তি। ছাত্ৰই চীনদেশত যুগান্তৰ আনিলে। চীনদেশৰ ছাত্ৰৰ দেশৰ মানুহৰ নিৰক্ষতা আঁতৰাবলৈ নৈশ-বিদ্যালয়ৰ যি সংস্থান আৰু দেশৰ সৰ্বাঙ্গীন উন্নতি গঠন কৰিবলৈ

যেনে ধৰণৰ সংবাদ কৰিলে তাক ভাবিলে আচৰিত নহৈ নোৱাৰো আৰু ছাত্ৰশক্তিৰ উপাসক হওঁ। অলপদিনৰ আগতে মিছৰ বা ঈজিপ্ট দেশৰ ছাত্ৰশক্তিৰ প্ৰবল শক্তিৰ উচ্ছ্বাসতেই বিলাতৰ ৰাজশক্তি তলমূৰ কৰিব লগা হৈছিল। ভাৰতলৈ পঠিওৱা চাইমন কমিশ্যনৰ দৰে মিছৰৰ শাসন প্ৰণালীৰ আচনি এখনি দিবলৈ বিলাতৰ ৰাজশক্তিয়ে "মিলনাৰ" কমিশ্যন নিযুক্ত কৰি মিছৰলৈ পঠিয়াইছিল। ভাৰতবাসীয়ে চাইমন কমিশ্যন বয়কট কৰাৰ দৰে মিছৰ বাসীয়েও মিলনাৰ কমিশ্যন বয়কট কৰাৰ সিদ্ধান্ত কৰিছিল। মিছৰৰ বয়কট সম্পূৰ্ণ হল একমাত্ৰ ছাত্ৰশক্তিৰ বলতেই। শুনিলে আচৰিত হব সেই মিলনাৰ কমিশ্যন মাথোন পোন্ধৰ দিন মান থাকিয়েই তত্-মত্ না পাই বিলাত মুৱা হল। যলৈকে মিলনাৰ কমিশ্যন গৈছিল ত'লৈকে ছাত্ৰ দলে দলে আগবঢ়ি গৈ নগৰৰ আলিবাট, স্কুল, কলেজ, কাছাৰি আদি জনশূন্য কৰি পেলাইছিল। ছাত্ৰশক্তিৰ এই প্ৰভাৱৰ বলতেই আজি মিছৰ জাতি আমাতকৈ ৰাজনৈতিক বিষয়ত আগবঢ়া, ছাত্ৰ-শক্তিয়ে যে এনে অৱস্থা পাব পাৰে তাৰ নিমিত্তেইহে এই দুটা ঘটনাৰ দেখুৱালো। আৱশ্যক বুজি ছাত্ৰশক্তি এনে কাৰ্য্যলৈ সততে সাজু হোৱা উচিত।

অসমে স্বাধীনতা হেৰুৱা আজি মুঠে ১০০ বছৰ। ইমানতে আপোনালোকৰ শাৰীৰিক মানসিক হীনতা দেখিলে বেজাৰ লাগে। আপোনালোকৰ ইয়াত বোধকৰো আজি বুঢ়া গোঁহাই, বৰ গোঁহাই, বৰুৱা-ফুকন আদিৰ নাতি-পুতি বহুতো বৰ্ত্তমান। বুঢ়াগোঁহাই, বৰগোঁহাই, বৰুৱা-ফুকন আদিয়ে এই দেশ এসময়ত শাসন কৰিছিল। হব পাৰে আপোনালোক সেই পূৰ্ব্বপুৰুষ সকলতকৈ তেজহীন, দুৰ্ব্বল, ধনহীন; কিন্তু সেই বুলিয়েই যে আপোনালোক এই দেশ শাসনৰ অনুপযোগী তাক কেতিয়াও কব নোখোজো। আপোনালোকে সেই পূৰ্ব্বপুৰুষ সকলৰ সেই আসন লবই লাগিব। এই খিনিতে আমাৰ দেশৰ স্বাৰ্থৰ বিপক্ষে যোৱা বহুতো গণ্যমান্য ইংৰাজ ভদ্ৰলোকৰ আৰু কি, আমাৰ দেশৰো কোনো কোনোৰ মুখত শুনিবলৈ পোৱা যায় যে আপোনালোকে স্বৰাজ পালে এই দেশ কেনেকৈ ৰক্ষা কৰিব; কাৰণ ভাৰতৰ দাতিয়ে-কাষে নগা, আবৰ প্ৰভৃতি অসংখ্য জাতি আছে আৰু সিহঁতৰ আক্ৰমণৰ পৰা নিজক কেনেকৈ ৰক্ষা কৰিব? এইবোৰ কথা শুনিবলৈ যেনে আপচু তেনে অমূলক। আমি তেওঁলোকক কওঁ যদি কুৰি হাজাৰ ইংৰাজে এই দেশ শাসন কৰিব পাৰে, তেন্তে তেত্ৰিশ কোটি ভাৰতবাসীয়ে.

ভাতোকৈ ভালকৈয়ে শাসন কৰিব পাৰিব। এনেবোৰ কথালৈ কাণ নাপাতি আপোনা-লোকৰ কৰ্ত্তব্যত লাগি থাওক।

ভাৰতৰ ইমুৰৰ পৰা শিমুৰলৈকে সাম্প্ৰদায়িক ভাব জগাই তুলিলে ভাৰতৰ কি অনিষ্ট কৰা হয় তাক আপোনালোকে জানে। আপোনালোকে যদি দেশৰ কল্যাণ কামনা কৰে, এতিয়াৰ পৰাই এই সাম্প্ৰদায়িক ভাবক নাই নিদিবলৈ শিকক। মই মুছলমান, মই বামুন, মই আহোম ইত্যাদি ভাবক এতিয়াৰ পৰাই দূৰ কৰি দিয়ক। এতিয়াৰ পৰাই ভাবক মই প্ৰথমে ভাৰতবাসী, তাৰ পাচত হে আৱশ্যক বুজি আহোম, মুছলমান বুলি ভাবিব। এনেদৰে ভাবিলেহে দেশৰ কল্যাণ হব। বহুতে কয় যে এই সাম্প্ৰদায়িক ভাবৰ কেবোন ধৰ্ম্মহে। মই কিন্তু সেইদৰে নাভাবো। তথাপি তৰ্ক হিচাবে ধৰি ললে যদি আৱশ্যক হয়—ধৰ্ম্মই যদি সাম্প্ৰদায়িক ভাবৰ কেবোণ, আমাৰ ভাৰতৰ সকলো ধৰ্ম্মকে গঢ়ি এটা নতুন ভাৰতীয় ধৰ্ম্ম সৃষ্টি কৰাটোৱেই মঙ্গলজনক কাম হব। এই ধৰ্ম্ম হিন্দু, মুছলমান, খৃষ্টীয়ান একোৱেই হব নোৱাৰে। এই যাৰ কথা মই কিন্তু তৰ্কৰ উত্তৰতহে কৈছো। মই সদায় ভাবো যে সাম্প্ৰদায়িক ভাবৰ বিস্তাৰৰ মূলতে আমাৰ ভাৰতবাসীৰ আৰ্থিক দুৰবস্থা। ভাৰতবাসীৰ আৰ্থিক দুৰবস্থাৰ কাৰণে কচ়া-আজোৰা হয়। অমুক হিন্দু হোৱা বাবে বিদ্যাবুদ্ধিৰে চাকৰি পালে, মই মুছলমান হৈ চাকৰি না পাম কিয়? আৰ্থিক দুৰবস্থা আতঁৰ হলেই চাকৰিৰ কাৰণে হাবিয়াস কমিব। সেই কাৰণে মই আপোনালোকক কওঁ যে এতিয়াৰ পৰাই আপোনালোকে নিজৰ ভৰিত থিয় হবলৈ শিকক; পৰৰ মুখাপেক্ষী হবলৈ অভ্যাস এৰি দিয়ক।

এই খিনিতে ছাত্ৰই কৰিব পৰা কেই আষাৰমান আন কথা কৈ সামৰণি মাৰো। আপোনালোকৰ অৱসৰ বহুত, তাতে আকৌ আপোনালোকৰ বহুত ছাত্ৰই গাঁৱৰ পৰা নগৰৰ স্কুললৈ অহাযোৱা কৰে। আপোনালোকৰ ছুটী আদিও যথেষ্ট। অসমৰ শতকৰা ৬ জন মানুহ লেখা পঢ়া জনা বাক বাকীবোৰ নিৰক্ষৰ। আপোনালোকে বাবো বুলিলে পুৱা-গধূলি গাঁৱৰ নাম ঘৰত নিৰক্ষৰ সকলক পোট খুৱাই শিক্ষা দিব পাৰে। গাঁৱত জ্বৰ, বসন্ত, গ্ৰহণী, হাইজা ৰোগে প্ৰায়েই দেখা দি কত লোকক বছৰে বছৰে শিকলীয়া কৰিবই-লাগিছে। এইবোৰ ৰোগৰ মূলতে গাঁৱৰ গেলা-পচা খাল, ভাল পানীৰ অভাৱ। আপোনালোকে দলবদ্ধ হৈ এই গেলা-পচা খাল পৰিষ্কাৰ কৰিব পাৰে। ভাল পানীৰ

কাৰণে গাঁৱৰ পুখুৰীবোৰৰ পচা দল আদি গুচাব পাৰে। কানি-ভাং, মদ-চুৰট, আদি খোৱাৰ অপকাৰিতা বুজাই দিব পাৰে। ৰুগীক সেৱা-শুশ্ৰূষা কৰিব পাৰে, মই এইবোৰ কাৰ্য্য নিজে বিশ্ব-কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ বোলপুৰত স্থাপিত শান্তিনিকেতন স্কুলত আপোনালোকৰ নিচিনা সমবয়স্ক ছাত্ৰই কৰা দেখিছোঁ। তাত দলে দলে ছাত্ৰই বাতিপুৱাই ওলাই গৈ ওচৰৰ সাঁওতাল গাঁওবিলাকত গেলা পচা খালবোৰ পৰিষ্কাৰ কৰা, ৰুগীক ঔষধ দিয়া কামবোৰ কৰা নিজে দেখিছোঁ। হৰিদ্বাৰৰ গুৰুকুল আশ্ৰমতো ছাত্ৰ সকলে এনেদৰে কৰা নিজ চকুৰে দেখি আহিছোঁ। এইবোৰ কাৰ্য্যই প্ৰকৃত দেশসেৱা। নিজৰ ককাই ভাই, জ্ঞাতি, কুটুম্বলৈ ভক্তি-স্নেহ নুপজিলে দেশলৈ চেনেহ উপজিব নোৱাৰে। সেই কাৰণে কওঁ যে এতিয়াৰ পৰাই আপোনালোকে নিজৰ ককাই-ভাই জ্ঞাতি কুটুম্বক সেৱা কৰিবলৈ শিকক; তেহে প্ৰকৃত স্বদেশ-প্ৰেম জাগি আহিব। আপোনালোকে এইদৰে দেশ-সেৱা কৰিবলৈ ঠায়ে ঠায়ে অনুষ্ঠান কৰক। তেহে আপোনাকে সিদ্ধি লাভ কৰিব পাৰিব।*

* কাঁলুগাঁও ছাত্ৰসভাৰ ৩য় অধিবেশনৰ সভাপতিৰ অভিভাষণ। সঃ

কৃতজ্ঞতা জ্ঞাপন

তলত নাম দিয়া সকলৰ পৰা আৱশ্যকীয় বুদ্ধি পৰামৰ্শ পোৱাত হিয়া ভৰা শ্ৰদ্ধা জনালোঁ।

যোৰহাটৰ ৺সৰ্ব্বেশ্বৰ বৰচেতীয়া; ভূতপূৰ্ব্ব শিক্ষামন্ত্ৰী শ্ৰীদেবেশ্বৰ শৰ্ম্মা; ৰাজহ মন্ত্ৰী শ্ৰদ্ধেয় শ্ৰীসিদ্ধিনাথ শৰ্ম্মা, শ্ৰীদেবেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী; কংগ্ৰেছ নেতা শ্ৰীযোগেন শইকীয়া, সাহিত্যিক আৰু দেশকৰ্মী শ্ৰীমহাদেৱ শৰ্ম্মা; আৰু যোৰহাটৰ সাহিত্যিক শ্ৰীমোহনচন্দ্ৰ মহন্ত।

বেটুপতিৰ ছবিটো আঁকি দিছে মোৰ ছাত্ৰ শ্ৰীমান টংকেশ্বৰ হাজৰিকাই। তেওঁলৈ মোৰ শুভেচ্ছা থাকিল।

নৱজীৱন প্ৰেছৰ মালিকে গা লাগি কিতাপখনি উলিওৱাৰ সুযোগ দিয়াৰ বাবে মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

—লিখক